www.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্রতীক

অসম বার্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

ৰাজনীতি মাত্ৰ এটা মুহূর্তৰ বাবে, কিন্তু সমীকৰণ হ'ল শাশ্বত কালৰ বাবে। — এলবার্ট আইনষ্টাইন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্রতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্রচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বার্তা' গোষ্ঠী -

প্রথম বছৰ | সংখ্যা- ২০৯ | শনিবাৰ | ৬ জুন, ২০২৬ চন | Volume/Year- I | Issue- 209 | Saturday | 6th June, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page- 8

■ ১৭ জনীয়া হ'ল মন্ত্রীসভা; জ্যোতি-বিষ্ণু কলা মন্দিৰত শপতগ্রহণ ■

১২ গৰাকী নতুন মন্ত্রীয়ে ল'লে শপত

□ অসমীয়াকে ধৰি বিভিন্ন ভাষাত শপতবাক্য পাঠ □

নিউজ ডেস্ক, অসম বার্তা, ৫ জুন ঃ শুকুৰবাৰে মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাৰ মন্ত্রীসভা সম্প্রসাৰণ কৰা হয়। দিনটোৰ দুপৰীয়া ১২টা ৪৫ মিনিটত গুৱাহাটীৰ খানাপাৰাস্থিত জ্যোতি-বিষ্ণু আন্তর্জাতিক কলা মন্দিৰত অনুষ্ঠিত হয় এই শপতগ্রহণ অনুষ্ঠান। মুঠ ১২ গৰাকী বিধায়কে মন্ত্রীৰূপে শপত গ্রহণ কৰাৰ লগে লগে মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাৰ মন্ত্রীসভাখন ১৭ জনীয়া (মুখ্যমন্ত্রীসহ) হয়। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্রসাদ আচার্যই ১২ গৰাকী বিধায়কক মন্ত্রীৰূপে পদ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰায়। মুখ্য সচিব ড° ৰবি কোটাই অনুষ্ঠানটোৰ আঁত ধৰে। এই ঐতিহাসিক অনুষ্ঠানত উপস্থিত আছিল মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মা, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, মন্ত্রী সর্বানন্দ সোণোৱাল, □ ৬ পৃষ্ঠাত

যক্ষ্মা চিকিৎসালয়ৰ ৯ বিঘাতকৈ অধিক চৰকাৰী ভূমি বেদখল কৰা ৬৫ পৰিয়ালৰ বিৰুদ্ধে উচ্ছেদ

শপত গ্রহণৰ দিনাই বিৰুবাৰীত বুলড'জাৰ অভিযান

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৫ জুন ঃ মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাৰ মন্ত্রীসভাত ১২ গৰাকী নতুন মন্ত্রীয়ে শপত গ্রহণ কৰাৰ দিনাই গুৱাহাটী মহানগৰীত আৰম্ভ হ'ল বৃহৎ উচ্ছেদ অভিযান। শুকুৰবাৰে পুৱা ১১ বজাৰ পৰা গুৱাহাটীৰ বিৰুবাৰী অঞ্চলত প্রশাসনে বুলডজাৰ চলাই বেদখল □ ৬ পৃষ্ঠাত

নিষিদ্ধ ড্রাগছ সহ জাগুনত এজন সৰৱৰাহ-কাৰীক আটক

লেখাপানী আৰু জাগুন আৰক্ষীৰ যৌথ অভিযান

অসম বার্তা বিশেষ, জাগুন, ৫ জুন ঃ সমগ্র ৰাজ্যত মানৰ সম্পদ ধ্বংসকাৰী নিষিদ্ধ ড্রাগছৰ প্রচলন আৰু সেৱনৰ বিৰুদ্ধে অসম আৰক্ষীয়ে তৎপৰতাৰে কঠোৰ পদক্ষেপ গ্রহণ কৰি আহিছে যদিও বর্তমানেও এই নিষিদ্ধ ড্রাগছৰ প্রচলন আৰু □ ৬ পৃষ্ঠাত

পৰিৱেশ সংৰক্ষণত দশকজোৰা সফলতাৰ কথা উল্লেখ

বিশ্ব পৰিৱেশ দিৱসত প্রধানমন্ত্রী মোদী, মুখ্যমন্ত্রী ড° শর্মাৰ সচেতনতামূলক বার্তা

নিউজ ডেস্ক, অসম বার্তা, ৫ জুন ঃ ৫ জুন ঐতিহাসিক দিৱস উপলক্ষে প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে গুৰুত্বপূর্ণ বার্তা প্রেৰণ কৰে। বিগত দশকটোত তেওঁৰ চৰকাৰে গ্রহণ □ ৬ পৃষ্ঠাত

■ ত্রিপুৰাত বিএছএফ জোৱানক সম্মোধন কৰি কঠোৰ বার্তা ■

সীমান্তৰ্তী ৰাজ্যৰ জনগাঁথনিগত পৰিৱর্তন সহ্য কৰা নহ'ব ঃ গৃহমন্ত্রী

নেশ্যনেল ডেস্ক, অসম বার্তা, ৫ জুন ঃ কেন্দ্রীয় গৃহমন্ত্রী অমিত শাহে স্পষ্টভাৱে কৈছে যে পশ্চিম বংগ, ত্রিপুৰা আৰু বিহাৰৰ দৰে সীমান্তৱর্তী ৰাজ্যসমূহৰ জনগাঁথনিগত পৰিৱর্তন কেন্দ্রীয় চৰকাৰে কোনো কাৰণতে সহ্য নকৰে। ত্রিপুৰাৰ লংকামুৰা সীমান্ত চকীত ভাৰত-বাংলাদেশ সীমান্তত নিয়োজিত সীমান্ত সুৰক্ষা বাহিনী (বি এছ এফ)ৰ জোৱানসকলৰ সৈতে মতবিনিময় কৰি তেওঁ □ ৬ পৃষ্ঠাত

□ শপতগ্রহণ অনুষ্ঠানত দুই ন-বিজেপি বিধায়ক □

মন্ত্রীসভা সম্প্রসাৰণত স্থান নাপালেও আশাবাদী প্রদ্যুৎ-ভূপেন

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৫ জুন ঃ অসমৰ মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাৰ সম্প্রসাৰিত মন্ত্রীসভাত স্থান লাভ কৰিবলৈ সক্ষম নহ'ল কংগ্রেছ ত্যাগ কৰি বিজেপিত যোগদান কৰা দুই শক্তিশালী নেতা-প্রদ্যুৎ □ ৬ পৃষ্ঠাত

খান চাৰৰ বিৰুদ্ধে আৰক্ষীৰ গোচৰ

ব্যৱসায়িক প্রতিযোগিতা বা শত্রুতাৰ বলি নহ'বলৈ শিক্ষার্থীক আৰক্ষীৰ আহ্বান

নেশ্যনেল ডেস্ক, অসম বার্তা, ৫ জুন ঃ পাটনাত ক'চিং চেণ্টাৰৰ সংযাতক কেন্দ্র কৰি সৃষ্টি হোৱা এক উত্তপ্ত পৰিস্থিতিৰ পিছত বিখ্যাত শিক্ষক ফৈজল খান চমুকৈ খান চাৰৰ বিৰুদ্ধে আৰক্ষীয়ে ৰুজু কৰিছে গোচৰ। যোৱা ২ জুনৰ নিশা পাটনাৰ কদমকুৱান থানা □ ৬ পৃষ্ঠাত

বিদ্রোহী গোটৰ কার্যকলাপ ৰোধৰ ক্ষেত্রত কেন্দ্রৰ এখোজ

অৰুণাচলৰ চাংলাং-লংডিঙত আৰম্ভ ভাৰত-ম্যানমাৰ সীমান্তৰ ফেন্সিং ৰেৰ নির্মাণৰ কাম

অসম বার্তা, ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ৫ জুন ঃ কটকটীয়া নিৰাপত্তাৰ মাজেৰে চুবুৰীয়া ৰাজ্য অৰুণাচল প্রদেশৰ চাংলাং আৰু লংডিং □ ৬ পৃষ্ঠাত

"১২ বছৰ ধৰি কংগ্রেছে ভাৰতত অৰাজকতা আৰু অনিশ্চয়তা সৃষ্টি কৰি আহিছে"

চুৰাটত কংগ্রেছক আক্রমণ প্রধানমন্ত্রী মোদীৰ

হতাশাবাদীসকলে আত্মনির্ভৰ ভাৰতক উপহাস কৰে ঃ মোদী

নেশ্যনেল ডেস্ক, অসম বার্তা, ৫ জুন ঃ প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে শুকুৰবাৰে গুজৰাটৰ চুৰাটত এখন ৰাজহুৱা সভাত ভাষণ দি কংগ্রেছ দল আৰু ৰাহুল গান্ধীৰ বিৰুদ্ধে তীব্র আক্রমণ চলায়। চুৰাট ভ্রমণৰ সময়ত প্রধানমন্ত্রী গৰাকীয়ে কেইবাটাও উন্নয়নমূলক প্রকল্পৰ উদ্বোধন কৰাৰ লগতে এখন জনসভাক □ ৬ পৃষ্ঠাত

আৰবিআইৰ মুদ্রা নীতি কমিটিৰ সর্বসম্মত সিদ্ধান্ত; মুদ্রাস্ফীতিৰ প্রক্ষেপণ বৃদ্ধি, জিডিপি প্রক্ষেপণ হ্রাস

৫.২৫ শতাংশতে ৰেপ' ৰেট অপৰিৱর্তিত ৰখাৰ সিদ্ধান্ত ৰিজার্ভ বেংকৰ

নেশ্যনেল ডেস্ক, অসম বার্তা, ৫ জুন ঃ ভাৰতীয় ৰিজার্ভ বেংকৰ (আৰবিআই) মুদ্রা নীতি কমিটিয়ে (এমপিচি) একেবাহে দ্বিতীয়বাৰৰ বাবে ৰেপ' ৰেট ৫.২৫ শতাংশতে অপৰিৱর্তিত ৰখাৰ সিদ্ধান্ত গ্রহণ কৰিছে। পশ্চিম এছিয়াত তিনি মাহ ধৰি চলি থকা সংঘাতৰ প্রভাৱত খাৰুৱা তেলৰ □ ৬ পৃষ্ঠাত

□ শ্বর্ট চার্কিটৰ ফলত অগ্নিকাণ্ড সংঘটিত হোৱাৰ সন্দেহ □

জালুকবাৰীত বিধ্বংসী অগ্নিকাণ্ডত একেটা পৰিয়ালৰে ৪ জনৰ কৰুণ মৃত্যু

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৫ জুন ঃ বৃহস্পতিবাৰে নিশা জালুকবাৰীৰ জয়মতী নগৰত এক বিধ্বংসী অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। এই অগ্নিকাণ্ডত জীৱন্তে অগ্নিদগ্ধ হৈ একেটা পৰিয়ালৰ ৪ জনকৈ লোকৰ মৃত্যু হয়। মৃত লোককেইজন গোৱালপাৰাৰ □ ৬ পৃষ্ঠাত

মন্ত্রী হিচাপে সমগ্র অসমৰ বাবেই কাম কৰিম ঃ সুশান্ত ৰবগোহাঁই

শিৱসাগৰ জিলাৰ পৰা ২০ বছৰৰ পাছত মন্ত্রীসভাত স্থান

মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাক কৃতজ্ঞতা জ্ঞাপন

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৫ জুন ঃ অসমৰ মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাই বৃহস্পতিবাৰে সম্প্রসাৰিত মন্ত্রীসভাৰ ১২ জনীয়া তালিকা ঘোষণা কৰে। এই তালিকাত স্থান লাভ কৰি শুকুৰবাৰে শপত গ্রহণ কৰিবলগীয়া ন-মন্ত্রীসকলৰ অন্যতম হৈছে শিৱসাগৰৰ বিধায়ক সুশান্ত □ ৬ পৃষ্ঠাত

■ কংগ্রেছৰ বনধ্বংস নীতিৰ সমালোচনা ■

ৰাজ্যত ৫ বছৰত ২৫ হাজাৰ একৰ বনভূমি বেদখলমুক্ত!

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৫ জুন ঃ কেৱল সর্বদিশীয়া উন্নয়নেই নহয়, প্রকৃতি সংৰক্ষণ আৰু সংবর্ধনতেও ড° হিমন্ত বিশ্ব শর্মাৰ নেতৃত্বাধীন ৰাজ্য চৰকাৰে বিশেষ সফলতা অর্জন কৰিছে বুলি দাবী কৰে ৰাজ্যিক বিজেপিৰ মুখপাত্র কমল কুমাৰ মেধিয়ে। আজি বিশ্ব □ ৬ পৃষ্ঠাত

বিশ্ব পৰিৱেশ দিৱসত বিজেপি মুখপাত্র কমল কুমাৰ মেধিৰ দাবী

বিশ্ব নবী (ছাঃ)ক লৈ বিতৰ্কিত মন্তব্যৰ বিৰুদ্ধে আমছুৰ এজাহাৰ; কঠোৰ ব্যৱস্থাৰ দাবী

অসম বাৰ্তা, কুমুল্লীপৰা, ৫ জুন ঃ বিশ্ব নবী হজৰত মহম্মদ (ছাঃ)ক লৈ সংবাদ মাধ্যমৰ জৰিয়তে কৰা এক বিতৰ্কিত আৰু আপত্তিজনক মন্তব্যক কেন্দ্ৰ কৰি ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উক্ত মন্তব্যই কেৱল মুছলমান সমাজৰ ধৰ্মীয় অনুভূতিত আঘাত হনা নাই, বৰং অসমৰ সুদীৰ্ঘকালীন সাম্প্ৰদায়িক সম্প্ৰীতি, সামাজিক সমন্বয় আৰু ভ্ৰাতৃত্ববোধৰ পৰিৱেশকো বিঘ্নিত কৰাৰ অপচেষ্টা বুলিও বিভিন্ন মহলে অভিহিত কৰিছে। এই ঘটনাৰ প্ৰতিবাদত ৰাজ্যৰ বিভিন্ন প্ৰান্তত ক্ষোভৰ সঞ্চাৰ হোৱাৰ সমান্তৰালভাৱে "অল আছাম মাইনৰিটি ষ্টুডেণ্টছ ইউনিয়ন (আমছু)"ৰ বৰপেটা জিলা সমিতিয়ে বুধবাৰে হাউলী আৰক্ষী থানাত এখন লিখিত এজাহাৰ দাখিল কৰে। সংগঠনটোৱে অভিযোগ উত্থাপন কৰে যে, উক্ত ব্যক্তিজনে সংবাদ মাধ্যমৰ আগত বিশ্ব নবী (ছাঃ)ৰ প্ৰতি অত্যন্ত অসম্মানজনক ভাষা ব্যৱহাৰ কৰাৰ লগতে ইতিহাস বিকৃতি আৰু বিভ্ৰান্তিকৰ মন্তব্যৰ আশ্ৰয় লৈ সমাজত বিদ্বেষ আৰু বিভাজনৰ বীজ সিঁচিবলৈ চেষ্টা কৰিছে। আমছুৰ নেতৃবৃন্দই কয় যে, ভাৰতৰ সংবিধানে প্ৰতিজন নাগৰিকক নিজৰ ধৰ্ম পালন আৰু ধৰ্মীয় বিশ্বাসৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ অধিকাৰ প্ৰদান কৰিছে। এনে পৰিস্থিতিত কোনো ধৰ্মীয় মহাপুৰুষ বা কোনো সম্প্ৰদায়ৰ পবিত্ৰ বিশ্বাসক লক্ষ্য কৰি কৰা কটূক্তি কেতিয়াও গণতান্ত্ৰিক মূল্যবোধ, সাংবিধানিক আদৰ্শ আৰু সভ্য সমাজৰ মানদণ্ডৰ সৈতে সঙ্গতিপূৰ্ণ হ'ব নোৱাৰে। সংগঠনটোৱে লগতে উল্লেখ কৰে যে, অসম হৈছে বিভিন্ন জাতি, জনগোষ্ঠী, ভাষা আৰু ধৰ্মৰ মানুহৰ মিলনভূমি। শতাব্দীৰ পৰ শতাব্দী ধৰি এই মাটিত পাৰস্পৰিক সন্মান, সহাৱস্থান আৰু সম্প্ৰীতিৰ এক সুন্দৰ পৰম্পৰা গঢ় লৈ উঠিছে। কিন্তু সাম্প্ৰতিক সময়ত একাংশ ব্যক্তিয়ে উদ্দেশ্যপ্ৰণোদিতভাৱে উচটনিমূলক মন্তব্য আৰু ঘৃণামূলক প্ৰচাৰৰ জৰিয়তে সেই সম্প্ৰীতিৰ বাতাৱৰণ নষ্ট কৰাৰ অপচেষ্টা চলাই থকা দেখা গৈছে। এনে কাৰ্যকলাপৰ বিৰুদ্ধে সময়মতে কঠোৰ আইনগত ব্যৱস্থা গ্ৰহণ নকৰিলে সমাজত অশান্তি আৰু অবিশ্বাসৰ পৰিৱেশ সৃষ্টি হোৱাৰ আশংকা বৃদ্ধি পাব বুলিও তেওঁলোকে মন্তব্য কৰে। আমছুৰ বৰপেটা জিলা সমিতিয়ে আৰক্ষী প্ৰশাসনক ঘটনাটোৰ নিৰপেক্ষ তদন্ত কৰি আইন অনুসৰি দোষীৰ বিৰুদ্ধে শীঘ্ৰে উপযুক্ত ব্যৱস্থা গ্ৰহণৰ দাবী জনায়। লগতে ভবিষ্যতেও যাতে কোনো ব্যক্তিয়ে কোনো ধৰ্ম, ধৰ্মীয় ব্যক্তিত্ব বা সম্প্ৰদায়ক লক্ষ্য কৰি সমাজত বিভেদ সৃষ্টিৰ চেষ্টা কৰিব নোৱাৰে, তাৰ বাবে চৰকাৰ আৰু প্ৰশাসনক অধিক সজাগ ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। সচেতন মহলৰ মতে, মত প্ৰকাশৰ স্বাধীনতা গণতন্ত্ৰৰ এক মৌলিক অধিকাৰ হ'লেও সেই স্বাধীনতাৰ নামত কোনো ধৰ্মীয় বিশ্বাস, মহাপুৰুষ বা সম্প্ৰদায়ৰ মৰ্যাদাহানি কৰাৰ অধিকাৰ কাকো দিয়া হোৱা নাই। সামাজিক সম্প্ৰীতি, পাৰস্পৰিক সন্মান আৰু সাংবিধানিক মূল্যবোধ অটুট ৰাখিবলৈ সকলো পক্ষই সংযম, দায়িত্ববোধ আৰু সহনশীলতাৰ পৰিচয় দিয়া একান্ত প্ৰয়োজন। ঘটনাটোক লৈ অঞ্চলজুৰি ব্যাপক আলোচনা অব্যাহত থকাৰ মাজতে আৰক্ষী প্ৰশাসনে বিষয়টোৰ প্ৰতি কি ধৰণৰ পদক্ষেপ গ্ৰহণ কৰে, সেয়া এতিয়া লক্ষণীয় বিষয় হিচাপে পৰিগণিত হৈছে।

বিশ্ব পৰিৱেশ দিৱস উপলক্ষে চিত্ৰাঙ্কন আৰু থলীতে লিখা ৰচনা প্ৰতিযোগিতাৰ সম্পন্ন

অসম বাৰ্তা, সৰুপথাৰ, ৫ জুন ঃ ভাৰতীয় ৰেডক্ৰছ ছ'চাইটিৰ ধনশিৰি জিলা শাখা, সৰুপথাৰ আৰু উদয়াংশু ফাউণ্ডেশ্যনৰ উদ্যোগত বিশ্ব পৰিৱেশ দিৱস উপলক্ষে অনুষ্ঠিত হয় চিত্ৰাঙ্কন আৰু থলীতে লিখা ৰচনা প্ৰতিযোগিতা। ভাৰতীয় ৰেডক্ৰছ ছ'চাইটিৰ ধনশিৰি জিলা শাখা, সৰুপথাৰ আৰু উদয়াংশু ফাউণ্ডেছন পদুমণি, সৰুপথাৰ উদ্যোগত সামাজিক বনানীকৰণ বিভাগ, প্ৰতিক্ষা বয়োজেষ্ঠ স্বাস্থ্য সেৱা পদুমণি আৰু পদুমণি মধ্য ইংৰাজী বিদ্যালয়ৰ সহযোগত বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি আজি সৰুপথাৰ পদুমণি মধ্য ইংৰাজী বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাঙ্কন আৰু থলীতে লিখা ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। চতুৰ্থ শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীৰ ছাত্ৰ ছাত্ৰীৰ মাজত চিত্ৰাঙ্কন আৰু অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আয়োজন কৰা থলীতে লিখা ৰচনা এই প্ৰতিযোগিতাসমূহত সৰুপথাৰ সমজিলাৰ বিদ্যালয়সমূহৰ মুঠ ৫৫ গৰাকী প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰে। ৰচনা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে ৮ গৰাকী প্ৰতিযোগী সমান্তৰালকৈ চিত্ৰাঙ্কন প্ৰতিযোগিতাত ৪৭ গৰাকী প্ৰথিযোগীয়ে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে বৃহস্পতিবাৰৰ প্ৰতিযোগিতাসমূহত সৰুপথাৰৰ ডি.ভি.এন, জীৱন উপহাৰ ইংৰাজী স্কুল, তৰা পদুমণি জুনিয়ৰ বেচিক, ১ নং পদুমণি জুনিয়ৰ বেচিক, ৪নং সৰুপথাৰ পি এম শ্ৰী জুনিয়ৰ বেচিক, মাৰ্ভেল মাইণ্ড, কালিবাড়ি হাইস্কুল, পদুমণি মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। ৰেডক্ৰছৰ কৰ্মকৰ্তা বিনয় দত্ত শৰ্মাই আঁত ধৰা আজিৰ এই প্ৰতিযোগিতা সমূহৰ উদ্বোধনী সভাত উপস্থিত থাকে সৰুপথাৰ সামাজিক বনানীকৰণ বিভাগৰ ভাৰপ্ৰাপ্ত বন বিষয়া ৰঞ্জিত হাজৰিকা, ৰেডক্ৰছ ধনশিৰি শাখাৰ চেয়াৰমেন দণ্ডেশ্বৰ বৰা, শাখাৰ সম্পাদক দিলীপ কোঁৱৰ আৰু সহকাৰী সম্পাদক মাণিক কুমাৰ দেব। লগতে উপস্থিত থাকে পদুমণি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষয়ত্ৰী মমী মহন্তসহ কেইবাগৰাকী বিশিষ্ট ব্যক্তি। সভাত প্ৰতিযোগিতাৰ বিচাৰকদ্বয় লক্ষ্মী গগৈ (চিত্ৰাঙ্কন) আৰু অনুৰাগ প্ৰজ্ঞান বৰা(ৰচনা)ক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। উল্লেখযোগ্য যে উক্ত সংস্থা সমূহৰ উদ্যোগত বিশ্ব পৰিৱেশৰ দিনটোৰ পুৱা ৯ বজাত বিশ্ব পৰিৱেশ দিৱস উপলক্ষে বৃক্ষ ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন আৰু সৰুপথাৰ সম-জিলা আয়ুক্ত মিতালী লহকৰে। দুপৰীয়া ১২ বজাত সৰুপথাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ নাৰায়ণ তালুকদাৰ দেৱৰ সঞ্চালনাত উদ্‌যাপন সভাত নিৰ্দিষ্ট বক্তা হিচাপে অৱসৰ প্ৰাপ্ত উপ-সঞ্চালক, লোক সংস্কৃতিৰ গৱেষক ধৰ্মেশ্বৰ দুৱৰাৰ লগতে কেইবাগৰাকী বিষয়ববীয়া উপস্থিত থাকিব। উক্ত অনুষ্ঠানতেই প্ৰতিযোগিতাসমূহৰ পুৰস্কাৰসমূহ বিতৰণ কৰা হ'ব।

গোলকগঞ্জত বজ্ৰপাতত আহত যুৱকৰ মৃত্যু; কেইবাজনো আহত

অসম বাৰ্তা, গোলকগঞ্জ, ৫ জুন ঃ গোলকগঞ্জত বজ্ৰপাতৰ ঘটনাত আহত হোৱা এজন ব্যক্তিৰ চিকিৎসাধীন অৱস্থাত মৃত্যু ঘটিছে। মৃত ব্যক্তি গোলকগঞ্জৰ ৮ নম্বৰ ৱাৰ্ডৰ বাসিন্দা গোপাল বৰ্মন। তেওঁ বলৰাম বৰ্মনৰ পুত্ৰ। জানিব পৰা মতে, যোৱা কালি আবেলি প্ৰবল ধুমুহা-বৰষুণৰ সময়ত গংগাধৰ নদীত গা ধুবলৈ গৈছিল গোপাল বৰ্মন। সেই সময়তে বজ্ৰপাতত গুৰুতৰভাৱে আহত হয় তেওঁ। স্থানীয় লোকে ততাতৈয়াকৈ তেওঁক গোলকগঞ্জ চিকিৎসালয়ত ভৰ্তি কৰায়। পাছত উন্নত চিকিৎসাৰ বাবে ধুবুৰী মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰা হয় যদিও নিশা চিকিৎসাধীন অৱস্থাত তেওঁৰ মৃত্যু ঘটে। উল্লেখ্য যে, একেই বজ্ৰপাতৰ ঘটনাত লক্ষ্মীমাৰী হাইস্কুলৰ খেলপথাৰত দশম শ্ৰেণীৰ ছাত্ৰ মেহদী হাচান, শাহিল আহমেদ আৰু বিশ্বজিত বৰ্মন আহত হয়। ইফালে, গোলকগঞ্জৰ দক্ষিণ ৰায়পুৰত বজ্ৰপাতত ছালেহা বিবি আৰু লক্ষ্মীমাৰীৰ সুখিয়া বিবি নামৰ আন এগৰাকী মহিলাও আহত হৈছে। অঞ্চলটোত ধুমুহা-বৰষুণৰ সময়ত সংঘটিত বজ্ৰপাতৰ একাধিক ঘটনাই সাধাৰণ ৰাইজৰ মাজত উদ্বেগৰ সৃষ্টি কৰিছে।

ৰাষ্ট্ৰীয় টিকাকৰণ দিৱস (পলিঅ' অভিযান) উপলক্ষে বৰপেটা জিলাত জিলা টাস্ক ফ'ৰ্চ সভা

অসম বাৰ্তা, বৰপেটাসদৰ, ৫ জুন ঃ ৰাষ্ট্ৰীয় টিকাকৰণ দিৱস উপলক্ষে ২৮ জুন ২০২৬ তাৰিখে পলিঅ' দিৱস হিচাপে পালন কৰা সন্দৰ্ভত আজি বৰপেটাৰ আমচা ভৱনত স্বাস্থ্য বিভাগৰ দায়িত্বত থকা বৰপেটা জিলাৰ অতিৰিক্ত আয়ুক্ত-ৰ সভাপতিত্বত এখন জিলা টাস্ক ফ'ৰ্চ সভা অনুষ্ঠিত হয়। সভাত শিক্ষা বিভাগ, সমাজ কল্যাণ বিভাগ, জনসংযোগ, অসম শক্তি বিতৰণ বিভাগ আদি বিভিন্ন সংশ্লিষ্ট বিভাগৰ প্ৰতিনিধিৰ লগতে বৰপেটা জিলাৰ স্বাস্থ্য বিভাগৰ বিষয়াসকল উপস্থিত থাকে। সভাৰ মূল উদ্দেশ্য আছিল পলিঅ' টিকাকৰণ কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে প্ৰস্তুতি পৰ্যালোচনা আৰু আন্তঃবিভাগীয় সমন্বয় নিশ্চিত কৰা। সভাত জনোৱা হয় যে ২৮ জুন ২০২৬ তাৰিখে "পলিঅ' ৰবিবাৰ" পালন কৰা হ'ব। উক্ত দিনা জিলাজুৰি স্থাপন কৰা বিভিন্ন টিকাকৰণ কেন্দ্ৰত পাঁচ বছৰৰ তলৰ সকলো শিশুক মুখেৰে খুওৱা পলিঅ' টিকা (OPV) প্ৰদান কৰা হ'ব। ইয়াৰ পিছত ২৯ আৰু ৩০ জুন ২০২৬ তাৰিখে স্বাস্থ্যকৰ্মীসকলে ঘৰেঘৰে গৈ টীকাকৰন কেন্দ্ৰত বাদ পৰা শিশুসকলক টিকাকৰণৰ আওতালৈ আনিব। ইয়াৰ উপৰিও, ২৮ জুনৰ পৰা ৩০ জুন ২০২৬ লৈকে তিনিওটা দিনতে বাছ ষ্টেণ্ড, ৰে'ল ষ্টেচন, বজাৰ এলেকা আৰু অন্যান্য যাতায়াত কেন্দ্ৰসমূহত ট্ৰানজিট টিকাকৰণ কাৰ্যকলাপ চলোৱা হ'ব, যাতে কোনো যোগ্য শিশু টিকাকৰণৰ পৰা বঞ্চিত নহয়। এইবাৰ বৰপেটা আৰু বজালী জিলাক সামৰি অভিযানৰ অধীনত পাঁচ বছৰৰ তলৰ ২, ৭৯, ৫৩৬জন শিশুক লক্ষ্য হিচাপে ধৰা হৈছে। সভাত বৰপেটা স্বাস্থ্য বিভাগৰ যুটীয়া স্বাস্থ্য সঞ্চালক, অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া, বৰপেটা, জিলা টিকাকৰণ বিষয়া, আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, বৰপেটাৰ বিষয়াবৰ্গও উপস্থিত থাকে। সভাত অতিৰিক্ত আয়ুক্ত গৰাকীয়ে ১০০ শতাংশ টিকাকৰণ কভাৰেজ নিশ্চিত কৰিবলৈ সকলো বিভাগৰ সমন্বিত প্ৰচেষ্টা আৰু জনসাধাৰণৰ সক্ৰিয় সহযোগিতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

১৮টা পদকেৰে জিলিকিল লখিমপুৰ জিলা

সদৌ অসম পেনচাক চিলাটৰ সমৰকলাত লখিমপুৰ দলৰ বৃহৎ সাফল্য

অসম বাৰ্তা, লীলাবাৰী, ৪ জুন ঃ শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি ইনডোৰ ষ্টেডিয়ামত অনুষ্ঠিত নৱম সংখ্যক 'সদৌ অসম পেনচাক চিলাট প্ৰতিযোগিতা'ত লখিমপুৰ জিলা দলে এক অভূতপূৰ্ব সাফল্য অৰ্জন কৰিবলৈ সক্ষম হৈছে। ২৯ মে'ৰ পৰা ৩১ মে'লৈ অনুষ্ঠিত প্ৰতিযোগিতা খনত লখিমপুৰ জিলাখনৰ খেলুৱৈসকলে সৰ্বমুঠ ১৮টা পদক বুটলি সমগ্ৰ লখিমপুৰবাসীলৈ গৌৰৱ কঢ়িয়াই আনিছে। জিলা সম্পাদক তথা দলৰ মুখ্য পৰিচালক ৰবিজিৎ ৰাজকুমাৰৰ নেতৃত্বত লখিমপুৰৰ দলটোক খেলপথাৰত যোগ্য প্ৰশিক্ষণ প্ৰদান কৰে মুখ্য প্ৰশিক্ষক ৰুহি দত্ত, পৰিস্মিতা বড়ো আৰু মনোৰঞ্জন শইকীয়াই। ক্ৰীড়াপ্ৰেমীসকলৰ মতে, প্ৰশিক্ষকসকলৰ সঠিক দিক্‌দৰ্শন আৰু খেলুৱৈসকলৰ কঠোৰ পৰিশ্ৰমৰ ফলতেই এই বৃহৎ সফলতা সম্ভৱ হৈ উঠিছে। প্ৰতিযোগিতাখনত জিলা দলটোৱে ৮টা স্বৰ্ণ, ৫টা ৰূপ আৰু ৬টা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ডেভিদ ৰাজেন, লুপজয় ভূমিজ, স্বৰ্ণভ শ্ৰেয়ম হাজৰিকা, বিশ্বজিৎ ৰামচিয়াৰী, ওম বাচফৰ, নীলোৎপল নিলয় ফুকন, ৰিয়া বড়ো আৰু ভাৰ্ষিতা শইকীয়াই স্বৰ্ণ পদক লাভ কৰাৰ বিপৰীতে পিয়াংশ চৌদ, গৌৰৱ দাস, লক্ষ্মী ৰূপা বৰা, গায়ত্ৰী দেউৰী আৰু ধ্ৰুৱজ্যোতি শইকীয়াই ৰূপৰ পদক অৰ্জন কৰে। ব্ৰঞ্জৰ পদক লাভ কৰে ক্ৰমে আকাশ কাশ্যপ, মুস্কান বাইলুং, অংকুজ ৰাজোৱাৰ, ইফতিহান ইছলাম, জিণ্টু দলে আৰু কিৰণজ্যোতি বৰুৱাই। উল্লেখ্য যে, বিজয়ী সকলো খেলুৱৈৰে লখিমপুৰ মাৰ্চেল আৰ্ট একাডেমিৰ নিয়মীয়া প্ৰশিক্ষণাৰ্থী আৰু লখিমপুৰৰ সোৱণশিৰি সেৱাশ্ৰমত নিতৌ প্ৰশিক্ষণ গ্ৰহণ কৰে। খেলুৱৈসকলৰ সফলতাত একাডেমিৰ সভাপতি পূৰ্ণানন্দ বৰাই শুভেচ্ছাৰ জনোৱাৰ লগতে তত্ত্বাৱধায়ক ৰাজু সিংহই অভিনন্দন খেলুৱৈসকলৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিছে।

মেৰাগড় নাৰায়ণ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱাগত আদৰণি সভা সম্পন্ন

প্ৰাচীৰ-পত্ৰিকা 'সন্ধান' উন্মোচন

অসম বাৰ্তা, উজনী মাজুলী, ৫ জুন ঃ মাজুলী জিলাৰ প্ৰাচীন শিক্ষানুষ্ঠান মেৰাগড় নাৰায়ণ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ২০২৬-২৭ বৰ্ষৰ নবাগত আদৰণি সভাখন ৩জুনত দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। সেই উপলক্ষে পুৱা পৰিৱেশ নিকাকৰণৰ পিছতেই বিদ্যালয়ৰ পাতাকা উত্তোলন কৰে বিদ্যালয়ৰ শৈক্ষিক তত্ত্বাৱধায়ক অভিজিৎ ফুকনে আৰু শ্বহীদ তৰ্পন কৰে মাজুলী জিলা ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক যদুমণি হাজৰিকাই। ৯বজাত বিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা সন্ধান উন্মোচন কৰে জ্যেষ্ঠ শিক্ষক মুনিন্দ্ৰ নাথ বনিয়াই। তেওঁ প্ৰাচীৰ পত্ৰিকাখনে ছাত্ৰ ছাত্ৰীসকলৰ প্ৰাথমিক স্তৰৰ সাহিত্য প্ৰতিভা উন্মোচিত কৰিছে বুলি উল্লেখ কৰি, উন্মোচিত প্ৰাচীৰ পত্ৰিকাখনত প্ৰকাশিত সাহিত্য সমূহ অতি উচ্চ মানদণ্ড বিশিষ্ট বুলি মন্তব্য কৰে। ইয়াৰ পিছতেই নবাগত ছাত্ৰ ছাত্ৰীসকলক বিদ্যালয়ৰ মূল তোৰণৰ পৰা কৰ্তৃপক্ষ, শিক্ষকগোট আৰু ছাত্ৰ একতা সভাই আদৰি আনি প্ৰেক্ষাগৃহৰ নিৰ্দিষ্ট আসনত বহুৱাই। দুপৰীয়া ১২ বজাৰ পৰা বিদ্যালয়ৰ প্ৰেক্ষাগৃহত মুকলি সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে বিদ্যালয়ৰ শৈক্ষিক তত্ত্বাবধায়ক অভিজিত ফুকনে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সমবেত সংগীত পৰিবেশনেৰে আৰম্ভ হোৱা সভাখন উদ্বোধন কৰে মাজুলী জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ ৰাজখুৱাই। উদ্বোধনী ভাষণত তেওঁ ছাত্ৰ-ছাত্ৰী সকলক নিয়মানুবৰ্তিতা বৰ্তাই ৰাখি শিক্ষাৰ লগতে সৰ্বাংগীণ উন্নয়নৰ বাবে উচ্ছৃংখল স্বভাৱ পৰিহাৰ কৰি লক্ষ্য প্ৰাপ্তিৰ দিশত অগ্ৰসৰ হ'বলৈ আহ্বান জনায়। একাদশ শ্ৰেণীৰ ছাত্ৰ অবিনাশ শইকীয়াই সভাৰ আঁত ধৰি নবাগত সকলক উদ্দেশ্যি আদৰণি ভাষণ প্ৰদান কৰে। সভাত অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক মুহিন্দ্ৰ গয়ন, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰুবী শইকীয়াই নবাগত সকলক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰি ইস্পিত লক্ষ্যত উপনিত হ'বৰ বাবে নিয়মানুবৰ্তি, সময়ানুৱৰ্তী আৰু গভীৰ অধ্যয়ন কৰিবলৈ আহ্বান জনায়। বিদ্যালয়ৰ শিক্ষক গোটৰ তৰফৰ পৰা বিষয় শিক্ষক জিতেন হাজৰিকা আৰু পংকজ শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়ৰ নিয়ম শৃংখলা বজাই ৰাখিবলৈ আহ্বান জনায়। সভাৰ পূৰ্বে বিদ্যালয়খনৰ শিক্ষক শিক্ষয়িত্ৰীৰ উপস্থিতিত নবাগত সকলৰ প্ৰতিভা প্ৰকাশৰ উদ্দেশ্যে অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত হয়। ইয়াৰ জৰিয়তে একাদশ শ্ৰেণীৰ ছাত্ৰী নিবেদিতা শইকীয়াক শ্ৰেষ্ঠ নৱাগত হিচাপে বাছনি কৰা হয়। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়ায় শিক্ষক গোপাল বৰাই।

সমগ্ৰ ঘটনাক কেন্দ্ৰ কৰি সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়া

বড়মপুৰত ছাত্ৰক গুৰুলা-গুৰুলকৈ প্ৰহাৰ পৰিচালনা সমিতিৰ সভাপতিৰ

অসম বাৰ্তা, পুৰণিগুদাম, ৪ জুন ঃ নগাঁও জিলাৰ বড়মপুৰৰ এখন অগ্ৰণী শিক্ষানুষ্ঠান শংকৰদেৱ শিশু বিদ্যানিকেতন, বড়মপুৰত এক জঘন্য ঘটনা সংঘটিত হৈছে। যোৱা কালি বিদ্যালয়খনৰ এগৰাকী ষষ্ঠ শ্ৰেণীৰ ছাত্ৰই বিৰতিৰ সময়ত খেলি থকা অৱস্থাত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মুকুল শইকীয়াই নিজৰ কক্ষলৈ ছাত্ৰ গৰাকীক মাটি আনি উপৰ্যুপৰি প্ৰহাৰ কৰে। ছাত্ৰগৰাকীক বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি গৰাকীয়ে বিনাদোষত উপৰ্যুপৰি প্ৰহাৰ কৰাৰ পাছতেই ছাত্ৰজন গুৰুতৰভাৱে আহত হয়। সভাপতি মুকুল শইকীয়াই বিদ্যালয় কোনো শিক্ষক-শিক্ষয়িত্ৰীক ছাত্ৰজনৰ বিৰুদ্ধে উত্থাপিত অভিযোগ সন্দৰ্ভত অৱগত নকৰি নিজৰ বীৰত্ব প্ৰদৰ্শন কৰি গুৰুলা-গুৰুলকৈ প্ৰহাৰ কৰা কাৰ্যই সমগ্ৰ অঞ্চলটোতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে, এই সন্দৰ্ভত আজি ছাত্ৰজনৰ অভিভাৱকে বিদ্যালয়ত অভিযোগ দিবলৈ অহাত অভিভাৱক আৰু শিক্ষকসকলৰ সন্মুখত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মুকুল শইকীয়াই নিজৰ দোষ স্বীকাৰ কৰি ক্ষমা বিচাৰে। কিন্তু নিজৰ ক্ষমতাৰ ৰাগীত মাতাল হৈ সভাপতিগৰাকীয়ে এনেধৰণৰ ঘটনা সংঘটিত কৰা পাছত এইখন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ নিৰাপত্তাক লৈ অভিভাৱকসকল চিন্তিত হৈ পৰিছে। উল্লেখ্য যে, ব্যক্তিগত খণ্ডৰ বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিগৰাকীৰ এই কৰ্মকাণ্ড প্ৰত্যক্ষ কৰি নগাঁও জিলা আয়ুক্তগৰাকীৰ লগতে নগাঁও জিলা শিক্ষা বিভাগে এতিয়া কি ব্যৱস্থা গ্ৰহণ কৰে সেয়াহে লক্ষণীয় হ'ব।

বৰপেটাৰোডত অভিযানত কাৰ্বাইডসহ জব্দ আমভৰ্তি ট্ৰাক

অসম বাৰ্তা, বৰপেটাৰোড, ৫ জুন ঃ উত্তৰ বৰপেটাৰোডৰ পাইকাৰী পাচলি বজাৰত বৃহৎ পৰিমাণৰ আম কঢ়িয়াই অনা এখন ট্ৰাক আজি জব্দ কৰিছে আৰক্ষীয়ে। অভিযোগ অনুসৰি, ফল পকোৱাৰ বাবে ব্যৱহাৰ কৰা নিষিদ্ধ কাৰ্বাইডসহ ট্ৰাকখনত আম সৰবৰাহ কৰা হৈছিল। অভিযান চলাই আৰক্ষীয়ে WB57R0158 নম্বৰৰ ট্ৰাকখন জব্দ কৰে। ঘটনাস্থলীত খাদ্য সুৰক্ষা বিভাগ আৰু আৰক্ষীয়ে যৌথভাৱে তদন্ত অব্যাহত ৰাখিছে। জব্দ কৰা আম আৰু উদ্ধাৰ হোৱা সামগ্ৰীৰ নমুনা পৰীক্ষাৰ বাবে সংগ্ৰহ কৰা হৈছে। এই ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। উল্লেখ্য যে কিছুদিন পূৰ্বে বজাৰখনত পটলত ৰাসায়নিক ৰং মিহলোৱা বাতৰি প্ৰকাশ হোৱাৰ পিছত কালি বাছষ্টেণ্ডৰ কাষৰ ফল বজাৰত দুজন ফল বিক্ৰেতাক কাৰ্বাইড ব্যৱহাৰ কৰা সংক্ৰান্তত আটক কৰা হৈছিল।

ৰামেশ্বৰ শইকীয়া সোঁৱৰণী বাকপটুতা প্ৰতিযোগিতা

অসম বাৰ্তা যোৰহাট, ৫ জুন ঃ যোৰহাট লেখিকা সমাৰোহ সমিতিৰ উদ্যোগত যোৰহাট মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক তথা লেখক ৰামেশ্বৰ শইকীয়াৰ সোঁৱৰণত যোৰহাটৰ বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ৩০ মে'ত বাকপটুতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। ৰাধাকান্ত সন্দিকৈ ভৱনৰ প্ৰেক্ষাগৃহত সভানেত্ৰী অঞ্জনা বৰঠাকুৰৰ সঞ্চালনাত অনুষ্ঠিত প্ৰতিযোগিতাৰ আৰম্ভণিতে বন্তিপ্ৰজ্বলন কৰে উপদেষ্টা দীপিকা বৰগোহাঁয়ে। বৰ্ণালী বৰুৱাই উদ্বোধনী ভাষণত ৰামেশ্বৰ শইকীয়াৰ জীৱনৰ বিভিন্ন দিশ সম্পৰ্কে আলোকপাত কৰে। প্ৰতিযোগিতাৰ বিচাৰকৰ দায়িত্ব পালন কৰে বিপুল কলিতা, ডেইজী বুঢ়াগোহাঁই, ড০জ্যোতিৰ্ময় বৰদলৈয়ে। ৩৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাত যোৰহাট বাল্যভৱনৰ নিশাৰাণী শইকীয়া প্ৰথম, সুৰ্বণপ্ৰভা বৰদলৈ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ আফচানা ৰহমান দ্বিতীয়, যোৰহাট বাল্যভৱনৰ আয়ুস্মান শইকীয়া তৃতীয় হয়। অসম সাহিত্য সভাৰ সম্পাদক ড° জোতিৰেখা হাজৰিকাই ৰামেশ্বৰ শইকীয়াৰ গ্ৰন্থ আৰু লেখাসমূহৰ সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে বুলি সভাত মত পোষণ কৰে। পৰিয়ালৰ তৰফৰ পৰা নিৰলা শইকীয়া, পুত্ৰ পংকজপাণি শইকীয়া, বাল্যভৱনৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী লনিমা ধনদিয়া, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰধান সম্পাদিকা দীপালি গগৈ বৰুৱা, অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ অদিতি বেজবৰুৱা, বিপুল কলিতাই সভাত বক্তব্য আগবঢ়ায়। যোৰহাট মহাবিদ্যালয়ৰ অধ্যক্ষ সৌমিত্ৰ পূজাৰী, লেখক হেমচন্দ্ৰ শইকীয়া, যোৰহাট জিলা লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন সভানেত্ৰী অপৰাজিতা বৰপূজাৰী, সুজাতা ফুকন, অঞ্জলি দেৱী, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক প্ৰমুখ্যে বিভিন্নজন সভাত উপস্থিত থাকে। সমিতিৰ সদস্যসকলে সমবেত সংগীত, নিচামণি দুৱৰাই গীত পৰিৱেশন কৰে আৰু ট্ৰুমণি শৰ্মা বেজবৰুৱাই আঁত ধৰাৰ লগতে শলাগ জনায়।

মেৰাপানীৰ ১নং আদৰ্শ গাঁৱত নাহৰফুটুকী বাঘৰ মৃতদেহ উদ্ধাৰ; উপস্থিত বন বিভাগ আৰু আৰক্ষী প্ৰশাসন

অসম বাৰ্তা, মেৰাপানী, ৪ জুন ঃ মেৰাপানীৰ ১নং আদৰ্শ গাঁৱৰ গাঁওপ্ৰধান যোগেন বৰাৰ বাৰিত উদ্ধাৰ হয় এটা নাহৰফুটুকী বাঘ। আজি পুৱাৰ ভাগত বাগানৰ কৰ্মচাৰীয়ে কাম কৰিবলৈ আহি প্ৰত্যক্ষ কৰে বাঘৰ মৃতদেহটো। লগে লগে বাগানৰ গৰাকীক খবৰ দিয়ে। ইয়াৰ পাছতেই গাওঁপ্ৰধান যোগেন বৰাই বনবিভাগৰ লোকক খবৰ দিয়ে। ঘটনাস্থলীত বনবিভাগৰ লোক আৰু মেৰাপানী আৰক্ষী উপস্থিত হৈ তদন্ত অব্যাহত ৰাখিছে। বাঘটো প্ৰায় পাঁচ ফুট দীঘল আৰু প্ৰায় ৩.৬ ফুট ওখ আছিল। বাতৰি সংগ্ৰহ কৰালৈকে বাঘটোৰ মৃত্যুৰ কাৰণ জানিব পৰা হোৱা নাই। বাঘটো কোনো বেমাৰত আক্ৰান্ত হৈ মৃত্যু হোৱা বুলি অনুমান কৰিছে যদিও সঠিক তথ্য জানিব পৰা নাই। ইফালে বনবিভাগৰ লোকে মৃত বাঘটো মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে আৰু মৰণোত্তৰ পৰীক্ষাৰ পাছতহে পোহৰলৈ আহিব বাঘটো মৃত্যু হোৱা আচল কাৰণ বুলি জানিব পৰা যাব বুলি জানিলৈ দিয়ে।

আই নৈৰ ঘাটত হিন্দু কিশোৰীক ধৰ্ষণৰ চেষ্টা; মাতৃ-কন্যাক আক্ৰমণ ৰফিকুল ইছলামৰ

অসম বাৰ্তা, সৃজনগ্ৰাম, ৫ জুন ঃ লাভ জেহাদৰ ভয়ংকৰ পৰিণতিত নলবাৰীৰ ছাত্ৰ নেতা মাধুৰ্য বৰ্মনৰ লোমহৰ্ষক হত্যাকাণ্ডৰ ঘটনাই ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি কৰাৰ সময়তে মাতৃৰ সন্মুখতে হিন্দু কিশোৰীক ধৰ্ষণৰ চেষ্টা চলোৱা ঘটনা সংঘটিত হৈছে বঙাইগাঁও জিলাৰ সৃজনগ্ৰামৰ হালদিবাৰীত। জানিব পৰা মতে কালি আই নৈৰ ঘাটত মাকৰ সৈতে কাপোৰ ধুবলৈ যোৱা কিশোৰীক ধৰ্ষণৰ চেষ্টা চলায় কাছাৰীপেটীৰ ৰফিকুল ইছলামে। পাষণ্ড ৰফিকুলৰ আক্ৰমণত কোনোমতে প্ৰাণ ৰক্ষা পৰে দুই মাতৃ কন্যাৰ। ঘটনাৰ বিৱৰণী মতে কালি দিনৰ চাৰে এঘাৰমান বজাত হালদিবাৰীৰ আই নৈৰ ঘাটত কাপোৰ ধুই আছিল দুই মাতৃ-কন্যাই। তেনেসময়তে কাছাৰীপেটীৰ ৰফিকুল ইছলামে সাতুৰি নৈ পাৰহৈ আহি কাপোৰ ধুই থকা কিশোৰী গৰাকীৰ লগত অপকৰ্ম সংঘটিত কৰিবলৈ উদ্যত হয়। মাতৃৰ সন্মুখতে কিশোৰীগৰাকীক গবামাৰি ধৰি টানিআঁজুৰি পাৰলৈ তুলি আনি অসৎ কৰ্ম চৰিতাৰ্থ কৰিবলৈ চেষ্টা চলায় ৰফিকুলে। ঘটনাৰ আকস্মিকতাত আতংকিত মাতৃয়ে চিঞৰবাখৰ কৰি জীয়েকক বচাবলৈ চেষ্টা চলোৱাত ৰফিকুলে তেওঁকো শাৰীৰিক ভাৱে আক্ৰমণ কৰাৰ লগতে কিশোৰী গৰাকীৰ শৰীৰৰ বিভিন্ন স্থানত আঘাত কৰাৰ উপৰি ডিঙি আৰু কান্ধত কামুৰি জখম কৰে। ৰফিকুলৰ চকুত বালি আৰু কাপোৰ ধোৱা চাৰ্ফ ছটিয়াইহে মাতৃ-কন্যাই দৌৰি পলাই জীৱন ৰক্ষা কৰিবলৈ সক্ষম হয়। শাৰীৰিক শক্তিৰে জীয়েকক ৰক্ষা কৰাত ব্যৰ্থ হৈ ৰফিকুলৰ চকুত বালি আৰু চাৰ্ফ মাৰি দিয়ে মাতৃয়ে। চকুৰে একো দেখা নাপাইহে যুৱতীক এৰি দিবলৈ বাধ্য হয় ৰফিকুলে। ৰফিকুলৰ পৰা মুক্ত হৈ প্ৰায় এক কিলোমিটাৰ বালিচৰ দৌৰি প্ৰাণ ৰক্ষা কৰে মাতৃ-কন্যাই। ঘটনাটো বনজুইৰ দৰে বিয়পি পৰাৰ লগেলগে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰে অঞ্চলটোত। জঘন্য ঘটনাটোৰ লগত জড়িত দোষীক কৰায়ত্ত কৰিবলৈ বিভিন্ন সংগঠনে দাবী জনোৱাৰ লগতে কালি নিশাই ভুক্তভোগী পৰিয়ালে বৰঘোলা আৰক্ষী চকীত দাখিল কৰা এজাহাৰৰ ভিত্তিত তদন্ত চলাই আজি অভিযুক্ত ৰফিকুলক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। ২৪ ঘণ্টা নৌহওঁতেই অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱাত আৰক্ষীক প্ৰশংসা কৰিছে অঞ্চলৰ ৰাইজে।

যোৰহাট জিলা মইনা পাৰিজাতৰ দ্বি-বাৰ্ষিক শিশু সমাৰোহৰ আয়োজন

অসম বাৰ্তা, জাঁজী, ৫ জুন ঃ শিমলুগুৰি মৌজা আঞ্চলিক মইনা পাৰিজাতৰ উদ্যোগত যোৱা ৩১ মে'ত তামূলীছিগা গাঁও পঞ্চায়ত কাৰ্যালয়ৰ সভাগৃহত এখনি ৰাজহুৱা সভা অনুষ্ঠিত হৈ যায়। সমাজ কৰ্মী গজেন ফুকনৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই সভাখনতে আগন্তুক নৱেম্বৰ মাহত যোৰহাট জিলা মইনা পাৰিজাতৰ দ্বিবাৰ্ষিক শিশু সমাৰোহৰ আয়োজন কৰা সিদ্ধান্ত লোৱা হয়। আনহাতে শিমলুগুৰি মৌজা আঞ্চলিক মইনা পাৰিজাতৰ আতিথ্যত হ'বলগা এই অনুষ্ঠানৰ বাবে এখনি উদযাপন সমিতি গঠন কৰা হয়। উদযাপন সমিতিৰ সভাপতি হিচাপে গজেন ফুকন আৰু সা: সম্পাদক হিচাপে গণেশ বৰা কৰি এখনি ৩১ জনিয়া কমিটি গঠন কৰা হয়। ইয়াৰোপৰি সভাখনত যোৰহাট জিলাৰ মইনা পাৰিজাতৰ সভাপতি জয়ন্ত বৰপূজাৰী সাধাৰণ সম্পাদক, নিপু হাজৰিকা উপসভাপতি, ঘন লাহন, অনন্ত লাহন, সহ সম্পাদক লোকেন গগৈ, ৰাজ্যিক শিশু বন্ধু প্ৰবীন চুতীয়া সোণমাই দত্ত বৰা, সাংস্কৃতিক সম্পাদিকা মৃদুস্মিতা হাজৰিকা, তামূলীছিগা পঞ্চায়ত সভানেত্ৰী শুক্লা সোণোৱাল, শিমলুগুৰি মৌজা মইনা পাৰিজাতৰ সভাপতি গণেশ বৰুৱা, টুটুমণি শৰ্মা কে ধৰি মইনা পাৰিজাতৰ বিষয়ববীয়া উপস্থিত থকা সভাখনত আঁত ধৰে যোগেন বৰাই আৰু সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক গণেশ বৰাই। সভাখনত সমাৰোহৰ বাবে বামুণপুখুৰী খেলপথাৰ বাছনি কৰা হয়।

NAME CORRECTION

In my Bank passbook of Assam Gramin Vikash Bank vide A/C no.- 7104010004713, IFSC CODE- UTBIORRBAGB, Chenga Branch my name has been wrongly recorded as Kalpana Pathak instead of Kalpana Deka. But my actual name is Kalpana Deka which is correctly recorded in my Pan Card, Vide No- CSOPP7619G, Aadhaar Card, Vide No- 7147 7630 4871, and some others relevant documents. Both Kalpana Deka and Kalpana Pathak are the same name and i.e. myself. Applying for correction at the appropriate authority.

Kalpana Deka
W.O.- Parikshit Deka
Vill- Barghopa
P.O.- Barghopa
P.S.- Sarthebari
Dist- Barpeta, Assam

AB-81/2026

বৰপেটাত বৃহৎ পৰিমাণৰ নকল সোণৰ নাও উদ্ধাৰ; জম্মু-কাশ্মীৰৰ তিনিজনসহ ৫জনক গ্ৰেপ্তাৰ

অসম বাৰ্তা, কুমুল্লী পৰা, ৪ জুন ঃ বৰপেটা আৰক্ষীয়ে এক বিশেষ অভিযান চলাই বৃহৎ পৰিমাণৰ নকল সোণৰ নাও সদৃশ টুকুৰা উদ্ধাৰ কৰাৰ লগতে এই ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত জম্মু-কাশ্মীৰৰ তিনিজন ব্যক্তিসহ মুঠ পাঁচজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। আৰক্ষীৰ এই সফল অভিযানক কেন্দ্ৰ কৰি সমগ্ৰ জিলাখনত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে। আৰক্ষী সূত্ৰে জানিবলৈ দিয়া মতে, গোপন তথ্যৰ ভিত্তিত চলোৱা অভিযানত উদ্ধাৰ হোৱা সোণৰ নাওৰ আকৃতিৰ টুকুৰাটোৰ ওজন প্ৰায় ১.৫৪৬ কিলোগ্ৰাম। প্ৰাৰম্ভিক তদন্তত উদ্ধাৰকৃত সামগ্ৰীটো নকল সোণ বুলি সন্দেহ প্ৰকাশ কৰা হৈছে। অৱশ্যে ইয়াৰ প্ৰকৃত গুণাগুণ আৰু মূল্য নিৰ্ধাৰণৰ বাবে অধিক পৰীক্ষা-নিৰীক্ষা অব্যাহত আছে। ঘটনাটোৰ সৈতে জড়িত থকাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা পাঁচজনৰ ভিতৰত তিনিজন জম্মু-কাশ্মীৰৰ বাসিন্দা বুলি আৰক্ষীয়ে নিশ্চিত কৰিছে। বাকী দুজনৰ ভূমিকা সম্পৰ্কেও আৰক্ষীয়ে তদন্ত চলাই আছে। এই চক্ৰটোৰ সৈতে আৰু কোনো ব্যক্তি বা সংগঠিত প্ৰতাৰণা চক্ৰ জড়িত আছে নেকি, সেই বিষয়েও তদন্তকাৰী সংস্থাই অনুসন্ধান অব্যাহত ৰাখিছে। পৰ্যবেক্ষকসকলৰ মতে, নকল সোণৰ ব্যৱসায় বা সোণৰ নামত প্ৰতাৰণাৰ দৰে ঘটনা কেৱল আৰ্থিক অপৰাধেই নহয়, ই সমাজত অবিশ্বাস আৰু অনিশ্চয়তাৰ পৰিৱেশো সৃষ্টি কৰে। সেয়েহে এনে অপৰাধমূলক কাৰ্যকলাপৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাটো সময়ৰ দাবী। ইফালে, বৰপেটা আৰক্ষীৰ তৎপৰতা আৰু সফল অভিযানক স্থানীয় ৰাইজে আন্তৰিকভাৱে শলাগ লৈছে। অপৰাধ নিয়ন্ত্ৰণ আৰু সাধাৰণ নাগৰিকক প্ৰতাৰণাৰ পৰা সুৰক্ষা দিয়াৰ ক্ষেত্ৰত আৰক্ষীৰ এই পদক্ষেপক এক ইতিবাচক দৃষ্টান্ত হিচাপে গণ্য কৰা হৈছে। ঘটনাটোৰ সম্পূৰ্ণ তথ্য উদঘাটনৰ বাবে আৰক্ষীয়ে অধিক তদন্ত অব্যাহত ৰাখিছে। তদন্তৰ অন্তত আৰু অধিক গুৰুত্বপূৰ্ণ তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে বুলি আৰক্ষী মহলে জানিবলৈ দিছে।

ছয়গাঁৱৰ ৰাজপথৰ পৰা পদযাত্ৰা কৰি থানাৰ সন্মুখত এই প্ৰতিবাদ

ছয়গাঁৱত ধৰ্ষণকাৰীৰ বিৰুদ্ধে সহস্ৰাধিক দল-সংগঠনৰ প্ৰতিবাদ

অসম বাৰ্তা, ছয়গাঁও, ৪ জুন ঃ দক্ষিণ কামৰূপৰ ছয়গাঁৱত যোৱা ৰবিবাৰে পোহৰলৈ অহা নাবালিকা ধৰ্ষণ কাণ্ডৰ মূল অভিযুক্ত আক্কাচ আলীক ফাঁচি নতুবা এনকাউণ্টাৰ কৰাৰ দাবীত মঙলবাৰে বিশাল প্ৰতিবাদী সমদল বাহিৰ কৰে বিশ্ব হিন্দু পৰিষদে। সহস্ৰাধিক পুৰুষ মহিলাই অংশগ্ৰহণ কৰা এই প্ৰতিবাদী কাৰ্যসূচীত দক্ষিণ কামৰূপ জিলা বিশ্ব হিন্দু পৰিষদৰ কৰ্মকৰ্তা সকলৰ উপৰিও ছয়গাঁৱৰ বিভিন্ন দল সংগঠনে সহায় সহযোগিতা আগবঢ়ায়। ধৰ্ষণকাৰীক ফাঁচি দিয়ক। আক্কাশ আলীক এনকাউণ্টাৰ কৰক। হিন্দু আজি জাগিছে - ইত্যাদি শ্লোগানেৰে ছয়গাঁও অঞ্চলৰ আকাশ বতাহ কঁপাই তোলে। তাৰ পিছতে ছয়গাঁও বজাৰৰ পৰা ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে ছয়গাঁও আৰক্ষী থানা অভিমুখে ৰাওনা হয় প্ৰতিবাদী সমদলটো। পিছে ছয়গাঁও থানা চৌহদত উপস্থিত আছিল পলাশবাৰী সম জিলাৰ আৰক্ষী অধীক্ষক ডেইজী গগৈ আৰু স্থানীয় দণ্ডাধীশ নিথি কলিতা সহ আৰক্ষীৰ বিশাল দল। উল্লেখযোগ্য যে সোমবাৰে নিশা ধৰ্ষণকাৰী আক্কাশ আলীক তদন্তৰ বাবে ছয়গাঁৱলৈ লৈ আহি থকা অৱস্থাত আৰক্ষীৰ পিষ্টল কাঢ়ী পলাবলৈ চেষ্টা কৰোঁতে আৰক্ষীৰ গুলিত আহত হৈছিল আক্কাচ আলী। পিছে ধৰ্ষণকাণ্ড সংঘটিত কৰা লম্পট আক্কাচ আলীক হিন্দু সমাজে ভৰিত নহয়, বুকুত গুলী মৰাৰ দাবী কৰে।

ঢেকীয়াজুলি অঞ্চলত ড্ৰাগছৰ বেপাৰ চলিবলৈ দিয়া নহ'ব ঃ দীপক দাস

ঢেকীয়াজুলিত ড্ৰাগছ বিৰোধী অভিযান; ৬ গ্ৰাম সন্দেহজনক হেৰ'ইনসহ এজনক আটক

অসম বাৰ্তা, ঢেকীয়াজুলি, ৪ জুন ঃ শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি আৰক্ষীয়ে পুনৰ ড্ৰাগছ বিৰোধী অভিযানত এক উল্লেখযোগ্য সফলতা লাভ কৰিছে। আজি প্ৰায় বিয়লি ৪ বজাত নিৰ্দিষ্ট এক গোপন সূত্ৰৰ তথ্যৰ ভিত্তিত ঢেকীয়াজুলি থানাৰ অন্তৰ্গত পদুমপুখুৰী অঞ্চলত অভিযান চলাই মুজাফৰ আলী (২৯)নামৰ এজন লোকক আটক কৰে আৰক্ষীয়ে। উল্লেখ্য যে শোণিতপুৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থৰ নিৰ্দেশত বিগত কিছু দিনৰ পৰাই ড্ৰাগছ আৰু গাঞ্জাৰ বিৰুদ্ধে অব্যাহত আছে আৰক্ষীৰ অভিযান। সেয়েহে ঢেকীয়াজুলি সম-জিলা আৰক্ষী অধীক্ষক ভাৰ্গৱ মুণি দাসৰ তদাৰকত ঢেকীয়াজুলি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দীপক দাসৰ সু-পৰিকল্পনা তথা সবল নেতৃত্বত উপ পৰিদৰ্শক প্ৰদীপ বৰা আৰু বৰছলা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া টাকাৰ পেগুৰ সহযোগত আজি চলোৱা হৈছিল অভিযান। উক্ত অভিযানত ড্ৰাগছ সহিতে আটকাধীন মুজাফৰ আলী মঃ ফজল বাৰেকৰ পুত্ৰ বুলি জানিব পৰা গৈছে। অভিযানকালত আৰক্ষীয়ে তেওঁৰ বাসগৃহৰ পৰা ৩২টা ভায়েলত ভৰ্তি সন্দেহজনক হেৰ'ইন উদ্ধাৰ কৰে। উদ্ধাৰ হোৱা ভায়েলসমূহৰ মুঠ ওজন প্ৰায় ৪৫ গ্ৰাম যদিও ভায়েল আৰু পেকেট বাদ দি হেৰ'ইনৰ ওজন প্ৰায় ৬ গ্ৰাম বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে। ইয়াৰ উপৰিও আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা এখন ভিভো কোম্পানীৰ এণ্ড্ৰইড মোবাইল ফোন, ড্ৰাগছ সৰবৰাহত ব্যৱহাৰ কৰা বুলি সন্দেহ কৰা AS-12-AK-3667 নম্বৰৰ এখন ৰঙা ৰঙৰ মাৰুতি ছুইফ্ট বাহন, ৯টা খালী ভায়েল, ৩টা ক'লা ৰঙৰ প্লাষ্টিকৰ কেৰী বেগ, লগতে এটা এয়াৰটেল আৰু এটা ভোডাফোন চিম কাৰ্ড জব্দ কৰে। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে এখন গোচৰ ৰুজু কৰি অধিক তদন্ত অব্যাহত ৰাখিছে। ড্ৰাগছ বিৰোধী অভিযানৰ অংশ হিচাপে আগন্তুক দিনসমূহতো এনে অভিযান অব্যাহত থাকিব বুলি আৰক্ষী সূত্ৰে জানিবলৈ দিয়ে।

বঙাইগাঁৱৰ বীৰঝৰা চাহ বাগিছা আদৰ্শ বিদ্যালয়ত ধঁপাত বিৰোধী সজাগতা সভা

অসম বাৰ্তা, বঙাইগাঁও, ৪ জুন ঃ বিশ্ব ধঁপাত বিৰোধী দিৱস উপলক্ষে মঙলবাৰে বঙাইগাঁও বীৰঝৰা চাহ বাগিছা আদৰ্শ বিদ্যালয়ৰ প্ৰাংগণত এখন ধঁপাত বিৰোধী সজাগতা সভা অনুষ্ঠিত হয়। ৰ'টাৰী ক্লাব বঙাইগাঁও শাখাৰ উদ্যোগত আৰু বঙাইগাঁও থানা পৰ্যায়ৰ নাগৰিক সমিতিৰ সহযোগত আয়োজিত এই সভাৰ আৰম্ভণিতে বিদ্যালয়ৰ প্ৰধান শিক্ষক কিশোৰ কুমাৰ দাসে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। প্ৰধান শিক্ষকৰ উদ্দেশ্য ব্যাখ্যাৰ পাছত ৰ'টাৰী ক্লাব বঙাইগাঁও শাখাৰ সভাপতি ৰঞ্জিত কুমাৰ বৰ্মনৰ পৌৰোহিত্যত সভাৰ আনুষ্ঠানিক কাৰ্যসূচী আৰম্ভ হয়। সভাত বঙাইগাঁও থানা পৰ্যায়ৰ নাগৰিক সমিতিৰ সভাপতি ডাঃ পৰেশ কুমাৰ ৰায়, অৱসৰপ্ৰাপ্ত অধ্যাপক ড° পি কে ধৰ, বঙাইগাঁও সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া চন্দন গোস্বামী, অসম মহিলা আয়োগৰ প্ৰাক্তন অধ্যক্ষা বৰোদা কলিতা আৰু স্বাস্থ্য বিষয়া বিভূতি নাথে বক্তব্য প্ৰদান কৰে। বক্তাসকলে ধঁপাত, গুটখা, চিগাৰেট আদি সেৱনৰ ফলত হোৱা মুখৰ কৰ্কট, হাওঁফাওঁৰ ৰোগ, হৃদৰোগৰ দৰে মাৰাত্মক ব্যাধিৰ বিষয়ে তথ্যসহকাৰে বিতংভাৱে ব্যাখ্যা কৰি ছাত্ৰ-ছাত্ৰীসকলক ধঁপাতৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনায়। আজিৰ এই সজাগতা সভাত ৰ'টাৰী ক্লাবৰ সম্পাদক দিলীপ ব্ৰহ্ম, সদস্য পি কে দাস, শোভন চক্ৰৱৰ্তী, আছাৰ বঙাইগাঁও জিলা সভাপতি তথা চাহ জনজাতি জাতীয় সন্মিলনী অসমৰ বঙাইগাঁও জিলা সমিতিৰ সভাপতি অমৃত জ'জো, আছা'ৰ বঙাইগাঁও জিলা সম্পাদক বুদ্ধনাথ সাউশি, আদিবাসী কল্যাণ সমিতিৰ বঙাইগাঁও-চিৰাং জিলাৰ অধ্যক্ষ প্ৰকাশ লাক্ৰা, পঞ্চায়ত সদস্য ৰবি দাস, দীনেশ শৰণীয়া আৰু সমাজকৰ্মী মছিদাস জ'জো প্ৰমুখ্যে বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ভালেসংখ্যক অভিভাৱকেও সভাত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে প্ৰতি বছৰে ৩১ মে' তাৰিখে বিশ্ব ধঁপাত বিৰোধী দিৱস পালন কৰা হয় যদিও যোৱা দেওবাৰ আৰু সোমবাৰ চৰকাৰী বন্ধ থকাৰ বাবে এই দিৱস উপলক্ষে আজি অনুষ্ঠিত কৰা হয় সজাগতা সভাৰ। সভাৰ সভাপতিৰ ভাষণত সভাপতি ৰঞ্জিত কুমাৰ বৰ্মনে কয় যে সমাজত ধঁপাত সেৱনৰ হাৰ তুলনামূলকভাৱে বেছি হোৱা বাবে নতুন প্ৰজন্মক সজাগ কৰাৰ উদ্দেশ্যেই বিদ্যালয়খনত এই সভা পতা হৈছে আৰু অনাগত দিনত সমাজ খনক ধপাতমুক্ত হিচাপে গঢ়ি তোলাৰ বাবেও পদক্ষেপ লোৱা হ'ব বুলি তেওঁ জনায়।

মাধুৰ্য বৰ্মনলৈ চাউলধোৱা-বগীনদী আঞ্চলিক ছাত্ৰ সন্থাৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন

অসম বাৰ্তা, লখিমপুৰ বিশেষ, ৪ জুন ঃ নৃশংস হত্যাৰ বলি হোৱা নলবাৰী জিলাৰ সদৌ অসম ছাত্ৰ সন্থাৰ কৰ্মী মাধুৰ্য বৰ্মনৰ প্ৰতি আজি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে সদৌ লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত চাউলধোৱা-বগীনদী আঞ্চলিক ছাত্ৰ সন্থাই। সন্ধিয়া চাউলধোৱাত অনুষ্ঠিত হোৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বন্তি, ধূপ প্ৰজ্বলন কৰি আঞ্চলিক ছাত্ৰ সন্থাই ছাত্ৰ সন্থাৰ কৰ্মী গৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে আত্মাৰ চিৰশান্তি কামনা কৰে। এই কাৰ্যসূচীত চাউলধোৱা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অভিজিত গগৈ, সদৌ লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক মোহন চুতীয়া, চাউলধোৱা-বগীনদী আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি ৰঞ্জন বৰা, সাধাৰণ সম্পাদক প্ৰাঞ্জল শইকীয়াকে ধৰি কেইবাটাও শাখা ছাত্ৰ সন্থাৰ কৰ্মীসকলে অংশগ্ৰহণ কৰে।

গোলকগঞ্জত জঘন্য কাণ্ড; নাবালিকাক ধৰ্ষণৰ অভিযোগ, অন্তঃসত্ত্বা হোৱাৰ দাবী; অভিযুক্তক আটক

অসম বাৰ্তা, গোলকগঞ্জ, ৪ জুন ঃ ধুবুৰী জিলাৰ গোলকগঞ্জৰ বৰুণডাঙা অঞ্চলত সংঘটিত হোৱা এক জঘন্য ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। এগৰাকী নাবালিকা কিশোৰীক ধৰ্ষণ কৰাৰ অভিযোগত এজন ব্যক্তিক আৰক্ষীয়ে আটক কৰিছে। অভিযোগ অনুসৰি, অভিযুক্ত খয়বৰ আলীৰ যৌন নিৰ্যাতনৰ বলি হোৱা নাবালিকা কিশোৰীগৰাকী অন্তঃসত্ত্বা হৈ পৰিছে। ঘটনাটো দীৰ্ঘদিন ধৰি গোপন ৰাখিবলৈ একাংশ দালালচক্ৰই ধনৰ বিনিময়ত মীমাংসাৰ চেষ্টা চলাই আহিছিল বুলিও অভিযোগ উত্থাপিত হৈছে। অৱশেষত কিশোৰীগৰাকীৰ অভিভাৱকে গোলকগঞ্জ থানাত অভিযুক্ত খয়বৰ আলীৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে তাৎক্ষণিকভাৱে ব্যৱস্থা গ্ৰহণ কৰি অভিযুক্তজনক আটক কৰে। ঘটনাটোক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আৰক্ষীয়ে ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে আৰু অধিক তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে। উল্লেখ্য যে, এইটো এক অভিযোগভিত্তিক ঘটনা। আদালতে দোষী সাব্যস্ত নকৰালৈকে অভিযুক্তজনক আইনগতভাৱে দোষী বুলি গণ্য কৰা নহয়।

ডিব্ৰুগড়ৰ থানা চাৰিআলি আৰ অ' বি (ROB)ৰ কাষৰ নলা বন্ধ হৈ পৰাত বৰষুণৰ পূৰ্বেই কৃত্ৰিম বানৰ আশংকা

বিভাগীয় কৰ্তৃপক্ষক জৰুৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৪ জুন ঃ আগন্তুক বৰ্ষা ঋতুক কেন্দ্ৰ কৰি ডিব্ৰুগড়ৰ মানকটা ৰোডস্থিত থানা চাৰিআলি ৰোড অভাৰব্ৰীজ (ROB)ৰ ওচৰ-চুবুৰীয়াৰ বাসিন্দাসকলৰ মাজত উদ্বেগ বৃদ্ধি পাইছে। দীৰ্ঘদিন ধৰি ব্ৰীজখনৰ দুয়োকাষৰ পথৰকাষৰ নলাসমূহ অযত্নত পৰি থকাৰ ফলত ইয়াৰ অৱস্থা অত্যন্ত শোচনীয় হৈ পৰিছে। ৰে'লপথৰ পৰা মানকটা ৰোডলৈকে আৰ অ' বিৰ দুয়োকাষে থকা নলাসমূহ সম্পূৰ্ণৰূপে অচল হৈ পৰিছে। মাটি, বোকা আৰু ঘন জংঘল গছ-গছনি জমা হৈ নলাবোৰ সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়াত পানী স্বাভাৱিকভাৱে বৈ যাব নোৱাৰা অৱস্থাৰ সৃষ্টি হৈছে। ফলস্বৰূপে, বৰষুণ আৰম্ভ হ'লেই কৃত্ৰিম বান আৰু বন্যাসদৃশ পৰিস্থিতিৰ আশংকা বৃদ্ধি পাইছে। স্থানীয় লোকে জানিবলৈ দিয়া মতে, এই সমস্যাই কেইবামাহ ধৰি গা কৰি আহিছে যদিও সংশ্লিষ্ট কৰ্তৃপক্ষই নলাসমূহ পৰিষ্কাৰ বা ৰক্ষণাবেক্ষণৰ ক্ষেত্ৰত তেনেধৰণৰ কোনো বৃহৎ পদক্ষেপ গ্ৰহণ কৰা নাই। বালিমাটি আৰু হাবি-বননি, গছ-গছনি আদি জমা হোৱাত পানীৰ স্বাভাৱিক নিষ্কাষণৰ ব্যৱস্থা ব্যাহত হোৱাৰ লগতে অঞ্চলটো এক অস্বাস্থ্যকৰ পৰিৱেশ হৈ পৰিছে। বিশেষকৈ, ব্যস্ত এই পথচোৱা নিয়মীয়াকৈ ব্যৱহাৰ কৰা পথচাৰী আৰু যাত্ৰীসকলে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। বৰষুণৰ ঋতু সমাগত হোৱাৰ পৰিপ্ৰেক্ষিতত স্থানীয় লোকসকলে আশংকা প্ৰকাশ কৰিছে যে সামান্য বৰষুণ হ'লেও এই অঞ্চলত তীব্ৰ কৃত্ৰিম বানৰ সৃষ্টি হ'ব পাৰে, যাৰ ফলত যান-বাহনৰ চলাচল ব্যাহত হোৱাৰ লগতে স্থানীয় বাসিন্দা আৰু ব্যৱসায়িক প্ৰতিষ্ঠানসমূহো সমস্যাৰ সন্মুখীন হ'ব। সেয়ে, স্থানীয় ৰাইজে ডিব্ৰুগড় পৌৰ নিগমক বিষয়টোত তৎক্ষণাত গুৰুত্ব আৰোপ কৰি বৰষুণ সম্পূৰ্ণৰূপে আৰম্ভ হোৱাৰ আগতেই নলাসমূহৰ বালিমাটি আঁতৰোৱা আৰু পৰিষ্কাৰ কৰাৰ বাবে জৰুৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক আহ্বান জনাইছে।

নিষিদ্ধ জালসহ মাছ ধৰা সঁজুলি জব্দ

গৰৈমাৰীৰ আচলপাৰাৰ ব্ৰহ্মপুত্ৰত মীন বিভাগৰ অভিযান

অসম বাৰ্তা, গৰৈমাৰী, ৪ জুন ঃ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীৰ আচলপাৰাৰ ব্ৰহ্মপুত্ৰত আজি মীন বিভাগৰ দল এটাই অভিযান চলাই ভালেসংখ্যক নিষিদ্ধ জাল জব্দ কৰিবলৈ সমৰ্থ হয়। উল্লেখ্য যে কামৰূপ জিলাৰ ব্ৰহ্মপুত্ৰৰ সৈতে সৰু-বৰ নদীত একাংশ অসাধু মাছমৰীয়াই বিভিন্ন সময়ত নদীত নিষিদ্ধ জাল মেলি পোনা মাছৰ উপৰি গাভিনী মাছ ধৰা বিষয়টো সৰ্বজনবিদিত। আনকি অসাধু মাছমৰীয়া মীন আইন ভংগ কৰি ব্ৰহ্মপুত্ৰত জধে-মধে পোনা মাছৰ উপৰি গাভিনী মাছ ধৰি আহিছে। জানিব পৰামতে কামৰূপ জিলা মীন উন্নয়ন বিষয়া সঞ্জয় শৰ্মাৰ নিৰ্দেশত মীন বিভাগৰ এটা দলে আজি গৰৈমাৰীৰ আচলপাৰাৰ ব্ৰহ্মপুত্ৰত অভিযান চলায়। অভিযানকালত দলটোৱে নদীত অবৈধভাৱে জাল মেলি সৰু মাছৰ লগতে গাভিনী মাছ ধৰা বেৰ জালৰ সৈতে মাছ ধৰা ভালেসংখ্যক সঁজুলি জব্দ কৰে। ইপিনে মাছমৰীয়াই ধৰা মাছবোৰ মীন বিভাগৰ দলটোৱে নদীত এৰি দিয়ে। অভিযানত কামৰূপ জিলাৰ সহকাৰী মীন বিষয়া ৰাজেন দাস, ছয়গাঁও উন্নয়ন খণ্ডৰ মীন প্ৰদৰ্শক হিমাংশু বৰুৱা, মৎস্য মিত্ৰ প্ৰদীপ কুমাৰ নাথ, গৰৈমাৰী উন্নয়ন খণ্ডৰ মৎস্য মিত্ৰ আব্দুছ ছাত্তাৰকে প্ৰমুখ্য কৰি স্থানীয় সচেতন ৰাইজে অংশ লয়।

ঢেকীয়াজুলিত চুৰিকাণ্ডক কেন্দ্ৰ কৰি দুয়োপক্ষৰ এজাহাৰ; তদন্ত আৰম্ভ আৰক্ষীৰ

অসম বাৰ্তা, ঢেকীয়াজুলি, ৪ জুন ঃ শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি আৰক্ষী থানা এলেকাৰ ৩ নং ৰঙাগড়া গাঁৱত সংঘটিত এক চুৰিকাণ্ডক কেন্দ্ৰ কৰি সৃষ্টি হৈছে তীব্ৰ চাঞ্চল্য। ঘটনাক লৈ বৰ্তমান দুয়োপক্ষই আৰক্ষীৰ ওচৰত এজাহাৰ দাখিল কৰাত বিষয়টো অধিক জটিল ৰূপ লৈছে। জানিব পৰা মতে গাঁওখনৰ বাসিন্দা ৰাকিবুল আলীৰ ঘৰত যোৱা ২৮ মে'ত এক চুৰিকাণ্ড সংঘটিত হোৱা বুলি অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি ঘৰত কোনো নথকাৰ সুযোগ গ্ৰহণ কৰি দুগৰাকী যুৱতীয়ে শ্ব'কেছৰ তলা ভাঙি নগদ ধন আৰু অলংকাৰ চুৰি কৰে। পিছত ঘটনাটো পোহৰলৈ অহাৰ পাছত গাঁওবাসীয়ে বিষয়টোৰ মীমাংসাৰ উদ্দেশ্যে এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰে। সভাত যুৱতীদ্বয়ৰ পৰিয়ালৰ লোকে ৰাকিবুল আলীৰ ঘৰৰ পৰা চুৰি হোৱা বুলি দাবী কৰা প্ৰায় চাৰি ভৰি ৰূপৰ পায়েল আৰু ৫ হাজাৰ নগদ টকা ওভতাই দিয়াৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল বুলি জানিব পৰা গৈছে। কিন্তু ঘটনাই নতুন মোড় লয় যেতিয়া যুৱতীদ্বয়ৰ পৰিয়ালৰ লোকে ৰাকিবুল আলীৰ বিৰুদ্ধে আৰক্ষীৰ ওচৰত এজাহাৰ দাখিল কৰি তেওঁ যুৱতীদ্বয়ক মাৰপিট কৰাৰ অভিযোগ উত্থাপন কৰে। আনহাতে ৰাকিবুল আলীয়েও যুৱতীদ্বয়ৰ পিতৃৰ বিৰুদ্ধে পৃথক এজাহাৰ দাখিল কৰিছে। এই সন্দৰ্ভত কোন পক্ষৰ অভিযোগ সত্য আৰু কোনটো ভিত্তিহীন, সেয়া আৰক্ষীৰ তদন্তৰ অন্ততহে স্পষ্ট হ'ব। বৰ্তমান ঢেকীয়াজুলি আৰক্ষীয়ে বিষয়টোৰ তদন্ত আৰম্ভ কৰিছে।

অভয়াপুৰী বিধানসভা সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক ভূপেন ৰায়ক সম্বৰ্ধনা

অসম বাৰ্তা, অভয়াপুৰী, ৪ জুন ঃ ভাৰতীয় জনতা পাৰ্টী অভয়াপুৰী মণ্ডল সমিতি আৰু শুভাকাংক্ষী ৰাইজৰ সহযোগত আজি অভয়াপুৰী কলা পৰিষদ ভৱনত অভয়াপুৰী সমষ্টিৰ নৱ নিৰ্বাচিত বিধায়ক ভূপেন ৰায়ক বিশেষ সম্বৰ্ধনা জনোৱা হয়। অভয়াপুৰী মণ্ডল বিজেপি সমিতিৰ সভাপতি চন্দন মেধিৰ সঞ্চালনাত অনুষ্ঠিত হোৱা সভাত দলটোৰ বিভিন্ন শাখা সমিতিৰ বিষয়ববীয়াৰ উপৰিও বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠান আদিৰ পৰা মানপত্ৰ, শৰাই, জাপি আৰু ফুলাম গামোচা আদিৰে সম্বৰ্ধনা জনোৱা হয়। সভাত ভূপেন ৰায়ে অভয়াপুৰী চহৰকে ধৰি সমষ্টি উন্নয়নৰ কাৰণে সমষ্টিটোৰ ৰাইজৰ লগত আলোচনা কৰি সঠিক পদক্ষেপ গ্ৰহণ কৰিব বুলি উল্লেখ কৰে।

বজ্ৰপাতত কৰুণ মৃত্যুক সাৱটিলে হৰিপুৰৰ কৃষক আঞ্জু খান

অসম বাৰ্তা, চেঙা, ৪ জুন ঃ বৰপেটা জিলাৰ তাৰাবাৰী আৰক্ষী থানাৰ অন্তৰ্গত হৰিপুৰ গাঁৱত সংঘটিত এক শোকাবহ ঘটনাই সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলাইছে। বজ্ৰপাতত আঘাতপ্ৰাপ্ত হৈ গাঁৱৰ নিবাসী ৫২ বছৰীয়া কৃষক আঞ্জু খানৰ অকাল মৃত্যু ঘটাত পৰিয়াল, আত্মীয়-স্বজন তথা গাঁওবাসীৰ মাজত শোকৰ বন্যা বৈছে। জানিব পৰা মতে, আঞ্জু খান পেছাত এজন কৃষক আছিল আৰু কৃষিকাৰ্যৰ জৰিয়তে নিজৰ পৰিয়ালৰ জীৱিকা নিৰ্বাহ কৰিছিল। চলিত খেতি বৰ্ষৰ ধান খেতিৰ বাবে বীজ ৰোপণৰ কামত ব্যস্ত আছিল তেওঁ। ঘটনাৰ দিনাও তেওঁ নিজৰ কৃষিভূমিলৈ গৈ ধানৰ বীজ ৰোপণৰ কাম কৰিছিল। দিনটোৰ কৃষিকাৰ্য সমাপ্ত কৰি ঘৰলৈ উভতি আহি থকা সময়তে হঠাতে বতৰ বেয়া হৈ উঠে। আকাশত ক'লা ডাৱৰে আৱৰি ধৰে আৰু প্ৰচণ্ড গাজনি-ঢেৰেকনিৰ সৈতে বৰষুণ আৰম্ভ হয়। এই সময়তে পথাৰৰ পৰা ঘৰলৈ উভতি অহা অৱস্থাত আঞ্জু খান বজ্ৰপাতৰ কবলত পৰে। বজ্ৰপাতৰ তীব্ৰ আঘাতত তেওঁ মাটিত বাগৰি পৰে। ঘটনাটো প্ৰত্যক্ষ কৰা স্থানীয় লোকে লগে লগে উদ্ধাৰৰ বাবে আগবাঢ়ি আহে আৰু সংকটজনক অৱস্থাত তেওঁক চিকিৎসালয়লৈ নিয়াৰ ব্যৱস্থা কৰে। কিন্তু চিকিৎসকে পৰীক্ষা কৰি তেওঁক মৃত ঘোষণা কৰে বুলি জানিব পৰা গৈছে। আঞ্জু খানৰ মৃত্যুৰ খবৰে মুহূৰ্তৰ ভিতৰতে সমগ্ৰ হৰিপুৰ অঞ্চলত শোকৰ পৰিৱেশৰ সৃষ্টি কৰে। গাঁওবাসীয়ে কয় যে আঞ্জু খান এজন সৰল, পৰিশ্ৰমী আৰু সমাজমুখী ব্যক্তি আছিল। কৃষিকাৰ্যৰ জৰিয়তে পৰিয়ালৰ দায়িত্ব বহন কৰাৰ লগতে সমাজৰ বিভিন্ন কাম-কাজতো সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল তেওঁ। সেয়ে তেওঁৰ আকস্মিক মৃত্যুক সহজে মানি ল'ব পৰা নাই স্থানীয় ৰাইজে। ইফালে, বজ্ৰপাতজনিত এই মৃত্যুৱে পুনৰ এবাৰ প্ৰশ্ন উত্থাপন কৰিছে যে বৰষুণ আৰু ধুমুহাৰ সময়ত কৃষকসকল কিমানখিনি বিপদৰ সন্মুখীন হয়। বিশেষকৈ বৰ্ষাকালত কৃষিকাৰ্য চলি থকাৰ বাবে বহু কৃষকে বাধ্য হৈ পথাৰলৈ যাবলগীয়া হয়। এনে সময়ত বজ্ৰপাতৰ দৰে প্ৰাকৃতিক দুৰ্যোগে মুহূৰ্তৰ ভিতৰতে মূল্যবান জীৱন কাঢ়ি নিয়াৰ ঘটনা সঘনাই সংঘটিত হৈ আহিছে। স্থানীয় সচেতন মহলে বৰষুণ, ধুমুহা আৰু বজ্ৰপাতৰ সময়ত মুকলি পথাৰ, খেতিপথাৰ বা গছ-গছনিৰ তলত অৱস্থান নকৰিবলৈ ৰাইজক আহ্বান জনাইছে। বতৰ বেয়া হোৱাৰ সংকেত পালে নিৰাপদ স্থানত আশ্ৰয় লোৱাৰ ক্ষেত্ৰতো বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। আঞ্জু খানৰ অকাল মৃত্যুত তেওঁৰ পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে শোকসন্তপ্ত আত্মীয়-স্বজনৰ প্ৰতি বিভিন্ন দল-সংগঠন, সমাজকৰ্মী আৰু স্থানীয় ৰাইজে সহমৰ্মিতা প্ৰকাশ কৰিছে। এই কৰুণ ঘটনাই সমগ্ৰ অঞ্চলটোক শোকস্তব্ধ কৰি তুলিছে।

গছ কাটি ধ্বংস কৰি পলায়ন কৰি থকা দুই অপৰাধীক গ্ৰেপ্তাৰ

অসম বাৰ্তা, লখিমপুৰ বিশেষ, ৪ জুন ঃ লখিমপুৰ জিলাৰ পথালিপাম বনখণ্ডৰ অন্তৰ্গত সোৱণশিৰি নদীৰ পাৰৰ বহু মূল্যবান গছ কাটি দীৰ্ঘদিন ধৰি অবৈধ কাঠ সৰবৰাহ কৰি অহা দুজন অপৰাধীক আজি চাউলধোৱা আৰক্ষী আৰু পথালিপাম বনখণ্ডৰ বনৰক্ষীৰ যুতীয়া অভিযানত গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। গ্ৰেপ্তাৰ কৰা দুই কাঠ মাফিয়া হৈছে চাউলধোৱা আৰক্ষী চকীৰ অধীনস্থ থেকেৰাগুৰিৰ প্ৰয়াত গণেশ ভগতৰ পুত্ৰ অনুপম ভগত(৩২) আৰু একে ঠাইৰে প্ৰয়াত টানু নাথৰ পুত্ৰ উমাৰাম নাথ(৩১)। এই দুজনে সোৱণশিৰিৰ পাৰত থকা ৰঙা খয়েৰ, শিমলু গছকে ধৰি অন্যান্য মূল্যবান গছ কাটি অবৈধভাৱে এখন বৃহৎ কাঠৰ বজাৰ গঢ়ি তুলিছিল। গছ ধ্বংস কৰি কাঠ সৰবৰাহ কৰা কাৰ্য কিছুদিনৰ আগতে চি চি টিভিৰ কেমেৰাত আবদ্ধ হৈছিল। বহুদিন ধৰি দুয়ো গৰাকীক আৰক্ষী আৰু বন বিভাগে বিচাৰি আছিল যদিও দুয়ো আত্মগোপন কৰি আছিল। আজি গোপন সূত্ৰৰ পম খেদি চাউলধোৱা আৰক্ষী চকীৰ বিষয়া অভিজিত গগৈ আৰু পথালিপাম বনখণ্ডৰ বিট অফিচাৰ কুলেশ দাৰৰ নেতৃত্বত অভিযান চলাই থেকেৰাগুৰিৰ পৰা অনুপম ভগতক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱাৰ লগতে উমাৰাম নাথে অনুপমক গ্ৰেপ্তাৰ কৰাৰ কথা জানিব পাৰি ভীতিগ্ৰস্ত হৈ চাউলধোৱা আৰক্ষী চকীত আত্মসমৰ্পণ কৰে। দুয়োগৰাকীক বৰ্তমান বগীনদী থানাৰ লকআপত ৰখা হৈছে। আনহাতে, এই দুই অপৰাধীৰ গৃহত বৰ্তমানেও কাঠ মজুত কৰি ৰখা হৈছে বুলি জানিব পৰা গৈছে।

পৌৰসভাৰ তৎপৰতাত পৰিস্থিতি নিয়ন্ত্ৰণ

আমগুৰিত উন্মত্ত ষাঁড়ৰ তাণ্ডৱ; কেইবাজনো পথচাৰী আহত

অসম বাৰ্তা, চেলেংহাট, ৪ জুন ঃ আমগুৰি নগৰত যোৱা সোমবাৰে বিয়লি এটা উদণ্ডীয়া ষাঁড়ে তাণ্ডৱ চলাই কেইবাজনো লোকক আহত কৰাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। আহতসকলৰ ভিতৰত চম্পাদাস নামৰ এজন ব্যক্তিৰ অৱস্থা গুৰুতৰ হোৱাত তেওঁক হাস্পতালত ভৰ্তি কৰোৱা হয়। প্ৰত্যক্ষদৰ্শীৰ মতে, ষাঁড়টো হঠাতে উন্মত্ত হৈ পথচাৰীসকলক আক্ৰমণ কৰিবলৈ আৰম্ভ কৰে। খবৰ পাই আমগুৰি পৌৰসভা আৰু স্থানীয় পশু চিকিৎসকৰ দল ঘটনাস্থলীত উপস্থিত হয় আৰু ষাঁড়টোক আয়ত্তলৈ আনি চিকিৎসাৰ ব্যৱস্থা কৰে। শেহতীয়া খবৰ অনুসৰি চিকিৎসাধীন অৱস্থাতে ষাঁৰটোৰ মৃত্যু হৈছে।

ৰাধাকুছি আৰু বাগোদীত দুটা অবৈধ কাঠফলা মিল উৎখাত; জব্দ বহু যন্ত্ৰপাতি

অবৈধ কাঠফলা মিলৰ বিৰুদ্ধে বহৰী খণ্ড বন বিভাগৰ বৃহৎ অভিযান

অসম বাৰ্তা চেঙা, ৪ জুন ঃ বৰপেটা জিলাত অবৈধ বন ধ্বংস আৰু কাঠ ব্যৱসায়ৰ বিৰুদ্ধে বন বিভাগে পুনৰ এক বৃহৎ অভিযান চলাই সফলতা লাভ কৰিছে। বহৰী খণ্ড বন বিষয়াৰ কাৰ্যালয়ৰ অধীনস্থ ৰাধাকুছি আৰু বাগোদী গাঁৱত বুধবাৰে চলোৱা এক বিশেষ অভিযানত দুটা অবৈধ কাঠফলা মিল উৎখাত কৰাৰ লগতে মিলসমূহত ব্যৱহৃত বিভিন্ন যন্ত্ৰপাতি জব্দ কৰিবলৈ সক্ষম হয় বন বিভাগৰ দলটোৱে। জানিব পৰা মতে, দীৰ্ঘদিন ধৰি অঞ্চল দুটাত একাংশ অসাধু চক্ৰই বন বিভাগৰ অনুমতি অবিহনে কাঠফলা মিল স্থাপন কৰি অবৈধভাৱে গছ কাটি কাঠ প্ৰস্তুত কৰাৰ ব্যৱসায় চলাই আহিছিল। বিষয়টো সম্পৰ্কে বন বিভাগে বিভিন্ন সময়ত অভিযোগ লাভ কৰাৰ পিছত গোপন অনুসন্ধান চলায়। অনুসন্ধানত অভিযোগৰ সত্যতা প্ৰমাণিত হোৱাৰ পিছতেই বন বিভাগে অভিযানৰ পৰিকল্পনা কৰে। বুধবাৰে বৰপেটা ৰোড বনাঞ্চলিক বিষয়া আৰু বহৰী খণ্ড বন বিষয়াৰ নেতৃত্বত বন বিভাগৰ এটি বৃহৎ দলে ৰাধাকুছি আৰু বাগোদী অঞ্চলত একেলগে অভিযান চলায়। অভিযানকালত বন বিভাগৰ দলটোৱে অবৈধভাৱে চলি থকা দুটা কাঠফলা মিল উৎখাত কৰাৰ লগতে মিলসমূহত ব্যৱহৃত কাঠ কটা মেচিন, ইঞ্জিন, ব্লেড আৰু আন আন সা-সঁজুলি জব্দ কৰে। বন বিভাগৰ এই আকস্মিক অভিযানত অবৈধ ব্যৱসায়ৰ লগত জড়িত লোকসকলৰ মাজত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। সূত্ৰ অনুসৰি, অবৈধ কাঠফলা মিলসমূহত বনাঞ্চলৰ পৰা অবৈধভাৱে সংগ্ৰহ কৰা কাঠ কাটি বিভিন্ন স্থানলৈ সৰবৰাহ কৰা হৈছিল। ফলস্বৰূপে অঞ্চলটোৰ বনাঞ্চলৰ ওপৰত যথেষ্ট নেতিবাচক প্ৰভাৱ পৰিছিল। বিশেষকৈ বনাঞ্চল ধ্বংসৰ ফলত পৰিৱেশৰ ভাৰসাম্য বিঘ্নিত হোৱাৰ লগতে বন্যপ্ৰাণীৰ বাসস্থান সংকুচিত হোৱাৰ আশংকা বৃদ্ধি পাইছিল। উল্লেখযোগ্য যে, ৰাজ্য চৰকাৰে বন সংৰক্ষণ আৰু পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত কঠোৰ নীতি গ্ৰহণ কৰাৰ পিছতো বৰপেটা জিলাৰ বিভিন্ন অঞ্চলত একাংশ অসাধু চক্ৰই অবৈধ কাঠ ব্যৱসায় অব্যাহত ৰাখিছে। চেঙা, মাজদিয়া, বহৰী, বাগোদী, ৰাধাকুছি আদি অঞ্চলত দীৰ্ঘদিন ধৰি এনেধৰণৰ অবৈধ কাঠফলা মিল চলি থকা বুলি বিভিন্ন সময়ত অভিযোগ উত্থাপিত হৈ আহিছে। স্থানীয় সচেতন মহলে অভিযোগ কৰে যে, অবৈধ কাঠফলা মিলসমূহৰ জৰিয়তে কেৱল বন সম্পদ ধ্বংস হোৱাই নহয়, চৰকাৰৰ ৰাজহো ক্ষতিগ্ৰস্ত হৈছে। একাংশ অসাধু ব্যৱসায়ীয়ে ব্যক্তিগত লাভৰ বাবে মূল্যৱান গছ কাটি বনাঞ্চল ধ্বংস কৰি আহিছে। ফলত পৰিৱেশৰ ওপৰত ইয়াৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ পৰাৰ আশংকা দেখা দিছে। বন বিভাগৰ এই অভিযানক স্থানীয় ৰাইজে আদৰণি জনাইছে। তেওঁলোকে কয় যে, কেৱল মিল উৎখাত কৰিলেই নহ'ব, ইয়াৰ লগত জড়িত মূল চক্ৰ, কাঠ মাফিয়া আৰু অবৈধ ব্যৱসায়ীসকলৰ বিৰুদ্ধেও কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন। তেতিয়াহে বন ধ্বংসৰ দৰে অপৰাধমূলক কাৰ্যকলাপ সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণ কৰা সম্ভৱ হ'ব। ইফালে বন বিভাগৰ বিষয়াসকলে জানিবলৈ দিছে যে, অবৈধ কাঠফলা মিল, বন ধ্বংস আৰু কাঠ চোৰাচালানৰ বিৰুদ্ধে আগন্তুক দিনতো অভিযান অধিক তীব্ৰ কৰা হ'ব। কোনো অসাধু চক্ৰক ৰেহাই দিয়া নহ'ব বুলিও বিভাগীয় সূত্ৰই স্পষ্ট কৰি দিছে। বন সম্পদ সংৰক্ষণ, পৰিৱেশ ৰক্ষা আৰু ভৱিষ্যৎ প্ৰজন্মৰ বাবে সেউজীয়া পৰিৱেশ নিশ্চিত কৰাৰ স্বাৰ্থত বন বিভাগৰ এই অভিযান এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হৈছে। সচেতন মহলে আশা প্ৰকাশ কৰিছে যে, এনে ধৰণৰ অভিযান নিয়মীয়াকৈ চলি থাকিলে বন ধ্বংসৰ দৰে অবৈধ কাৰ্যকলাপ যথেষ্ট পৰিমাণে হ্ৰাস পাব।

উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ত শৈক্ষিক আৰু প্ৰশাসনিক অ'ডিট সম্পন্ন

অসম বাৰ্তা, উজনি মাজুলী, ৪ জুন ঃ মাজুলীৰ উচ্চ শিক্ষাৰ বাটকতীয়া শিক্ষানুষ্ঠান উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ত আজি এক সফল শৈক্ষিক আৰু প্ৰশাসনিক অ'ডিট অনুষ্ঠিত হয়। এই অ'ডিট দলৰ সভাপতি হিচাপে উপস্থিত থাকে লখিমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ তথা NAAC Peer Team-ৰ সদস্য ডঃ বুবুল কুমাৰ শইকীয়া। আনহাতে, দলৰ সদস্য হিচাপে উপস্থিত থাকে ধেমাজিস্থিত গোগামুখ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দিলীপ কুমাৰ ঝা। কাৰ্যসূচীৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ অধ্যক্ষ, ডঃ জাহ্নৱী লহকৰ বৰুৱাই অ'ডিট দলটিক আন্তৰিক আদৰণি জনায়। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক দুল্লভ বড়াই মহাবিদ্যালয়ৰ সকলো দিশ সামৰি power point presentation আগবঢ়োৱাৰ পিছতে প্ৰতিটো বিভাগে নিজৰ বিভাগীয় কাৰ্যকলাপ, শিক্ষণ-শিকন প্ৰক্ৰিয়া, ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি, গৱেষণা আৰু সম্প্ৰসাৰণমূলক কাৰ্যসূচীৰ ওপৰত PowerPoint Presentation উপস্থাপন কৰে। নিৰীক্ষা দলটোৱে মহাবিদ্যালয়ৰ সকলো বিভাগ, গ্ৰন্থাগাৰ, প্ৰশাসনিক কাৰ্যালয়, শ্ৰেণীকোঠা আৰু অন্যান্য সুবিধাসমূহ পৰিদৰ্শন কৰি সামগ্ৰিক পৰিস্থিতিৰ মূল্যায়ন কৰে। বিভাগসমূহৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীৰ সৈতে মত বিনিময় কৰাৰ লগতে বিভিন্ন নথি-পত্ৰ পৰীক্ষা কৰে। সন্ধিয়া অনুষ্ঠিত এটি মিটিংত দলটোৱে মহাবিদ্যালয়ৰ সামগ্ৰিক অগ্ৰগতিক প্ৰশংসা কৰাৰ লগতে গুণগত মান অধিক উন্নত কৰাৰ বাবে বিভিন্ন পৰামৰ্শ আগবঢ়ায়। বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ ড্ৰপআউট হাৰ হ্ৰাস, উচ্চ শিক্ষা আৰু কৰ্মসংস্থাপনমুখী কাৰ্যসূচী বৃদ্ধি, বিভাগীয় ছেমিনাৰ আয়োজন, গৱেষণা সংস্কৃতি শক্তিশালীকৰণ, শিক্ষকসকলক FDP, সন্মিলন আৰু ছেমিনাৰত অংশগ্ৰহণৰ বাবে উৎসাহিত কৰা, লগতে ছাত্ৰ-কেন্দ্ৰিক শিক্ষণ ব্যৱস্থা অধিক ফলপ্ৰসূ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সন্মানীয় সভাপতি ফনীধৰ টাহুৱে প্ৰতিটো কাৰ্যসূচীত উপস্থিত থাকি গঠনমূলক পৰামৰ্শ আগবঢ়ায়। মহাবিদ্যালয়ৰ IQAC সমন্বয়কে আঁত ধৰা Exit Meeting ত শলাগৰ শৰাই আগবঢ়াই ডঃ উপেন বৰাই। মহাবিদ্যালয়ৰ পৰিয়ালে অ'ডিট দলৰ মূল্যৱান পৰামৰ্শসমূহৰ শলাগ লয় আৰু তাৰ সফল ৰূপায়ণৰ জৰিয়তে মহাবিদ্যালয়খনিৰ সামগ্ৰিক উন্নয়নৰ বাবে কাম কৰাৰ দৃঢ় সংকল্প ব্যক্ত কৰে।

প্ৰথম 'বিছপ ষ্টিফেন ফেৰাণ্ডো সোঁৱৰণী বঁটা' প্ৰদান

ফেৰাণ্ডো শিক্ষানুষ্ঠানৰ কৃতী শিক্ষাৰ্থীক অভিনন্দন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৪ জুন ঃ শৈক্ষিক পাৰদৰ্শিতা আৰু মূল্যবোধভিত্তিক শিক্ষাৰ প্ৰসাৰৰ উদ্দেশ্যৰে বৃহস্পতিবাৰে তিনিচুকীয়াত প্ৰথমবাৰৰ বাবে 'বিছপ ষ্টিফেন ফেৰাণ্ডো সোঁৱৰণী বঁটা বিতৰণী অনুষ্ঠান' অতি আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত হৈ যায়। তিনিচুকীয়াৰ ছেইণ্ট ষ্টিফেনছ হায়াৰ চেকেণ্ডাৰী স্কুলৰ প্ৰেক্ষাগৃহত আয়োজিত এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ফেৰাণ্ডো এডুকেচনেল ইনষ্টিটিউচনছ (FEI)-ৰ তিনিচুকীয়া প্ৰভিন্সৰ অধীনস্থ ১৩খন বিদ্যালয়ৰ মেধাৱী ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু অভিভাৱকসকল সমবেত হয়। বিছপ ষ্টিফেন ফেৰাণ্ডোৰ পবিত্ৰ সোঁৱৰণীত এই বৰ্ষৰ পৰা আৰম্ভ কৰা এই বঁটা প্ৰদান কাৰ্যসূচীত চলিত বৰ্ষৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ বোৰ্ড পৰীক্ষাত শীৰ্ষস্থান দখল কৰা কৃতী শিক্ষাৰ্থীসকলক ফুলম গামোচা, স্মাৰক চিহ্ন, প্ৰশংসা পত্ৰ আৰু নগদ ধনেৰে বিশেষভাৱে অভিনন্দন জনোৱা হয়। হাইস্কুল শিক্ষান্ত (HSLC) পৰীক্ষাত ফেৰাণ্ডো শিক্ষানুষ্ঠানৰ ভিতৰত মৰাণহাটৰ ছেইণ্ট জোচেফ হায়াৰ চেকেণ্ডাৰী স্কুলৰ দানাপানা আশংক ৰাৱে ৯৫.৮ শতাংশ নম্বৰেৰে প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হয়। একেদৰে তিনিচুকীয়াৰ ছেইণ্ট ষ্টিফেনছ হায়াৰ চেকেণ্ডাৰী স্কুলৰ প্ৰীতম দেৱনাথে ৯৫.১ শতাংশ আৰু ডিমাপুৰৰ ছেইণ্ট মেৰীজ হায়াৰ চেকেণ্ডাৰী স্কুলৰ টিয়াটুলা আৱে ৯৪.৮৩ শতাংশ নম্বৰেৰে ক্ৰমে দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে। আনহাতে, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ডিমাপুৰৰ ছেইণ্ট মেৰীজ হায়াৰ চেকেণ্ডাৰী স্কুলৰ সৃষ্টি থাপাই ৯৪.২০ শতাংশ আৰু ৰিয়া শৰ্মাই ৯১ শতাংশ নম্বৰ লাভ কৰি কলা শাখাত শীৰ্ষস্থান অৰ্জন কৰে। বাণিজ্য শাখাত ডিব্ৰুগড়ৰ ছেইণ্ট মেৰীজ হায়াৰ চেকেণ্ডাৰী স্কুলৰ আথ্ৰংলিলি চাংটামে ৯১ শতাংশ নম্বৰেৰে আৰু বিজ্ঞান শাখাত অৰুণাচল প্ৰদেশৰ মহাদেৱপুৰস্থিত ফেৰাণ্ডো হায়াৰ চেকেণ্ডাৰী স্কুলৰ প্ৰণিতা নেওগে ৮৩ শতাংশ নম্বৰেৰে সৰ্বাধিক নম্বৰ লাভ কৰে। ইয়াৰ উপৰি ৯১ শতাংশ বা তাতকৈ অধিক নম্বৰ লাভ কৰা সকলো ছাত্ৰ-ছাত্ৰীকে অনুষ্ঠানত পুৰস্কৃত কৰা হয়। বঁটা প্ৰদান অনুষ্ঠানৰ আৰম্ভণিতে আদৰণি ভাষণ প্ৰদান কৰে জেনেৰেল কাউন্সিলৰ (শিক্ষা) চিষ্টাৰ ৰোজ মেৰী আংগামিলুৱে। তেওঁ শিক্ষাৰ ক্ষেত্ৰত বিছপ ষ্টিফেন ফেৰাণ্ডোৰ চিৰস্মৰণীয় অৱদানৰ কথা উল্লেখ কৰি কয় যে মেধাৰ বিকাশ আৰু ছাত্ৰ-ছাত্ৰীক উদগনি যোগাবলৈ এই বঁটা প্ৰদান অনুষ্ঠান প্ৰতি বছৰে ধাৰাবাহিকভাৱে আয়োজন কৰা হ'ব। অনুষ্ঠানত উপস্থিত থাকি প্ৰভিন্সিয়েল ছুপেৰিয়ৰ চিষ্টাৰ মাৰ্গাৰেট চেখোজেই ছাত্ৰ-ছাত্ৰীসকলক সমাজৰ প্ৰতি থকা দায়বদ্ধতা আৰু সততা অটুট ৰাখি দেশ গঠনৰ কামত ব্ৰতী হ'বলৈ আহ্বান জনায়। এই অনুষ্ঠানত তিনিচুকীয়া প্ৰভিন্সৰ ভাইচ ছুপেৰিয়ৰ চিষ্টাৰ মাৰ্চি ফিলিপ, জেনেৰেল কাউন্সিলৰ (ফৰমেচন) চিষ্টাৰ ৰোজিতা জোচেফ, প্ৰভিন্সিয়েল ইকনমাৰ চিষ্টাৰ জেচি মেথিউৰ লগতে ১৩খন শিক্ষানুষ্ঠানৰ অধ্যক্ষা আৰু শিক্ষক-শিক্ষয়িত্ৰীসকল উপস্থিত থাকে। ছেইণ্ট ষ্টিফেনছ হায়াৰ চেকেণ্ডাৰী স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰা বৰ্ণিল সাংস্কৃতিক কাৰ্যসূচীয়ে অনুষ্ঠানটোক অধিক আকৰ্ষণীয় কৰি তোলে। শিক্ষয়িত্ৰী অনামিকা দত্তই সুচাৰুৰূপে আঁত ধৰা অনুষ্ঠানটোৰ শেষত পূজা দেৱাঞ্জীয়ে শলাগৰ শৰাই আগবঢ়ায় আৰু ৰাষ্ট্ৰীয় সংগীতেৰে কাৰ্যসূচীৰ সামৰণি মৰা হয়।

ৰঙাচাহী মহাবিদ্যালয়ত 'The Quest' গৱেষণামূলক গ্ৰন্থৰ উন্মোচনী সভা

অসম বাৰ্তা, উজনি মাজুলী, ৪ জুন ঃ মাজুলীৰ অন্যতম অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান ৰঙাচাহী মহাবিদ্যালয়ৰ শিক্ষক গোটৰ উদ্যোগত সম্পাদিত The Quest (a multidisciplanary research approach, Voll. II) শীৰ্ষক গৱেষণামূলক গ্ৰন্থখনৰ উন্মোচনী অনুষ্ঠান আজি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক নিলোৎপল দত্তই আঁত ধৰা অনুষ্ঠানটো সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱ কুমাৰ গামে। তেখেতে কয় যে জ্ঞান চৰ্চা, গৱেষণা আৰু সৃজনশীল মননৰ বিকাশৰ লক্ষ্যৰে প্ৰকাশিত এই গ্ৰন্থখনৰ উন্মোচনী সভাই শিক্ষানুষ্ঠানখনৰ বৌদ্ধিক পৰিসৰক অধিক সমৃদ্ধ কৰাৰ এক তাৎপৰ্যপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হয়। মহাবিদ্যালয়ৰ উপাধ্যক্ষ তৰুণ কুমাৰ নাথে আদৰণি ভাষণ প্ৰদান কৰি গ্ৰন্থখনৰ প্ৰকাশৰ তাৎপৰ্য ব্যাখ্যা কৰে। গ্ৰন্থখন উন্মোচন কৰে মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° তৰুণ গগৈয়ে। উন্মোচনী ভাষণত তেখেতে ৰঙাচাহী মহাবিদ্যালয়ৰ শিক্ষক সমাজে গ্ৰহণ কৰা বৌদ্ধিক আৰু গৱেষণামূলক প্ৰয়াসৰ উচ্চ প্ৰশংসা কৰি এই ধৰণৰ চিন্তাশীল আৰু সৃজনশীল কৰ্মক ভৱিষ্যতেও অব্যাহত ৰাখিবলৈ আহ্বান জনায়। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ঘনকান্ত নাথে শিক্ষাৰ গুণগত উৎকৰ্ষ সাধনত শিক্ষকসকলৰ ভূমিকা বিশেষভাৱে উল্লেখ কৰে। সন্মানীয় অতিথি হিচাপে উপস্থিত থকা মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ সহকাৰী পঞ্জীয়ক ড° ক্ষীৰসিন্ধু শইকীয়া। সভাত বক্তব্য প্ৰদান কৰি আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক তথা শিক্ষক গোটৰ সভাপতি কৃষ্ণকান্ত দলে সম্পাদকমণ্ডলীৰ অধ্যৱসায় আৰু নিষ্ঠাৰ শ'লাগ লৈ এই গ্ৰন্থখন শিক্ষকসকলৰ সমূহীয়া চিন্তা-চৰ্চা আৰু জ্ঞানসাধনাৰ এক উজ্জ্বল নিদৰ্শন বুলি অভিহিত কৰে। উল্লেখ্য যে The Quest (a multidisciplanary research approach, Voll. II) শীৰ্ষক গৱেষণামূলক গ্ৰন্থখন সম্পাদনা কৰিছে শিক্ষাতত্ত্ব বিভাগৰ অধ্যাপিকা ক্লিৰদাপ তাৰ'পী, সমাজতত্ত্ব বিভাগৰ অধ্যাপক ড° দুৰ্লভ পেগু আৰু অৰ্থনীতি বিভাগৰ অধ্যাপিকা গায়ত্ৰী গগৈয়ে। সম্পাদকমণ্ডলীৰ হৈ ক্লিৰদাপ তাৰ'পী আৰু গায়ত্ৰী গগৈয়ে সম্পাদনাৰ অভিজ্ঞতা বৰ্ণনা কৰি গ্ৰন্থখনৰ সৈতে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত সকলো ব্যক্তি আৰু প্ৰতিষ্ঠানলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানটোক অধিক সজীৱ কৰি তোলে দ্বাদশ শ্ৰেণীৰ ছাত্ৰী জানমণি নাথৰ সুমধুৰ দিহানাম পৰিৱেশনে। মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু বিপুল সংখ্যক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠিত সভাখনৰ অন্তত ড° দুৰ্লভ পেগুৱে শ'লাগৰ শৰাই আগবঢ়াই অনুষ্ঠানৰ সামৰণি মাৰে। The Quest (a multidisciplanary research approach, Voll. II) শীৰ্ষক গৱেষণামূলক গ্ৰন্থখনৰ প্ৰকাশে ৰঙাচাহী মহাবিদ্যালয়ৰ শৈক্ষিক আৰু গৱেষণাধৰ্মী পৰম্পৰাক নতুন গতি প্ৰদান কৰিব বুলি উপস্থিত বক্তাসকলে আশা ব্যক্ত কৰে।

বাহনা মহাবিদ্যালয়ত সদৌ অসম ভিত্তিত প্ৰয়াত প্ৰশান্ত কুমাৰ বৰুৱা সোঁৱৰণী বিজ্ঞান আৰ্হি প্ৰতিযোগিতা সম্পন্ন

অসম বাৰ্তা, নিমাতীঘাট, ৪ জুন ঃ যোৰহাটৰ বাহনা মহাবিদ্যালয়ত গৌৰৱময় হীৰক জয়ন্তী বৰ্ষ উদযাপনৰ উপলক্ষত বাহনা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উদ্‌যাপন সমিতিৰ অন্যতম বিজ্ঞান প্ৰদৰ্শন উপসমিতিয়ে পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰয়াত প্ৰশান্ত কুমাৰ বৰুৱাৰ সোঁৱৰণত আয়োজন কৰা সদৌ অসম ভিত্তিত বিজ্ঞান আৰ্হি উপস্থাপন প্ৰতিযোগিতা এখন আজি অনুষ্ঠিত হয়। পুৱা ১০ বজাৰ পৰা আয়োজিত প্ৰতিযোগিতাখনিত অসমৰ বিভিন্ন জিলাৰ পৰা মুঠ ৫২ সংখ্যক দলে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাৰ প্ৰাৰম্ভিকতে প্ৰতিযোগিতাখন উৎসৰ্গিত ব্যক্তি প্ৰয়াত প্ৰশান্ত কুমাৰ বৰুৱাক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। তেখেতৰ প্ৰতিচ্ছবিৰ সন্মুখত এগছি বন্তি প্ৰজ্জ্বলন কৰে প্ৰয়াত বৰুৱাদেৱৰ সহধৰ্মিনি তথা বাহনা মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মূৰব্বী অধ্যাপিকা ড° ইন্দিৰা বৰুৱাই আৰু সভাত উপস্থিত থকা সকলে পুষ্পাঞ্জলি অৰ্পন কৰে। বাহনা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চুম্বিত চলিহাৰ আদৰণি ভাষণৰ পিছতেই প্ৰতিযোগিতাখন শুভ উদ্বোধন কৰে যোৰহাট উত্তৰ পূৱ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠানৰ অৱসৰ প্ৰাপ্ত বিজ্ঞানী ড° পৰাণ বৰুৱাই। হীৰক জয়ন্তী উদ্‌যাপন সমিতিৰ যুটীয়া সম্পাদক দিগন্ত প্ৰসাদ গগৈয়ে আঁতধৰা উদ্বোধনী অনুষ্ঠানত অসম বিজ্ঞান সমিতিৰ উপ সভাপতি ৰমেন গগৈ ডাঙৰীয়াই প্ৰতিযোগী সকলক উদ্দেশ্যি শুভেচ্ছামূলক বক্তৃতা প্ৰদান কৰে। প্ৰতিযোগিতাখনত সন্মানীয় বিচাৰকৰ দায়িত্ব গ্ৰহণ কৰে ক্ৰমে বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ অৱসৰপ্ৰাপ্ত বিজ্ঞানী ড° দণ্ডেশ্বৰ দত্ত আৰু উত্তৰ পূৱ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ বিজ্ঞানী ড° দিপুল কলিতাই। প্ৰতিযোগিতাৰ শেষত বিজ্ঞান প্ৰদৰ্শন উপসমিতিৰ আহ্বায়ক ড° মানসজ্যোতি বৰাই আতঁ ধৰা বটা বিতৰণী সভাত বিচাৰকৰ মন্তব্যৰ পাছত মহাবিদ্যলয়ৰ অধ্যক্ষ শিক্ষক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত প্ৰতিযোগিতাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান প্ৰাপ্ত প্ৰতিযোগী সকলক পুৰস্কাৰ বিতৰণ কৰা হয়। প্ৰতিযোগিতাখনত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে কাৰ্মেল স্কুল, যোৰহাট, বাহনা মহাবিদ্যালয় আৰু খ্ৰাইষ্ট কিং ইংলিছ স্কুল, যোৰহাট। মহাবিদ্যালয়খনৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীৰ সহযোগিতাত সম্পন্ন হোৱা প্ৰতিযোগিতাখনত বাহনা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি অনন্ত কুমাৰ বৰুৱা, কাৰ্য্যকৰী সভাপতি ড° প্ৰসন্ন কুমাৰ দত্ত আৰু উপ সভাপতি পুৰ্ণিমা দত্ত উপস্থিত থাকে।

গৌৰাংটাৰী ৰাইজৰ যাতায়াতৰ বাবে বাঁহৰ দলঙৰ ব্যৱস্থা

অসম বাৰ্তা, বাসুগাঁও, ৪ জুন ঃ বিটিচিৰ কোকৰাঝাৰ জিলাৰ সীমান্তৱৰ্তী তথা বাওখুংগ্ৰী বিধানসভা সমষ্টিৰ ঢোলমাৰা VCDC ৰ অন্তৰ্গত গৌৰাংটাৰী গাঁৱৰ ৰাইজৰ যাতায়তৰ বাবে ব্যৱহাৰ কৰা বাঁহৰ দলংখনৰ অৱস্থা জৰাজীৰ্ণ হোৱাত গাওঁবাসীৰ বহুদিনৰ সমস্যা হৈ আছিল। বাৰিষা বতৰ হোৱাত ৰাইজৰ যাতায়াতৰ অসুবিধা হোৱাৰ বাবে ৪ নং বাওখুংগ্ৰী বিধানসভা সমষ্টিৰ বিধায়ক ৰূপম চন্দ্ৰ ৰায় আৰু বিটিচিৰ কাৰ্যবাহী সদস্য কৰ্মেশ্বৰ ৰায়ক গৌৰাংটাৰী গাঁৱৰ ৰাইজে অৱগত কৰিছিল। ৰাইজৰ প্ৰতিটো সমস্যা সমাধানৰ লক্ষ্য আৰু উদ্দেশ্যৰে ৰাইজৰ বেটা হিচাপে কাম কৰিবলৈ সংকল্প লোৱা বিধায়ক ৰূপম চন্দ্ৰ ৰায় আৰু বিটিচিৰ কাৰ্যবাহী সদস্য কৰ্মেশ্বৰ ৰায়ে বাঁহৰ দলংখন পৰিদৰ্শন কৰিছিল আৰু সেই স্থানতেই ৰাইজক প্ৰতিশ্ৰুতি দিছিল যে অতি কম সময়ৰ ভিতৰতে দলংখন মেৰামতি কৰি ৰাইজৰ বাবে চলাচলৰ ব্যৱস্থা কৰিব। প্ৰতিশ্ৰুতি অনুযায়ী আজি বিধায়ক আৰু ই এম গৰাকীৰ প্ৰচেষ্টা আৰু সহযোগত দলংখন তাৎক্ষণিকভাৱে ৰাইজৰ যাতায়তৰ বাবে সুব্যৱস্থা কৰি দিয়ে আৰু আগন্তুক কম সময়ৰ ভিতৰত দলংখন পকীকৰণ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। বৰষুণৰ বতৰত ৰাইজৰ সুবিধাৰ্থে আজি দলংখনৰ কাম সম্পূৰ্ণ হোৱাত গৌৰাংটাৰী গাওবাসীয়ে বিধায়ক ৰূপম চন্দ্ৰ ৰায় আৰু বিটিচিৰ ই এম কৰ্মেশ্বৰ ৰায়ক ধন্যবাদ জনায়।

এগৰাকী মহিলাৰ মৃত্যু, তিনিজন সংকটজনক

নেমুটেঙাানিৰ কঁঠালগুৰিত শোকাৱহ দুৰ্ঘটনা

অসম বাৰ্তা, ধেমাজি, ৪ জুন ঃ ঢকুৱাখনা থানাৰ অন্তৰ্গত নেমুটেঙানি অঞ্চলৰ কঁঠালগুৰি বামুণগাঁৱত যোৱা ৩১ মে'ত সংঘটিত পথ দুৰ্ঘটনাত এগৰাকী মহিলাৰ মৃত্যু হোৱাৰ লগতে আন এগৰাকী মহিলা আৰু দুজন পুৰুষ গুৰুতৰভাৱে আহত হৈ সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে। ৩১ মে'ৰ দুপৰীয়া প্ৰায় ১২.৩০ বজাত মাছখোৱাৰ ফালৰ পৰা তীব্ৰ বেগেৰে আহি থকা এখন অল্ট' গাড়ীয়ে ৰোহা তিনিআলিৰ ফালৰ পৰা আহি থকা এখন এপে গাড়ীক মাছখোৱা-ঢকুৱাখনা পথৰ কঁঠালগুৰি বামুণ গাঁৱত প্ৰচণ্ড খুন্দা মাৰে। খুন্দাত গাড়ী দুখনৰ সন্মুখভাগ চূৰ্ণ-বিচূৰ্ণ হোৱাৰ লগতে এপেখন ভাগি প্ৰায় ৪০ মিটাৰ দূৰৈত এক খাৱৈত ছিটিকি পৰে। ঘটনাটোত এপেখনত আহি থকা টিয়কীয়া গাঁৱৰ প্ৰণৱ (পুতুল) বৰাৰ পত্নী তৰামাই বৰা (৪০), তেওঁৰ দেওৰেক অনিল বৰা (৫০) আৰু পত্নী চুমি বৰা (৪৫), এপেখনৰ চালক ধন বৰা (৪০) আঘাতপ্ৰাপ্ত হয়। আঘাতপ্ৰাপ্ত চাৰিওজনকে সংকটজনক অৱস্থাত ততাতৈয়াকৈ নি অসম মেডিকেল কলেজ হাস্পতালত ভৰ্তি কৰোৱা হয় যদিও অতি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত তৰামাই বৰাৰ ৩১ মে'ৰ সন্ধিয়া হাস্পতালত মৃত্যু হয়। আনহাতে গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত অনিল বৰা আৰু তেওঁৰ পত্নী চুমি বৰা সংকটজনক অৱস্থাত অসম মেডিকেল কলেজ হাস্পতালত চিকিৎসাধীন হৈ আছে। একেদৰে এপেখনৰ চালক ধন বৰা সম্প্ৰতি ডিব্ৰুগড় স্থিত এখন বেচৰকাৰী হাস্পতালৰ আই চি ইউত জীৱন-মৰণেৰে যুঁজি আছে। ১ জুনৰ সন্ধিয়াৰ পূৰ্বে তৰামাই বৰাৰ মৃতদেহ টিয়কীয়া গাঁৱৰ বাসগৃহ পোৱাত ঘৰখনত শোকাকুল পৰিবেশৰ সৃষ্টি হয়। পিচত স্থানীয় বহু লোকৰ উপস্থিতিত মৃতকৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। উল্লেখযোগ্য যে মৃত তৰামাই ৰাই স্বামী, এগৰাকী ১০ বছৰীয়া পুত্ৰ, এগৰাকী ১৭ বছৰীয়া কন্যাক ইহসংসাৰত এৰি থৈ যায়। ঘটনা সন্দৰ্ভত কালি এপেখনৰ চালকৰ পিতৃ বিপুল বড়াই ঢকুৱাখনা থানাত এজাহাৰ দাখিল কৰিছে।

নগাঁও জিলা প্ৰশাসনৰ অভিনৱ পদক্ষেপ

নগাঁও চহৰত বহু বাহনৰ চকাত লাগিল অবৈধ পাৰ্কিঙৰ তলা

অসম বাৰ্তা, পুৰণিগুদাম, ৪ জুন ঃ নগাঁও চহৰৰ যান-জঁটৰ সমস্যা তথা ৰাষ্ট্ৰীয় ঘাই পথতো যধে-মধে আৰু অবৈধভাৱে যান-বাহন পাৰ্কিং কৰাৰ ফলত সৃষ্টি হোৱা সমস্যাৰ সৈতে মোকাবিলা কৰিবলৈ নগাঁও জিলা প্ৰশাসনে এতিয়াৰে পৰা তেনে গাড়ীৰ চকাত তলা লগোৱাৰ ব্যৱস্থা কৰিছে। জনসাধাৰণৰ যাতায়তৰ ব্যাঘাত দূৰ কৰাৰ উদ্দেশ্যে জিলা আয়ুক্ত বিশেষ নিৰ্দেশ মৰ্মে আজিৰে পৰা চহৰখনত এই বিশেষ পদক্ষেপ হাতত লোৱা হৈছে। আজিৰ চহৰৰ বিভিন্ন স্থানত অবৈধভাৱে আৰু অসুবিধাজনক ভাবে ৰখাই থোৱা কেবাখনো গাড়ী তথা বাইকতো যানবাহন আৰক্ষীয়ে হুইল লক লগাই থোৱাত অবৈধ পাৰ্কিংত অভ্যস্ত সকলৰ মাজত একপ্ৰকাৰ হাহাকাৰৰ সৃষ্টি হয়। পিছত গাড়ীৰ গৰাকীয়ে বহু পৰিমাণৰ জৰিমনা ভৰিব লগীয়া হয়। এই ব্যৱস্থাই চহৰখনৰ যানজঁটৰ সমস্যাটো কিছু উপশম ঘটাব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে, এই উদ্দেশ্যে কালি জিলা আয়ুক্ত কাৰ্যালয়ৰ কক্ষত জিলা আয়ুক্ত দেৱাশিস শৰ্মাই নগাঁও পৌৰসভাৰ কাৰ্যবাহী বিষয়া পংকজ ভূঞাৰ উপস্থিতিত নগাঁও যান-বাহন আৰক্ষীৰ উপ-পৰিদৰ্শক জিতেন কুমাৰ দত্তক আনুষ্ঠানিকভাৱে 'হুইল টায়াৰ লক ক্লেম' প্ৰদান কৰি এই বিশেষ পদক্ষেপৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিছিল। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই এই কথা প্ৰকাশ কৰি জনাইছে যে, চহৰখনৰ যান-বাহন নিয়ন্ত্ৰণ ব্যৱস্থা অধিক সুচাৰুৰূপে পৰিচালনা কৰা আৰু পথ সুৰক্ষা কটকটীয়া কৰাৰ লক্ষ্যৰেই প্ৰশাসনৰ তৰফৰ পৰা এই বিশেষ পদক্ষেপ গ্ৰহণ কৰা হয়। জিলা পথ সুৰক্ষা সমিতিৰ তৰফৰ পৰা প্ৰদান কৰা এই টায়াৰ লক ক্লেমৰ জৰিয়তে এতিয়াৰে পৰা নগাঁও চহৰৰ লগতে চাৰিলেনযুক্ত নগাঁও বাইপাছত ট্ৰাক বা যিকোনো ধৰণৰ যান-বাহন অবৈধভাৱে পাৰ্কিং কৰিলে 'চকাত তলা' লগাই দিয়া হ'ব আৰু নিয়ম উলংঘাকাৰীৰ বিৰুদ্ধে বৃহৎ পৰিমাণৰ চালান কাটি আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব। জিলা আয়ুক্তই সমগ্ৰ নগাঁওবাসীক নিয়ম মানি চলিবলৈ আৰু চহৰখন যান-জঁটমুক্ত কৰি ৰখাৰ স্বাৰ্থত জিলা প্ৰশাসনক সম্পূৰ্ণৰূপে সহযোগিতা কৰিবলৈ আহ্বান জনাইছে।

সুৱাগপুৰত বিভিন্ন ধৰ্মীয় অনুষ্ঠানক টিনপাত বিতৰণৰ লগতে গোৰ্খা ভৱন উদ্বোধন গোৰ্খা উন্নয়ন পৰিষদৰ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৪ জুন ঃ অসম চৰকাৰে ৰাজ্যৰ গোৰ্খা জনগোষ্ঠীৰ উন্নয়নৰ হকে গঠন কৰি দিয়া গোৰ্খা উন্নয়ন পৰিষদে বিগত দিনত উল্লেখনীয় কাম কৰি আহিছে। গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ তথা গোৰ্খাৰ বলিষ্ঠ কণ্ঠ প্ৰেম তামাঙৰ নেতৃত্বত যোৱা কেইবছৰত গোৰ্খা অধ্যুষিত অঞ্চলত বিভিন্ন উন্নয়নমূলক কাম কৰি আহিছে। গোৰ্খা উন্নয়ন পৰিষদৰ ২০২৫-২৬ বাজেটত পৰিষদে ৰাজ্যৰ মঠ মন্দিৰত টিনপাত বিতৰণ কৰি আহিছে। আজি সুৱাগপুৰত গোৰ্খা উন্নয়ন পুঁজিৰে নিৰ্মিত গোৰ্খা ভৱন উদ্বোধন কৰে গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰেম তামাঙে। এই কাৰ্যসূচীত গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰেম তামাঙে সুৱাগপুৰ অঞ্চলৰ কেইবাটাও ধাৰ্মিক অনুষ্ঠানক টিনপাতো বিতৰণ কৰে। অৱসৰপ্ৰাপ্ত শিক্ষক টেক বাহাদুৰ ছেত্ৰীৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যসূচীত গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰেম তামাঙে তেওঁৰ ভাষণত হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন এনডিএ চৰকাৰে ৰাজ্যৰ গোৰ্খাৰ উন্নয়নৰ বাবে বিভিন্ন কাম কৰি অহা বুলি কয় আৰু গোৰ্খা জনগোষ্ঠীৰ কল্যাণৰ বাবে বিভিন্ন আঁচনি প্ৰস্তুত কৰা হ'ব বুলি জনায়। হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দিনত গোৰ্খাসকল সকলো ক্ষেত্ৰত সুৰক্ষিত হোৱা বুলিও কয়। কাৰ্যসূচীত উপস্থিত থাকি যুৱ নেতা কৰন ছেত্ৰীয়ে তেওঁৰ ভাষণত গোৰ্খা উন্নয়ন পৰিষদে বিগত পাঁচ বছৰত গোৰ্খাৰ কল্যাণৰ বাবে বিভিন্ন কাম কৰা বুলি কৈ এপিএছচি তথা ইউপিএছচিৰ দৰে কোচিং চেণ্টাৰ আৰম্ভ কৰি ছাত্ৰছাত্ৰীৰ শিক্ষাৰ দিশত আগুৱাই লৈ যোৱাত গোৰ্খা উন্নয়ন পৰিষদক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ গোৰ্খা উন্নয়ন পৰিষদৰ পৰৱৰ্তী অধ্যক্ষৰ বাবে প্ৰেম তামাঙৰ দৰে বলিষ্ঠ নেতাক আৱশ্যক বুলি কয়। সভাত বিভিন্ন প্ৰান্তৰ তিনি শতাধিক লোক উপস্থিত থাকে।

বাণিজ্যিক ক্ষেত্ৰখনত নৱপ্ৰজন্মক এখোজ আগুৱাই নিয়া লক্ষ্যৰে ডিব্ৰুগড়ৰ নিৰ্মালী গাঁৱত বাণিজ্য মেলা

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৪ জুন ঃ আজিৰে পৰা ডিব্ৰুগড় মহানগৰৰ দাঁতিকাষৰীয়া-নিৰ্মালী গাঁৱৰ খেলপথাৰত আৰম্ভ হৈছে- বাণিজ্য মেলা। প্ৰতিকূল বতৰৰ মাজতে পুৱা আনুষ্ঠানিক ভাবে মেলাৰ শুভ উদ্বোধন কৰা হয়। বৌদ্ধিক তথা বাণিজ্যিক ক্ষেত্ৰখনত নৱপ্ৰজন্মক আৰু এখোজ আগুৱাই নিয়াৰ অৰ্থে আজিৰ পৰা নিৰ্মালী সংঘৰ উদ্যোগত আৰু নিৰ্মালীগাঁৱৰ ৰাইজৰ সহযোগত আয়োজন কৰা বাণিজ্য মেলা উদ্বোধনৰ পূৰ্বে হাৰ্টথ্ৰ'ব শিল্পী জুবিন গাৰ্গ আৰু সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰা লগতে আনুষ্ঠানিক ভাবে ফিতা কাটি মেলা মুকলি কৰে ডিব্ৰুগড় সমষ্টিৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী প্ৰশান্ত ফুকনে। মাংগলিক কাৰ্যসূচীৰে আৰম্ভৰ হোৱা অনুষ্ঠানটিৰ আঁতধৰে সমাজসেৱক মৌচুম দত্তই। অনুষ্ঠানত প্ৰাক্তন আছু নেতা, ৱাৰ্ড কমিছনাৰ দিব্যজ্যোতি হাজৰিকা, নিৰ্মালী সংঘৰ সভাপতি মিতুল ভূঞা, সম্পাদক দ্বীপজ্যোতি দত্তৰ লগতে সংঘৰ বিষয়ববীয়াকে প্ৰমুখ্য কৰি বহু কেইগৰাকী গণ্যমান্য ব্যক্তি উপস্থিত থাকে। নিৰ্মালী সংঘই আয়োজন কৰা এই বাণিজ্য মেলাৰ ব্যৱস্থা কৰা বিষয়টোৱে সমাজখনৰ প্ৰতি থকা দায়বদ্ধতাৰ দিশটোক পোহৰাই তুলিছে আৰু থলুৱা ব্যৱসায়ী সকলক এই মেলাৰ যোগেদি ব্যৱসায়ী মনক উৎসাহ প্ৰদান কৰিব বুলি আশা কৰিছে শুভাকাংক্ষী ৰাইজে।

সজাগতা আৰু জীৱনশৈলীৰ পৰিৱৰ্তনৰ দ্বাৰাহে যক্ষ্মা ৰোগ নিৰ্মূল সম্ভৱ ঃ জীৱন চন্দ্ৰ কোঁৱৰ

মৰিগাঁও জিলাৰ ১০০জন যক্ষ্মা ৰোগীলৈ তিৱা স্বায়ত্ত্ব শাসিত পৰিষদৰ পুষ্টিকৰ খাদ্যৰ টোপোলা

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ মৰিগাঁও, ৫ জুন ঃ তিৱা স্বায়ত্ত্ব শাসিত পৰিষদৰ উদ্যোগত আজি মৰিগাঁও জিলাৰ ১০০জন যক্ষ্মা ৰোগীলৈ পুষ্টিকৰ খাদ্যৰ টোপোলা আগবঢ়োৱা হয়। এই উপলক্ষে তিৱা স্বায়ত্ত্ব শাসিত পৰিষদৰ কাৰ্যালয় চৌহদত আয়োজিত এটা অনুষ্ঠানত প্ৰথম পৰ্যায়ত আজিৰ দিনটোত ৭০জন যক্ষ্মা ৰোগীক তিনিমাহৰ বাবে পুষ্টিকৰ খাদ্যৰ টোপোলা আৰু এখনকৈ আঁঠুৱা বিতৰণ কৰা হয়। অনুষ্ঠানত দিয়া ভাষণত তিৱা স্বায়ত্ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰে কয় যে মৰিগাঁও জিলাত ৰাইজৰ মাজত যক্ষ্মা ৰোগৰ সজাগতা আশানুৰূপ নহয়। তেওঁ কয় যে আমি নিজৰ স্বাস্থ্যৰ যতন যদি নিজে নলওঁ, তেনেহ'লে যিমান ঔষধ খালেও এই ৰোগ উপশম সম্ভৱ নহয়। এই ৰোগ নিৰ্মূল কৰাটো ইমান কঠিন নহয় বুলি উল্লেখ কৰি তেওঁ কয় যে কেৱল সজাগতা আৰু জীৱনশৈলীৰ পৰিৱৰ্তনৰ দ্বাৰাহে যক্ষ্মা ৰোগ নিৰ্মূল কৰিব পৰা যাব। তেওঁ পুনৰ কয় যে যক্ষ্মা ৰোগ নিৰ্মূল কৰাৰ ওপৰত মাননিয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। তিৱা স্বায়ত্ত্ব শাসিত পৰিষদেও কৰ্কট ৰোগ বা যক্ষ্মাৰ দৰে ৰোগৰ ক্ষেত্ৰত কোনো লোকে আৰ্থিক সাহায্য বিচাৰি আবেদন কৰিলে সদায় অগ্ৰাধিকাৰ ভিত্তিত সহায়ৰ হাত আগবঢ়াই আহিছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয় যে ভাল খাদ্য মানে অকল আপেল, আঙুৰ নহয়; বৰং স্থানীয়ভাৱে পোৱা বহু সামগ্ৰী আমাৰ বাবে পুষ্টিকৰ খাদ্য হ'ব পাৰে। তেওঁ জনজাতীয় লোকসকলক এই ৰোগৰ বিৰুদ্ধে বিশেষভাৱে সজাগ হ'বলৈ আহ্বান জনায়। অনুষ্ঠানত ভাষণ দি মৰিগাঁও জিলাৰ আয়ুক্ত অনামিকা তেৱাৰীয়ে কয় যে আজিৰ আধুনিক চিকিৎসা ব্যৱস্থাৰ দ্ৰুত প্ৰসাৰৰ এই যুগত মৰিগাঁও জিলাত যক্ষ্মা ৰোগত আক্ৰান্ত লোক নিতৌ চিনাক্ত হৈ থকাটো অতি দুৰ্ভাগ্যৰ কথা। তেওঁ কয় যে যক্ষ্মা ৰোগত আক্ৰান্ত হ'লে সময়মতে ঔষধ খোৱা আৰু পুষ্টিকৰ খাদ্য খোৱাটো অতি জৰুৰী। যদি এজন ৰোগীয়ে ছমাহ বা এবছৰ নিয়মীয়াকৈ ঔষধ খায় আৰু কম-বেছি পৰিমাণে পুষ্টিকৰ খাদ্য খায়, তেনেহ'লে এই ৰোগ নিৰাময় হোৱাটো প্ৰায় নিশ্চিত। ঘৰতে পোৱা পুষ্টিকৰ খাদ্য যেনে বতৰৰ ফল-মূল, শাক-পাচলি আদি প্ৰচুৰ পৰিমাণে খালে এই ৰোগৰ বিৰুদ্ধে যুঁজ দিয়াত যথেষ্ট সহায় হয়। প্ৰদূষণ, দুৰ্বল ৰোগ প্ৰতিৰোধ ক্ষমতা আদি ইয়াৰ অন্যতম কাৰণ বুলি উল্লেখ কৰি তেওঁ কয় যে এই ৰোগ প্ৰতিৰোধ কৰাৰ বাবে কেৱল ঔষধ খালেই নহ'ব, ঘৰত এটা ভাল পৰিৱেশ লাগিব। যক্ষ্মা ৰোগীক অৱহেলাৰ দৃষ্টিৰে নহয়, সহানুভূতিৰে চাব লাগিব বুলি তেওঁ কয়। তেওঁ যক্ষ্মা ৰোগীক আগতীয়াকৈ চিনাক্ত কৰিব পাৰিলেহে এই যুঁজখন শক্তিশালী হ'ব বুলি মত প্ৰকাশ কৰে। সভাত উপস্থিত থাকি তিৱা স্বায়ত্ত্ব শাসিত পৰিষদৰ প্ৰধান সচিব অৰ্পা বাগলাৰীয়ে যক্ষ্মা ৰোগীসকলক পুষ্টিকৰ খাদ্য যোগান ধৰাৰ ক্ষেত্ৰত যিয়ে যেনেকৈ পাৰে সহায় আগবঢ়োৱা উচিত বুলি মন্তব্য কৰে। তেওঁ কয় যে একোজন নিৰ্দিষ্ট ৰোগীলৈয়ো প্ৰতিমাহে পুষ্টিকৰ খাদ্যৰ টোপোলা আগবঢ়াই সহায়ৰ হাত আগবঢ়াব পাৰি। অনুষ্ঠানত মৰিগাঁও জিলাৰ স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক ডাঃ শৈলেন্দ্ৰ বৰ্ধন বৰাই কয় যে মৰিগাঁও জিলাত এই বছৰ দুই শতাধিক যক্ষ্মা ৰোগীক চিনাক্ত কৰা হৈছে। তেওঁ কয় যে জিলাখনৰ ১৫৬খন গাওঁ এই ৰোগ প্ৰাদুৰ্ভাৱৰ উচ্চ আশংকা থকা গাঁও হিচাপে চিনাক্ত কৰি ইতিমধ্যে স্বাস্থ্য বিভাগে নিয়মীয়া পৰীক্ষা আৰু স্বাস্থ্য শিবিৰৰ আয়োজন কৰিছে। মৰিগাঁও জিলাত বৰ্তমান ছয় শতাধিক যক্ষ্মা ৰোগীক বিনামূলীয়া চিকিৎসা আগবঢ়াই থকা হৈছে বুলি উল্লেখ কৰি তেওঁ নিয়মীয়াকৈ ঔষধ সেৱনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানৰ আঁত ধৰি জিলা যক্ষ্মা বিষয়া ডাঃ অমৰজ্যোতি ডেকাই কয় যে যক্ষ্মামুক্ত ভাৰত অভিযান গঢ় দিয়াৰ ক্ষেত্ৰত মৰিগাঁও জিলাই সদায় প্ৰয়াস কৰি আহিছে। এজন ৰোগী চিনাক্ত হ'লে পৰিয়ালৰ আটাইকেইজনে ৩ মাহৰ পৰা ছমাহলৈ প্ৰতিষেধক খাব লাগে বুলি উল্লেখ কৰি তেওঁ এই নিয়ম মানি চলিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। তেওঁ জিলাখনৰ প্ৰতিখন গাঁৱতে স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰি স্বাস্থ্য পৰীক্ষা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সভাত তিৱা স্বায়ত্ত্ব শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য বিনীতা দৈমাৰী আৰু মিহিৰাম বৰদলৈ আৰু স্বায়ত্ত্ব পৰিষদৰ বিষয়ববীয়াসকল তথা চিকিৎসক-স্বাস্থ্যকৰ্মী উপস্থিত আছিল।

কাকৈজানাত সোণালী বান্দৰৰ সুৰক্ষাৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত ছয়খনকৈ 'ওলোমা দলং'

অসম বাৰ্তা, সৃজনগ্ৰাম, ৫ জুন ঃ ৰাজ্যৰ প্ৰকৃতি জগতলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে বঙাইগাঁৱৰ কাকৈজানাৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত নিৰ্মিত সোণালী বান্দৰৰ সুৰক্ষাৰ বাবে সজা 'ওলোমা দলঙে'। ২০২৫ চনৰ ৪ জানুৱাৰী। পুৱাই আহিছিল এটা দুঃখবৰ। তীব্ৰবেগী বাহনৰ খুন্দাত বঙাইগাঁৱৰ কাকৈজানাত চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথত মৃত্যু হৈছিল এটি আপুৰুগীয়া সোণালী বান্দৰৰ। পৃথিৱী বিখ্যাত এই আপুৰুগীয়া সোণালী বান্দৰ অকল নামনি অসমৰ কাকৈজানা সংৰক্ষিত বনাঞ্চল, কোকৰাঝাৰৰ চক্ৰশিলা অভয়াৰণ্য আৰু ৰায়মনা অভয়াৰণ্যতহে পোৱা যায়। সোণালী বান্দৰটিৰ মৃত্যুৰ পিচত জাঙুৰ খাই উঠিছিল প্ৰকৃতিপ্ৰেমীসকলে। অৱৰোধ কৰিছিল ৰাষ্ট্ৰীয় ঘাই পথ। কেইবাঘণ্টা জুৰি অৱৰোধ হোৱাৰ পিচত বঙাইগাঁও জিলাৰ আয়ুক্ত নৱদ্বীপ পাঠক, আৰক্ষী আয়ুক্ত মোহনলাল মীনা, জিলা বনবিষয়া খনীন্দ্ৰ কলিতাকে ধৰি উচ্চপদস্থ বিষয়া উপস্থিত হৈ প্ৰকৃতি প্ৰেমীসকলৰ লগত আলোচনাত মিলিত হৈছিল। সিদ্ধান্ত হৈছিল সোণালী বান্দৰে ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হ'ব পৰাকৈ এখন পৰীক্ষামূলক ওলোমা দলং নিৰ্মাণ কৰা হওক। আৰু তাৰ পিচতে কাকৈজানাত নিৰ্মাণ কৰা হৈছিল পৰীক্ষামূলকভাৱে 'ওলোমা দলং'। এইক্ষেত্ৰত কাকৈজানাৰ প্ৰকৃতিপ্ৰেমী ৰাইজ, বনবিভাগ, আৰক্ষী বিভাগ, ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণকাৰী সংস্থা, শক্তি বিভাগক ধন্যবাদ দিবই লাগিব। আৰু সকলোকে আচৰিত কৰি দলং নিৰ্মাণৰ সাত দিনৰ ভিতৰতে দলংখনেৰে পাৰ হৈছিল এটা সোণালীবান্দৰ জাক। আৰু তাৰ পিচতে বঙাইগাঁও জিলাৰ তদানীন্তন আয়ুক্ত নৱদ্বীপ পাঠকৰ নেতৃত্বত এখন, দুখন নহয়, ছখনকৈ ওলোমা দলং নিৰ্মাণ কৰা হ'ল কাকৈজানাৰ মাজেৰে পাৰ হৈ যোৱা চাৰি লেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ বিভিন্ন স্থানত। ২০২৫ চনৰ ৪ জানুৱাৰীৰ পিচৰ পৰা ২০২৬ বৰ্ষত বাহনৰ খুন্দাত আজিলৈ মৃত্যু হোৱা নাই এটাও সোণালী বান্দৰৰ। এতিয়া নিতৌ ওলোমা দলঙেৰে পাৰ হয় সোণালীবান্দৰ। সেইমনোমোহা দৃশ্য চাবলৈ সমাগম হয় প্ৰকৃতি প্ৰেমীৰ। প্ৰকৃতিপ্ৰেমীসকলৰ বাবে আপুৰুগীয়া সোণালী বান্দৰ সংৰক্ষণৰ আশাৰ বতৰা কঢ়িয়াই আনিলে 'ওলোমা দলঙে'। কাকৈজানাৰ ওলোমা দলংসমূহ এতিয়া হৈ পৰিছে সৌন্দৰ্যৰ আঁকৰ। পৰ্যটকৰ বাবে হৈ পৰিছে আকৰ্ষণৰ অন্যতম স্থলী কাকৈজানাত সোণালী বান্দৰ পাৰ হ'বলৈ ৰাষ্ট্ৰীয় ঘাইপথত নিৰ্মাণ কৰা এই ওলোমা দলং ভাৰতৰ ভিতৰত প্ৰথম।

বিশ্ব পৰিৱেশ দিৱস উপলক্ষে গোলকগঞ্জত বৃক্ষৰোপণ আৰু গছপুলি বিতৰণ

অসম বাৰ্তা, গোলকগঞ্জ, ৫ জুন ঃ পৰিৱেশ দিৱস উপলক্ষে কোচ ৰাজবংশী সাহিত্য সভা আৰু কোচ ৰাজবংশী লেখিকা সভা, গোলকগঞ্জ শাখাৰ উদ্যোগত আজি গোলকগঞ্জত বৃক্ষৰোপণ আৰু গছপুলি বিতৰণ কাৰ্যসূচী সফলতাৰে অনুষ্ঠিত হয়। এই উপলক্ষে কোচ ৰাজবংশী সাহিত্য সভাৰ কাৰ্যালয় চৌহদ আৰু জগমোহন বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গণত বৃক্ষৰোপণ কৰা হয়। অনুষ্ঠানত কোচ ৰাজবংশী সাহিত্য সভা, গোলকগঞ্জ শাখাৰ সভাপতি ভূপাল ৰায় প্ৰধানী, উপদেষ্টা ডাঃ সোহন লাল আগৰৱালা, কোচ ৰাজবংশী লেখিকা সভা, গোলকগঞ্জ শাখাৰ সভানেত্ৰী অনিমা ৰায়, সাংগঠনিক সম্পাদক অনিমেষ চন্দ্ৰ ৰায়, জগমোহন বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দেবাঞ্জন ৰায়, কোচ ৰাজবংশী লেখিকা সভাৰ জিলা সভানেত্ৰী দ্বিপ্তী সৰকাৰ, সম্পাদিকা মায়াৰানী ৰায়কে ধৰি সাহিত্য সভাৰ আজীৱন সদস্য, শিক্ষক-শিক্ষয়িত্ৰী আৰু বহু সংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানৰ অংশ হিচাপে কোচ ৰাজবংশী সাহিত্য সভাৰ তৰফৰ পৰা জগমোহন বিদ্যাপীঠৰ প্ৰাঙ্গণত পাঁচ শতাধিক বহু মূল্যৱান গছপুলি ছাত্ৰ-ছাত্ৰী সকলক বিতৰণ কৰা হয়। উপস্থিত বক্তাসকলে পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত বৃক্ষৰোপণৰ গুৰুত্ব সম্পৰ্কে আলোকপাত কৰে। লগতে ছাত্ৰ-ছাত্ৰীসকলক নিজ নিজ ঘৰত পিতৃ-মাতৃৰ নামত গছপুলি ৰোপণ কৰি সেউজীয়া পৰিৱেশ গঢ়ি তোলাৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। পৰিৱেশ সুৰক্ষা আৰু সজাগতা বৃদ্ধিৰ লক্ষ্যৰে আয়োজিত এই কাৰ্যসূচীয়ে ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় লোকসকলৰ মাজত যথেষ্ট সঁহাৰি লাভ কৰে।

বিশ্ব পৰিৱেশ দিৱসৰ দিনাই "ৰং প্ৰজাপতি" শীৰ্ষক পখিলা বীথিকাৰ শুভ উদ্বোধন

সৰুপথাৰ মহাবিদ্যালয়ৰ ব্যতিক্ৰমী পদক্ষেপ; অসমৰ ভিতৰতে মহাবিদ্যালয় পৰ্যায়ত প্ৰথম উদ্যোগ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ৫ জুন ঃ বিশ্ব পৰিৱেশ দিৱসৰ তাৎপৰ্যপূৰ্ণ ক্ষণত পৰিৱেশ সংৰক্ষণ আৰু জৈৱ বৈচিত্ৰ্যৰ প্ৰতি সচেতনতা বৃদ্ধিৰ লক্ষ্যৰে সৰুপথাৰ মহাবিদ্যালয়ে এক অভিনৱ আৰু ব্যতিক্ৰমী পদক্ষেপ গ্ৰহণ কৰিছে। মহাবিদ্যালয়খনত শুক্ৰবাৰে "ৰং প্ৰজাপতি" নামেৰে এক অত্যাধুনিক পখিলা বীথিকাৰ শুভ উদ্বোধন কৰা হয়। জানিব পৰা মতে, অসমৰ ভিতৰতে মহাবিদ্যালয় পৰ্যায়ত এইধৰণৰ পখিলা বীথিকা স্থাপনৰ ক্ষেত্ৰত সৰুপথাৰ মহাবিদ্যালয়েই প্ৰথম শিক্ষানুষ্ঠান হিচাপে পৰিগণিত হৈছে। দৈয়াং-ধনশিৰি উপত্যকাৰ অন্যতম আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান সৰুপথাৰ মহাবিদ্যালয়ে শিক্ষাদানৰ সমান্তৰালভাৱে ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশ, গৱেষণামূলক চিন্তা আৰু সমাজমুখী কাৰ্যসূচীত সদায়েই গুৰুত্ব আৰোপ কৰি আহিছে। সেই ধাৰাবাহিকতাৰে স্থাপন কৰা "ৰং প্ৰজাপতি" বীথিকাই শিক্ষাৰ লগতে প্ৰকৃতি আৰু পৰিৱেশৰ প্ৰতি দায়িত্ববোধ জাগ্ৰত কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। বীথিকাখনত অসমত থকা ১১০বিধ প্ৰজাতিৰ পখিলাৰ মনোমোহা আলোকচিত্ৰ সন্নিৱিষ্ট কৰা হৈছে। আনহাতে প্ৰতিখন পখিলা আলোকচিত্ৰৰ লগত একোটিকৈ কিউ. আৰ. ক'ড সংযোজন কৰা হৈছে। এই কিউ. আৰ. ক'ডৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী, গৱেষক, প্ৰকৃতিপ্ৰেমী তথা সাধাৰণ দৰ্শনাৰ্থীয়ে মোবাইল ফোনৰ সহায়ত কিউ. আৰ. ক'ড স্কেন কৰি সংশ্লিষ্ট পখিলাটোৰ বিষয়ে বিস্তৃত তথ্য লাভ কৰিব পাৰিব। উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষা ডঃ প্ৰাপ্তি ঠাকুৰে কয়- বৰ্তমান সময়ত পৰিৱেশ সংৰক্ষণ আৰু জৈৱ বৈচিত্ৰ্য ৰক্ষাৰ ক্ষেত্ৰত শিক্ষানুষ্ঠানসমূহৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। কেৱল পাঠ্যপুথিৰ মাজতেই সীমাবদ্ধ নাথাকি ছাত্ৰ-ছাত্ৰীসকলক বাস্তৱভিত্তিক পৰিৱেশ শিক্ষাৰ সৈতে সংযুক্ত কৰাটো সময়ৰ প্ৰয়োজন। "ৰং প্ৰজাপতি" বীথিকাৰ জৰিয়তে শিক্ষাৰ্থীসকলৰ মাজত প্ৰকৃতি প্ৰেম, জীৱ-জন্তু আৰু উদ্ভিদ জগতৰ প্ৰতি আগ্ৰহ, লগতে জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ দায়িত্ববোধ অধিক শক্তিশালী হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। তেখেতে লগতে কয়- এই বীথিকা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত অসমৰ বিশিষ্ট প্ৰকৃতিবিদ, বন্যপ্ৰাণী ফটোগ্ৰাফাৰ তথা পখিলা অনুৰাগী সাৰংগপাণি নেওঁগে যথেষ্ট সহযোগিতা আগবঢ়াইছে। ইফালে মহাবিদ্যালয়খনৰ অধ্যক্ষা আৰু বহুকেইজন অধ্যাপকৰ সহযোগত এই বীথিকাত থকা পখিলা সমূহক অসমীয়াত নামকৰণ কৰা হৈছে। পখিলা প্ৰকৃতিৰ সৌন্দৰ্যৰ এক অপূৰ্ব প্ৰতীক হোৱাৰ লগতে ই সুস্থ পৰিৱেশ আৰু সমৃদ্ধ জৈৱ বৈচিত্ৰ্যৰ অন্যতম সূচক হিচাপেও স্বীকৃত। পৰিৱেশবিদ সকলৰ মতে কোনো অঞ্চলত পখিলাৰ উপস্থিতি সেই অঞ্চলৰ পৰিৱেশগত সুস্থতাৰ এক গুৰুত্বপূৰ্ণ মানদণ্ড। সেই উপলব্ধিৰে সৰুপথাৰ মহাবিদ্যালয়ে গঢ়ি তোলা এই বীথিকাই শিক্ষাৰ্থীসকলক পখিলাৰ জীৱনচক্ৰ আৰু জৈৱ বৈচিত্ৰ্যত ইয়াৰ ভূমিকা সম্পৰ্কে অধিক জ্ঞান আহৰণৰ সুযোগ প্ৰদান কৰিব। বিশ্ব পৰিৱেশ দিৱসৰ দৰে এক তাৎপৰ্যপূৰ্ণ দিনত আৰম্ভ হোৱা এই অভিনৱ প্ৰচেষ্টাই কেৱল সৰুপথাৰ মহাবিদ্যালয়কেই নতুন পৰিচয় প্ৰদান কৰা নাই, বৰঞ্চ সমগ্ৰ অঞ্চলটোত পৰিৱেশ সংৰক্ষণৰ প্ৰতি এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিছে। শিক্ষাৰ লগতে পৰিৱেশ আৰু জৈৱ বৈচিত্ৰ্য সংৰক্ষণৰ ক্ষেত্ৰত মহাবিদ্যালয়খনৰ এই উদ্যোগে আন শিক্ষানুষ্ঠানসমূহকো অনুপ্ৰাণিত কৰিব বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, "ৰং প্ৰজাপতি" বীথিকাই ভৱিষ্যতে ছাত্ৰ-ছাত্ৰী, গৱেষক আৰু প্ৰকৃতি প্ৰেমীসকলৰ বাবে এক মূল্যৱান জ্ঞানৰ ভঁৰাল হিচাপে পৰিগণিত হোৱাৰ পূৰ্ণ সম্ভাৱনা বহন কৰিছে। এই পদক্ষেপ সৰুপথাৰ মহাবিদ্যালয়ৰ শিক্ষা, গৱেষণা আৰু পৰিৱেশ সংৰক্ষণৰ প্ৰতি থকা দায়বদ্ধতাৰো এক উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে। সৰুপথাৰ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক সত্যব্ৰত দত্তই আঁত ধৰা এই পখিলাৰ বীথিকা উদ্বোধনী অনুষ্ঠানটোত মহাবিদ্যালয়খনৰ অধ্যক্ষা ডঃ প্ৰাপ্তি ঠাকুৰে বীথিকাৰ ফিতা কাটি শুভ উদ্বোধন কৰে। অনুষ্ঠানটোত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডঃ ববিতা দত্তকে ধৰি বহুকেইজন অধ্যাপক আৰু মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

জোৰশিমুলীত কুলাংগাৰ পুত্ৰৰ আক্ৰমণত আহত বৃদ্ধ পিতৃ-মাতৃসহ ৫ জন

অসম বাৰ্তা, গৰৈমাৰী, ৫ জুন ঃ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত জোৰশিমুলীৰ মহাবীৰ পথাৰত কালি সন্ধিয়া কুলাংগাৰ পুত্ৰ এগৰাকীৰ আক্ৰমণত বৃদ্ধ পিতৃ-মাতৃ, ভাতৃসহ ৫ গৰাকী লোক গুৰুতৰভাৱে আহত হয়। জানিব পৰামতে জোৰশিমুলী আৰক্ষী চকীৰ অন্তৰ্গত মহাবীৰ পথাৰ গাঁৱৰ উমেদ আলীৰ কুলাংগাৰ পুত্ৰ সমেজ উদ্দিনে ঘৰুৱা কাজিয়া এটাক লৈ পিতৃ-মাতৃক মাৰপিট কৰে। ইপিনে মাৰপিটৰ দৃশ্য উমেদ আলীৰ আন দুগৰাকী পুত্ৰ ক্ৰমে—তাহেজ উদ্দিন আলী আৰু মফিজুল হকে দেখা পাই বাধা প্ৰদান কৰাত দুয়োকে দা, ৰ'ডেৰে প্ৰচণ্ড মাৰপিট কৰে। উক্ত মাৰপিটত ভতিজী আজমিনা খাতুনো আহত হয়। কুলাংগাৰ পুত্ৰৰ আক্ৰমণত আহত পিতৃ-মাতৃ, দুই ভাতৃৰ লগতে ভতিজীক গৰৈমাৰী সামূহিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰায়। উক্ত ঘটনা সন্দৰ্ভত ভুক্তভোগীয়ে জোৰশিমুলী আৰক্ষী চকীত এজাহাৰ দাখিল কৰা বুলি জানিব পৰা গৈছে।

বৰগোলাইত বুঢ়ীদিহিং নদীত ডুবি যুৱকৰ মৃত্যু

অসম, বাৰ্তা, মাৰ্ঘেৰিটা, ৫ জুন ঃ তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা আৰক্ষী থানাৰ অন্তৰ্গত বৰগোলাইত বুঢ়ীদিহিং নদীত ডুবি এজন যুৱকৰ মৃত্যু হয়। প্ৰাপ্ত তথ্য অনুসৰি কালি বিয়লি ভাগত লগৰীয়াৰ সৈতে দিহিং নদীৰ পাৰলৈ গৈছিল। নদীৰ পাৰলৈ যোৱা যুৱকৰ দলটোৰ কেইজনমান নদীত নামিছিল। তাৰ ভিতৰত ৰুবুল দুৱৰা (২৪)নামৰ যুৱকজনে পানীৰ গভীৰ অংশ লৈ যোৱাত পানীত ডুব যায় বুলি প্ৰকাশ। লগৰীয়া সকলে উদ্ধাৰৰ চেষ্টা কৰাৰ সমান্তৰালভাৱে চিএঞৰ বাখৰ কৰাত গএঞা ৰাইজ উপস্থিত হৈ যুৱকজনৰ সন্ধান চলায়। ঘটনাটো প্ৰায় পাঁচ বজাত সংঘটিত হয় বুলি জানিব পৰা গৈছে। ঘটনাৰ বিষয়ে আৰক্ষীক অৱগত কৰাত ঘটনাস্থলীত আৰক্ষী ততাতৈয়াকৈ উপস্থিত হয়। আন্ধাৰৰ মাজতো উদ্ধাৰ অভিযান চলাই স্থানীয় লোকে বিচাৰি বিচাৰি ঘটনাস্থলীৰ পৰা প্ৰায় এক ডেৰ কিলোমিটাৰ দূৰত যুৱক জনৰ মৃতদেহ উদ্ধাৰ কৰে। আৰক্ষীয়ে যুৱকজনৰ মৃতদেহ মাৰ্ঘেৰিটা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আজি মৰণোত্তৰ পৰীক্ষাৰ পাছত এক শোকাকুল পৰিৱেশত যুৱক জনৰ শেষকৃত্য সম্পন্ন কৰা হয়। যুৱকজনৰ অকাল মৃত্যুত সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পৰিছে। মৃত যুৱকজন বৰগোলাই পঞ্চায়তৰ অন্তৰ্গত পে'-য়াৰ লাইনৰ নিবাসী সুৰল দুৱৰাৰ দ্বিতীয় পুত্ৰ বুলি জানিব পৰা গৈছে।

নলবাৰীৰ বনগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৯৭৩-৭৯ শিক্ষাবৰ্ষৰ সতীৰ্থসকলৰ বিশেষ বৈঠক

অসম বাৰ্তা, চামতা, ৫ জুন ঃ আজি নলবাৰী জিলাৰ ঐতিহ্যমণ্ডিত বনগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৯৭৩-৭৯ শিক্ষাবৰ্ষৰ সতীৰ্থসকলৰ একাংশ এক বৈঠকত মিলিত হয়। বিদ্যালয়খনৰ অধ্যক্ষৰ কাৰ্যালয়ত পুৱা ১১.৩০ বজাত ১৯৭৩-৭৯ শিক্ষাবৰ্ষৰ সতীৰ্থসকলৰ উক্ত বৈঠকখন অনুষ্ঠিত হয়। সতীৰ্থসকলে পূৰ্বতে যোৱাবৰ্ষৰ ৬ এপ্ৰিলত হৈ যোৱা সতীৰ্থ সন্মিলনৰ ৰাহি ধনেৰে বিদ্যালয়খনলৈ এটা ষ্টিল আলমিৰা দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু আজি উক্ত সিদ্ধান্তক কাৰ্যত পৰিণত কৰাৰ লগতে আজিৰ এই বৈঠকখন অনুষ্ঠিত কৰা হয়। বৈঠকখন সঞ্চালনা কৰে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি দিবাকৰ ডেকাই। বৰ্তমানৰ অধ্যক্ষা অৰ্চনা ভট্টাচাৰ্যই ভাষণত সতীৰ্থসকলৰ উক্ত কাৰ্যৰ শলাগ লয়। বিদ্যালয়খনৰ সদ্যঅৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা বনগাঁৱৰ জেকেকে শিক্ষা প্ৰতিষ্ঠানৰ পৰিচালন সঞ্চালক চিত্তৰঞ্জন শৰ্মাই সতীৰ্থসকলৰ পদক্ষেপৰ বাবে শলাগ লোৱাৰ উপৰি গঠনমূলক বক্তব্য অগবঢ়ায়। সতীৰ্থসকলৰ ফালৰ পৰা দুই এজনে বক্তব্য প্ৰকাশ কৰে। উক্ত বৈঠকত নলবাৰীৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা বনগাঁৱৰ জেকেকে শিক্ষা প্ৰতিষ্ঠানৰ কাৰ্যবাহী পৰিচালন সঞ্চালক ৰূপক বৈশ্য প্ৰমুখ্যে সতীৰ্থসকলৰ ভিতৰত নবি হুছেইন, পংকজ লোচন শৰ্মা, নবীন চন্দ্ৰ ভট্টাচাৰ্য, ভূপেন শৰ্মা, ৰিয়াজউদ্দিন আহমেদ, দিলীপ ভাগৱতী, ক্ষীতিশ ভাগৱতী, প্ৰদীপ ডেকা, আৰজেদ আলী, তৰণী সেন ডেকা, দিপালী দেৱী, প্ৰণতি ডেকা, বিপুল শৰ্মা আদি উপস্থিত থাকে। আগ্ৰহ আৰু সদিচ্ছা থাকিলে কৰিব নোৱাৰা কাম একো নাই। উল্লেখ্য যে, অৱসৰ গ্ৰহণৰ পিচতো এই সতীৰ্থসকলে বিদ্যালয়খনৰ প্ৰতি কৰ্মেৰে যি আনুগত্য দেখুৱালে, সেইটো ভৱিষ্যত প্ৰজন্মৰ বাবেও আদৰণীয় হৈ ৰ'ব বুলি উপস্থিত সকলোৱে অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে।

যুৱ সাহিত্যিক প্ৰকাশ কুঁইকেলৰ উপন্যাস "উলঝন" উন্মোচন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৫ জুন ঃ নেপালী সাহিত্যৰ প্ৰখ্যাত যুৱ সাহিত্যিক প্ৰকাশ কুইঁকেলৰ তৃতীয়খন কৃতি তথা প্ৰথম উপন্যাস 'উলঝন'-ৰ উন্মোচন আজি সম্পন্ন হয়। জ্যেষ্ঠ সাহিত্যিক অৰ্জুন উপ্ৰেতীয়ে উক্ত উপন্যাসখন উন্মোচন কৰে। উক্ত অনুষ্ঠানত অ'নেসাছ তামোলপুৰ জিলা সমিতি আৰু অ'নেসাছ ভোলাঝাৰ শাখাৰ বিষয়ববীয়া সকলৰ লগতে জ্যেষ্ঠ সাহিত্যিক পূৰ্ণ খড়কা, অৰ্জুন উপ্ৰেতী, কৃষ্ণৰাজ সাংগ্ৰৌলা, সমাজসেৱক তথা শিক্ষক হোমলাল শৰ্মা, দুৰ্গা বজগাঁই, ছবিলাল অ'লী, যুৱ কবি সন্তোষ সুবেদী, ৰাজু ন্যৌপানে, শিৱ চেত্ৰী, দীপিকা পৰাজুলী, নিৰ্মলা শৰ্মা, আদি সাহিত্যপ্ৰেমী আৰু ভাষাপ্ৰেমী বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিয়ে অনুষ্ঠানটোক অধিক গৌৰৱান্বিত কৰি তোলে। যুৱ সাহিত্যিক প্ৰকাশ কুইঁকেলৰ উপন্যাস 'উলঝন' এতিয়া পাঠক সমাজৰ বাবে বজাৰত উপলব্ধ। কৃতিখনে পাঠকমহলৰ পৰা ব্যাপক সঁহাৰি লাভ কৰাৰ লগতে লেখকৰ সাহিত্যিক যাত্ৰাক অধিক সমৃদ্ধ কৰি তুলিব বুলি আশা প্ৰকাশ কৰা হয়।

নতুন সমিতি গঠন; আলফা আলোচনাপন্থী গোটৰ বহু কেইগৰাকী সদস্যৰ আনুষ্ঠানিক যোগদান

ৰাষ্ট্ৰীয় হিন্দু ফ'ণ্ট, অসম প্ৰান্তৰ মৰিগাঁও জিলা সমিতিৰ সাধাৰণ সভা অনুষ্ঠিত

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ৫ জুন ঃ ৰাষ্ট্ৰীয় হিন্দু ফ'ণ্ট, প্ৰান্তৰ অন্তৰ্গত মৰিগাঁও জিলা সমিতিৰ এক গুৰুত্বপূৰ্ণ এখনি সাধাৰণ সভা মৰিগাঁও চৰাইবাহীত অনুষ্ঠিত হয়। এই সভাত সংগঠনটোৰ ভৱিষ্যৎ কাৰ্য্যসূচী আৰু শক্তিশালী সংগঠন গঢ়াৰ লক্ষ্যৰে এখন নতুন জিলা সমিতি গঠন কৰা হয়। ৰোহিণী কুমাৰ সভাপতিত্বত আৰু দিব্যজ্যোতি বৰকাকতিয়ে আপ ধৰা সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ৰাষ্ট্ৰীয় হিন্দু ফ'ণ্ট অসমৰ ৰাজ্যিক সভাপতি বলেন বৈশ্য আৰু কাৰ্যকৰী সভাপতি লোহিত দেউৰী, উপ সভাপতি পুলিন কাকতি, মহা সচিব ক্ৰমে দিনেশ গইঙা, জ্যোতিষমান ফামজং সহ বহু লোকে এই সভাত অংশগ্ৰহণ কৰে। সভাত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় হিন্দু ফ'ণ্টৰ ৰাজ্যিক বিষয় ববীয়া সকলে সংগঠনটোৰ উদ্দেশ্য আৰু কৰ্তব্যসমূহ বিষয়ে বিস্তৃতভাৱে ভাষণ আগবঢ়ায়। ৰাজ্যিক সভাপতি বলেন বৈশ্যয়ে নিজৰ ভাষণত নলবাৰী মাৰ্ধুয্য বৰ্মনৰ হত্যাকাণ্ড লগতে বৰ্তমান লাভ জেহাদ আৰু লেণ্ড জেহাদৰ কথা উল্লেখ কৰি কয় যে, বৰ্ত্তমান সময়ত একাংশ বিশেষ ধৰ্মীয় লোকৰ আগ্ৰাসন, অসমীয়া জীয়ৰী বোৱাৰী ওপৰত যি দৃষ্টি সেই দৃষ্টিক বাধা দিবলৈ আমাৰ ভৱিষ্যত প্ৰজন্ম সুৰক্ষা বাবে বৰ্তমান সময়ত হিন্দু সমাজৰ মাজত ঐক্য স্থাপন কৰাটো অত্যন্ত প্ৰয়োজনীয়। সকলোৰে মাজত ভ্ৰাতৃত্ববোধ আৰু সংহতি বৃদ্ধি কৰিলে সমাজখন অধিক শক্তিশালী হ'ব। তেতিয়াহে আমি অনাগত দিনত ভালদৰে জীয়াই থাকিব পাৰিব। তেখেতে লগতে সংগঠনৰ সদস্যসকলক একত্ৰিত হৈ সমাজসেৱামূলক কাম-কাজ আগবঢ়াবলৈ আহ্বান জনায়। কাৰ্যকৰী সভাপতি লোহিত দেউৰীয়েও নিজৰ বক্তব্যত সংগঠনৰ শৃংখলা, দায়িত্ববোধ আৰু একতা বজাই ৰাখি আগবাঢ়িবলৈ সদস্যসকলক উৎসাহিত কৰে। সভাৰ অন্তত ৰোহিণী কুমাৰক সভাপতি, দেৱ ৰাজাক কাৰ্যকৰী সভাপতি, ৰোহিণী, দেৱী আৰু মহেশ্বৰ ভৰালিক উপ সভাপতি, পুলিন কাকতিক সাধাৰণ সম্পাদক, পল্লৱ নাথক সহ সম্পাদকৰ দায়িত্ব দি এখন নতুন জিলা সমিতি গঠন কৰা হয়। য'ত বিভিন্ন পদত অভিজ্ঞ আৰু সক্ৰিয় সদস্যসকলক দায়িত্ব অৰ্পণ কৰা হয়। উপস্থিত সদস্যসকলে এই নতুন সমিতিক অভিনন্দন জনাই সংগঠনৰ উন্নতিৰ কামত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ প্ৰতিশ্ৰুতি প্ৰকাশ কৰে। এই সভাই মৰিগাঁও জিলাত ৰাষ্ট্ৰীয় হিন্দু ফ'ণ্টৰ সংগঠন শক্তিশালী কৰাৰ লগতে সমাজত একতা আৰু সচেতনতা বৃদ্ধিৰ ক্ষেত্ৰত এক নতুন দিশ উন্মোচন কৰিব বুলি আশা প্ৰকাশ কৰা হয়।

শিৱসাগৰত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ৫ জুন ঃ শিৱসাগৰ প্ৰেছ ক্লাবৰ উদ্যোগত আজি শিৱসাগৰ প্ৰেছ ক্লাবৰ প্ৰাংগণত আজি অনুষ্ঠিত কৰা হয় বিশ্ব পৰিৱেশ দিৱস। শিৱসাগৰ প্ৰেছ ক্লাবৰ ভাৰপ্ৰাপ্ত সম্পাদক হিমাংশু নেওগে পৰিচালনা কৰা এই পৰিৱেশ সজাগতা অনুষ্ঠানত নেচাৰ্চ বেকনৰ সমন্বয়ক জেহিৰুদ্দিন খানে কয় যে, ৭০ দশকত পৰা ব্যাপক উদ্যোগীকৰণ আৰু শিল্পায়নৰ বাবে সমগ্ৰ বিশ্বতে ব্যাপক হাৰত বনাঞ্চল ধ্বংসৰ জৰিয়তে মানৱ সভ্যতাক ধ্বংসৰ মুখলৈ ঠেলি দিয়া হৈছে। কেৱল ভাৰততেই নহয় সমগ্ৰ বিশ্বজুৰি চলা এনে প্ৰকৃতি ধ্বংসই সমগ্ৰ বিশ্বকে এদিন ধ্বংস কৰিব বুলি জেহিৰুদ্দিন খানে মন্তব্য কৰে। শিৱসাগৰৰ জেষ্ঠ সাংবাদিক মনিৰুল ইছলাম বড়াই কয় যে, ১৯৭২ চনৰ ৫ জুনত চুইডেনৰ ষ্টকহোমত মানৱ পৰিবেশ সন্মিলন অনুষ্ঠিত কৰাৰ পাছত ১৯৭৩ চনৰ ৫ জুনৰ পৰা বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰা হৈছে। অৰণ্য হৈছে পৃথিৱীৰ হাওঁফাওঁ। পৃথিৱী সুৰক্ষিত থাকিবলৈ হ'লে অৰণ্য থাকিবই লাগিব। গছ থাকিলেহে মানুহ থাকিব বুলি দেৱাল লিখন কৰাৰ বিপৰীতে সমগ্ৰ দেশজুৰি বণ ধ্বংস অব্যাহত ৰখাৰ বাবে ভাৰততো উষ্ণতা অস্বাভাৱিক ভাৱে বৃদ্ধি হৈছে। সমগ্ৰ বিশ্বৰ ৬০ ভাগৰ এক তৃতীয়াংশ অৰণ্য থাকিলেহে পৰিবেশ সুৰক্ষিত হব। এজোপা গছে উৎপাদন কৰা অক্সিজেনৰ মূল্য তিনিলাখ টকা। যি অক্সিজেন গ্ৰহণ কৰি আজিৰ বিশ্বৰ মানৱ জীয়াই আছে। আমাৰ ভাৰতৰ পৰিবেশ সুৰক্ষিত কৰি ৰাখিবলৈ হলে যুদ্ধকালীন তৎপৰতাৰে দেশত কমেও ৫০০ কোটি গছপুলি ৰোপণ কৰিব লাগিব বুলি মনিৰুল ইছলাম বড়াই মন্তব্য কৰে। সভাত অসম উন্নতি সভাৰ সাধাৰণ সম্পাদক শৰৎ হাজৰিকাই কয় যে, আমাৰ ভৱিষ্যত প্ৰজন্মক ভয়াবহ প্ৰদূষণ আৰু অস্বাভাৱিক উষ্ণতাৰ পৰা ৰক্ষা কৰিবলৈ হ'লে বিদ্যালয় সমূহত গছপুলি ৰোপণৰ উপকাৰীতা আৰু প্ৰকৃতিৰ সুৰক্ষাৰ ওপৰত বিশেষ পাঠদানৰ ব্যৱস্থা কৰিব লাগিব। নৱ প্ৰজন্মক প্ৰকৃতি ধ্বংসৰ ফলত বিশ্বলৈ আহিব পৰা ভয়ংকৰ ভৱিষ্যত সম্পৰ্কে সজাগ সচেতন কৰি প্ৰত্যেক ছাত্ৰ ছাত্ৰীক বছৰি কমেও দহজোপা গছপুলি ৰোপণ কৰিবলৈ পৰামৰ্শ দিব লাগিব বুলি শৰৎ হাজৰিকাই মন্তব্য কৰে। এই অনুষ্ঠানত স্থানীয় ৰাইজৰ মাজত শতাধিক মূল্যবান গছপুলি বিতৰণ কৰা হয়। এই অনুষ্ঠানত জেষ্ঠ সাংবাদিক ৰাতু কুমাৰ দাস, খাইৰুদ্দিন আহমেদ, মুস্তাকুৰ ৰহমান, প্ৰাঞ্জল ৰাজগুৰু, উমেশ বালদেৱা, চৰিফুল আহমেদ, অংকুশ দত্ত, সমাজকৰ্মী দেৱৰঞ্জন চুটীয়া, পিণ্টু পাঠককে ধৰি বহু কেইগৰাকী সমাজ সচেতন ব্যক্তি উপস্থিত থাকে। আনহাতে, আজি শিৱসাগৰ নগৰত স্বেচ্ছাসেৱী সংগঠন অনুভূতি, অসমীয়া যুৱ মঞ্চ আক্ৰাচুৰ উজনি আৰু মধ্য অসমৰ শিৱসাগৰ জিলা সমিতিয়েও বিশ্ব পৰিৱেশ দিৱস উপলক্ষে ৰাইজৰ মাজত গছপুলি বিতৰণ কৰে।

৫.২৫ শতাংশতে ৰেপ’ ৰেট অপৰিৱৰ্তিত ৰখাৰ

মূল্য বৃদ্ধি পোৱা আৰু ভাৰতৰ দৰে আমদানি নিৰ্ভৰশীল দেশৰ ওপৰত বিত্তীয় আৰু মুদ্ৰাস্ফীতিৰ চাপ বৃদ্ধি পোৱাৰ মাজতে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। শুকুৰবাৰে চলিত বিত্তীয় বৰ্ষৰ দ্বিতীয় দ্বি-মাহেকীয়া মুদ্ৰানীতিৰ কথা ঘোষণা কৰি আৰবিআইৰ গৱৰ্ণৰ সঞ্জয় মালহোত্ৰাই কয় যে এমপিচিয়ে সৰ্বসন্মতিক্ৰমে নিৰপেক্ষ স্থিতিৰে ৰেপ’ ৰেট বৰ্তমানৰ অৱস্থাতে অপৰিৱৰ্তিত ৰখাৰ সপক্ষে সিদ্ধান্ত লৈছে। গৱৰ্ণৰ মালহোত্ৰাই কয়, “পৰিৱৰ্তিত মেক্ৰ’ইকনমিক আৰু বিত্তীয় পৰিস্থিতিৰ লগতে ভৱিষ্যতৰ পূৰ্বানুমানৰ বিশদ মূল্যায়ন কৰাৰ পিছত এমপিচিয়ে সৰ্বসন্মতিক্ৰমে নীতিৰ ৰেপ’ ৰেট ৫.২৫ শতাংশত অপৰিৱৰ্তিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰে।” উল্লেখ্য যে ছয়জনীয়া সদস্যৰ মুদ্ৰা নীতি সমিতিয়ে বুধবাৰে (৩ জুন) তিনিদিনীয়া আলোচনা আৰম্ভ কৰিছিল। গ্ৰাহক মূল্য সূচকাংক (চিপিআই)ৰ আধাৰত খুচুৰা মুদ্ৰাস্ফীতি এপ্ৰিল মাহত ৩.৪৮ শতাংশত উপনীত হৈ আৰবিআইৰ মধ্যকালীন লক্ষ্য ৪ শতাংশৰ ওচৰ চাপি অহা সত্বেও কেন্দ্ৰীয় বেংকটোৱে এইবাৰো সুতৰ হাৰত কোনো পৰিৱৰ্তন কৰা নাই। গৱৰ্ণৰে আলোকপাত কৰি কয়, “অভূতপূৰ্ব প্ৰত্যাহ্বানৰ মাজত বিশ্ব অৰ্থনীতি ক’লা ডাৱৰে আৱৰি আছে।” তেওঁ দৃঢ়তাৰে উল্লেখ কৰে, “বৈশ্বিক অস্থিৰতাৰ এই পৰ্যায়ত ভাৰতীয় অৰ্থনীতিয়ে পূৰ্বৰ অনুৰূপ পৰিস্থিতিৰ তুলনাত বহু উন্নত মৌলিক দিশৰ সৈতে প্ৰৱেশ কৰিছে। আমাৰ সম্পূৰ্ণ বিশ্বাস যে আমি ন্যূনতম লোকচানৰ সৈতে এই জোকাৰণিৰ সন্মুখীন হ’ম।” কেন্দ্ৰীয় বেংকটোৱে ২০২৭ বিত্তীয় বৰ্ষৰ বাবে চিপিআই মুদ্ৰাস্ফীতিৰ প্ৰক্ষেপণ ৫.১ শতাংশলৈ বৃদ্ধি কৰিছে, যিটো পূৰ্বৰ অনুমান ৪.৬ শতাংশতকৈ অধিক। অনাগত মাহত বৰষুণৰ পৰিমাণ কম হোৱাৰ সম্ভাৱনা আৰু ইন্ধনৰ মূল্য বৃদ্ধিৰ বাবে মুদ্ৰাস্ফীতি আৰু অধিক বাঢ়িব পাৰে বুলি আশংকা কৰা হৈছে। ইফালে, আৰবিআয়ে চলিত বিত্তীয় বৰ্ষৰ জিডিপি বৃদ্ধিৰ প্ৰক্ষেপণ সংশোধন কৰি ৬.৯ শতাংশৰ পৰা ৬.৬ শতাংশলৈ হ্ৰাস কৰিছে। গৱৰ্ণৰে উল্লেখ কৰে যে শক্তিৰ মূল্য বৃদ্ধি আৰু যোগানৰ ব্যাঘাতৰ ফলত অৰ্থনৈতিক কাৰ্যকলাপত নেতিবাচক প্ৰভাৱ পৰাৰ সম্ভাৱনা আছে। এই ব্যয়ৰ চাপৰ প্ৰভাৱ ইতিমধ্যে স্পষ্ট হৈ পৰিছে। উল্লেখযোগ্য যে চলিত বৰ্ষৰ আৰম্ভণিৰে পৰা টকাৰ মূল্য অবিৰতভাৱে হ্ৰাস পাই আহিছে। ২০২৬ চনৰ ২০ মে’ত মাৰ্কিন ডলাৰৰ বিপৰীতে টকাৰ মূল্য ৯৬.৮৬ টকাৰ অভিলেখ স্পৰ্শ কৰিছিল। অৱশ্যে, ৰেপ’ ৰেট অপৰিৱৰ্তিত ৰখাৰ সিদ্ধান্তই অৰ্থনৈতিক স্থিৰতা বজাই ৰখাৰ প্ৰতি আৰবিআইৰ অগ্ৰাধিকাৰ সূচায়।

বিশ্ব পৰিৱেশ দিৱসত প্ৰধানমন্ত্ৰী মোদী, মুখ্যমন্ত্ৰী

কৰা বিভিন্ন পদক্ষেপৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে ভাৰতত ক্ৰমান্বয়ে সেউজীয়া পৰিৱেশৰ প্ৰসাৰ ঘটিছে। লগতে বহু দুষ্প্ৰাপ্য প্ৰাণীৰ জনসংখ্যাও বৃদ্ধি পাইছে বুলি তেওঁ গৰ্বৰ সৈতে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যম এ’ত (পূৰ্বৰ টুইটাৰ) নিজৰ বাৰ্তা পোষ্ট কৰে। পোষ্টটোত তেওঁ কয়, “বিশ্ব পৰিৱেশ দিৱসত সকলোকে জনাো শুভেচ্ছা। পৰিৱেশ সংৰক্ষণৰ প্ৰতি আগ্ৰহী প্ৰতিজন ব্যক্তিক মই অন্তৰৰ পৰা ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।” প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে কয়, “আজিৰ দিনটো আমাৰ পৰিৱেশ সুৰক্ষা আৰু বহনক্ষম উন্নয়নৰ প্ৰতি থকা সংকল্পক পুনৰ দৃঢ় কৰাৰ এক সুযোগ। বিগত দশকত আমাৰ চৰকাৰে গ্ৰহণ কৰা অসংখ্য প্ৰচেষ্টাৰ ফলত ভাৰতে বহু ডাঙৰ সফলতা অৰ্জন কৰিছে। সেউজ আৱৰণৰ সম্প্ৰসাৰণ আৰু বিলুপ্তপ্ৰায় প্ৰাণীৰ জনসংখ্যা বৃদ্ধি সেই সফলতাৰে অন্যতম। সামূহিক প্ৰচেষ্টা, সঠিক নীতি আৰু বিজ্ঞান আৰু উদ্ভাৱনৰ প্ৰতি থকা অটল বিশ্বাসৰ দ্বাৰা পৰিৱেশৰ উন্নতি সম্ভৱ—এই কথাটো ভাৰতৰ জনসাধাৰণে বাস্তৱত প্ৰমাণ কৰি দেখুৱাইছে।” অন্য ফালে, অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাইও বিশ্ব পৰিৱেশ দিৱস উপলক্ষে এক বিশেষ বাৰ্তা প্ৰদান কৰে। তেওঁ সামাজিক মাধ্যমত পোষ্ট কৰি কয়, “প্ৰকৃতি হৈছে আমাৰ অস্তিত্বৰ মূল আধাৰ। গতিকে পৰিৱেশ সংৰক্ষণৰ দায়িত্ব আমাৰ সকলোৰে সমানভাৱে আছে।” মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয়, “আজি বিশ্ব পৰিৱেশ দিৱসৰ এই শুভ দিনটোত আহক, আমি সকলোৱে এক সেউজীয়া আৰু সুস্থ পৃথিৱী গঢ়িবলৈ সংকল্পবদ্ধ হওঁ। এগৰাকী সজাগ নাগৰিক হিচাপে অন্ততঃ এটাই নহওক, এটিকৈ গছপুলি ৰোপণ কৰি আহক আমি প্ৰকৃতিৰ প্ৰতি নিজৰ দায়বদ্ধ মনোভাৱ প্ৰকাশ কৰো। আহক, আমি সমূহীয়াভাৱে এক সেউজ, নিৰ্মল আৰু বাসযোগ্য ভৱিষ্যত গঢ়ি তোলাৰ অভিযানত আগবাঢ়ো।” পৰিৱেশ প্ৰেমী আৰু সচেতন নাগৰিকে এই দিৱসক কেন্দ্ৰ কৰি ৰাজ্য-ৰাষ্ট্ৰ বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰী উভয়ৰে বাৰ্তাই পৰিৱেশ সুৰক্ষাৰ প্ৰতি থকা জৰুৰীকালীন প্ৰয়োজনীয়তাকে পুনৰুচ্চাৰ কৰিছে।

শিৱসাগৰ জিলাৰ পৰা ২০

বৰগোহাঁই। মন্ত্ৰিত্ব লাভৰ পাছত আবেগিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তেওঁ কয় যে শিৱসাগৰ জিলাৰ পৰা বিগত ২০ বছৰ ধৰি এই দীৰ্ঘদিনীয়া বিৰতিৰ পাছত মন্ত্ৰীসভাত স্থান লাভ কৰাটো তেওঁৰ বাবে এক গৌৰৱৰ দিন। বৰগোহাঁয়ে সংবাদ মাধ্যমৰ আগত কয়, “মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মোক এই দায়িত্ব দিছে। ইয়াৰ বাবে তেখেতলৈ মোৰ কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছো। যি দায়িত্ব পাইছো, সেই দায়িত্ব ৰাইজৰ হকে নিষ্ঠাৰে পালন কৰি যাম।” তেওঁ লগতে কয়, “মই কেতিয়াও মন্ত্ৰী হোৱাৰ বাবে ৰাজনীতি কৰা নাছিলো। মোক দায়িত্ব দিয়া হৈছে, আৰু সেই দায়িত্ব পালন কৰিম। জাতি, জনগোষ্ঠী, ধৰ্ম নিৰ্বিশেষে সমগ্ৰ অসমখনক আগুৱাই নিয়াৰ বাবে আমি কাম কৰিম। মন্ত্ৰী হিচাপে সমগ্ৰ অসমৰ বাবেই কাম কৰিব লাগিব। ৰামধেনুৰ দৰে অসমীয়া জাতি। সকলোকে লগত লৈ অসম আগুৱাই নিয়াই মোৰ লক্ষ্য।” প্ৰত্যাশাৰ প্ৰসঙ্গত সুশান্ত বৰগোহাঁয়ে কয়, “নিৰ্বাচনত প্ৰত্যাশা থাকে। কিন্তু মন্ত্ৰীৰ দায়িত্ব পাম বুলি কেতিয়াও ভবা নাছিলো। বিগত ২০ বছৰ ধৰি শিৱসাগৰ জিলাৰ পৰা মন্ত্ৰীসভাত কোনেও প্ৰতিনিধিত্ব পোৱা নাছিল। আজি সেয়া সম্ভৱ হৈছে।” মন্ত্ৰী হিচাপে কাম কৰাৰ পৰিৱেশ সম্পৰ্কে তেওঁ কয়, “আমাৰ দলত মন্ত্ৰী আৰু বিধায়কসকলে একেলগে কাম কৰাৰ পৰিৱেশ আছে। ইয়াত কোনো প্ৰতিযোগিতাৰ ঠাই নাই। মুখ্যমন্ত্ৰীৰ সহযোগী হিচাপে কাম কৰি যাম। মন্ত্ৰিত্ব লাভ কৰাৰ পাছত দায়িত্ববোধ বাঢ়িছে। এটা সুন্দৰ অনুভৱ হৈছে।”

জালুকবাৰীত বিধ্বংসী অগ্নিকাণ্ডত একেটা পৰিয়ালৰে

লক্ষ্মীপুৰৰ বুলি জানিব পৰা গৈছে। এই অগ্নিকাণ্ডৰ ফলত উক্ত পৰিয়ালটোৰ চাৰি সদস্যৰ মৃত্যু হোৱাৰ লগতে জ্বলি চাৰখাৰ হৈ যায় তেওঁলোকৰ বাসগৃহটো। লগতে এই অগ্নিকাণ্ডত জাহ যায় আন এটা বাসগৃহও। স্থানীয় লোকে জনোৱা অনুসৰি, বৃহস্পতিবাৰে মাজ নিশা চিলিণ্ডাৰ বিস্ফোৰণৰ ফলতে এই অগ্নিকাণ্ড সংঘটিত হয়। ঘটনাটো সংঘটিত হোৱাৰ পাছতে স্থানীয় লোকে খবৰ দিয়ে অগ্নিনিৰ্বাপক বাহিনী আৰু স্থানীয় আৰক্ষীক। খবৰ পোৱাৰ মাত্ৰে ঘটনাস্থলীত অগ্নিনিৰ্বাপক বাহিনীৰ লগতে SDRF, NDRF আৰু আৰক্ষীৰ দল উপস্থিত হৈ স্থানীয় লোকৰ সহযোগত এই জুই নিয়ন্ত্ৰণ কৰে। উল্লেখযোগ্য যে, মৃত লোককেইগৰাকী হৈছে- কুড্ডুছ আলী, কাজলী বেগম, ছফিকুল আলী, চাহিদ আলী। ইয়াৰে ভিতৰত শিশুৱো আছে। এখন হোটেলৰ পৰা অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱাৰ সন্দেহ ৰাইজৰ। তদুপৰি শ্বৰ্ট চাৰ্কিটৰ ফলত অগ্নিকাণ্ড সংঘটিত হোৱাৰ সন্দেহ একাংশৰ।

অৰুণাচলৰ চাংলাং-লংডিঙত আৰম্ভ ভাৰত-ম্যানমাৰ

জিলাত আৰম্ভ হৈছে ভাৰত-ম্যানমাৰ সীমান্তৰ ফেন্সিং বেৰ নিৰ্মাণৰ কাম। ২০২৪ চনত কেন্দ্ৰীয় গৃহ পৰিক্ৰমা মন্ত্ৰণালয়ে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায় ১, ৬৪৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ ভাৰত-ম্যানমাৰ সীমান্তত ফেন্সিং বেৰ দিয়াৰ এক অভিলাষী আঁচনি গ্ৰহণ কৰাত মণিপুৰ, নাগালেণ্ড, মিজোৰাম আদি ৰাজ্যৰ স্থানীয় জনগোষ্ঠীয়ে এই পদক্ষেপৰ তীব্ৰ বিৰোধিতা কৰিছিল যদিও যোৱা বছৰৰ পৰা অৰুণাচল প্ৰদেশৰ চাংলাং আৰু লংডিং জিলাত এই কাম আৰম্ভ হয়। সম্প্ৰতি উক্ত জিলা দুখনত ক্ৰমাগতভাৱে আগবাঢ়িছে এই কাম। সীমান্ত পথ সংগঠন, চমুকৈ বি আৰ অ’ই এই প্ৰকল্পটোৰ কাম সুকলমে আগবঢ়াই নিছে। চাংলাং জিলাত প্ৰথম পৰ্যায়ৰ প্ৰকল্পৰ অধীনত পৰিকল্পিত ৭.৩ কিলোমিটাৰ পথৰ ভিতৰত ইতিমধ্যে ৪.১৪ কিলোমিটাৰ বেৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে। চাংলাং জিলাৰ আয়ুক্ত বিশাল শ্বাহে এই সন্দৰ্ভত কয় যে পাংছাউ পাছ এলেকাৰ চাৰিওফালে এই পাইলট প্ৰজেক্টটো সুচাৰুৰূপে আগবাঢ়িছে। আমাৰ জিলাখনে ম্যানমাৰৰ সৈতে আটাইতকৈ দীঘলীয়া আন্তঃৰাষ্ট্ৰীয় সীমা ভাগ-বতৰা কৰিছে।” উল্লেখ্য যে, এই প্ৰকল্পটো ৰূপায়ণৰ ক্ষেত্ৰত সংস্থাটোৱে কিছু প্ৰত্যাহ্বানৰো সন্মুখীন হৈ আহিছে বিগত সময়ত। চলিত বৰ্ষৰ মাৰ্চ মাহত চাংলাং জিলাৰ ভাৰত-ম্যানমাৰ সীমান্তত ফেন্সিং বেৰৰ কামত নিয়োজিত এটা দলক সন্দেহযুক্ত উগ্ৰপন্থীয়ে গুলীচালনা কৰাৰ ফলত এজন আছাম ৰাইফলছৰ জোৱান আহত হৈছিল। এন এছ চি এন (কে-ৱা)ৰ সদস্যসকলে ফেঞ্চিং প্ৰকল্পত কাম কৰা দলটোক আক্ৰমণ কৰিছিল। উক্ত ঘটনাৰ পিছৰ পৰাই জিলাখনৰ ভাৰত-ম্যানমাৰ সীমান্তত পহৰা দিয়া আছাম ৰাইফলছে এই প্ৰকল্পৰ সৈতে জড়িত শ্ৰমিকসকলক নিৰাপত্তাৰ আৱৰণ প্ৰদান কৰি আছে। আনহাতে, লংডিং জিলাত প্ৰথম পৰ্যায়ত প্ৰস্তাৱিত মুঠ ২০.৫ কিলোমিটাৰ এলেকাত এতিয়ালৈকে কেৱল এপ্ৰ’চ ৰোড নিৰ্মাণৰ কামহে আৰম্ভ হৈছে। এইক্ষেত্ৰত লংডিং জিলাৰ আৰক্ষী অধীক্ষক ডেকিঅ’ গুমজাই কয় যে সীমান্ত পোষ্ট (বিপি) ১৫৬ৰ পৰা বিপি ১৬০লৈকে অংশটোক বেৰ দিয়াৰ প্ৰস্তাৱ দিয়া হৈছে। বহু অঞ্চলত এই ভূখণ্ড অত্যন্ত প্ৰত্যাহ্বানজনক আৰু সেয়েহে এতিয়াৰ বাবে তাত বেৰ দিয়াৰ কামৰ পৰিকল্পনা কৰা হোৱা নাই। স্মৰ্তব্য যে, কাযৰীয়া টিৰাপ জিলাত এতিয়াও এই প্ৰকল্প আৰম্ভ হোৱা নাই। জিলা প্ৰশাসনে বি পি ১৬০ৰ পৰা ১৬২ বি পিলৈ ভূমি বি আৰ অ’ক অৰ্পণ কৰিছে। টিৰাপ জিলাৰ আয়ুক্ত টেচু আৰানে কয়, “টিৰাপত বিপি ১৬০ৰ পৰা বিপি ১৬৪লৈকে সীমান্ত বেৰ দিয়াৰ পৰিকল্পনা কৰা হৈছে। আমি বিপি ১৬০ৰ এটা অংশ লংডিং জিলাৰ সৈতে ভাগ কৰিছো। আমি বিপি ১৬০ৰ পৰা বিপি ১৬২লৈকে বিআৰঅ’ক মাটি অৰ্পণ কৰিছো।” তেওঁ লগতে কয় যে বি পি ১৬৩ আৰু বি পি ১৬৪ৰ মাজৰ মাটি এতিয়াও বি আৰ অ’ক গতাই দিয়া হোৱা নাই। উল্লেখযোগ্য যে, ভাৰতে ম্যানমাৰৰ সৈতে প্ৰায় ১, ৬৪৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ সীমান্ত ভাগ কৰে। যিখিনি অৰুণাচল প্ৰদেশ (৫২০ কিলোমিটাৰ), নাগালেণ্ড (২১৫ কিলোমিটাৰ), মণিপুৰ (৩৯৮ কিলোমিটাৰ) আৰু মিজোৰাম (৫১০ কিলোমিটাৰ) ৰাজ্যৰ মাজেৰে পাৰ হৈ যায়। এই এলেকাত উগ্ৰপন্থীৰ কাৰ্যকলাপ যথেষ্ট পৰিমাণে বেছি। এই ১, ৬৪৩ কিলোমিটাৰ জোৰা এক সুদীৰ্ঘ ভাৰত-ম্যানমাৰ সীমান্ত পূৰ্বতে মুক্ত আন্দোলন শাসন অৰ্থাৎ এফ এম আৰ (Free Movement Rule)ৰ অধীনত পৰিচালিত হৈছিল। ২০১৮ চনত আৰম্ভ কৰা এই এফ এম আৰ নীতি ভাৰতৰ এ” ইষ্ট নীতিৰ এক উপাদান আছিল। ইয়াৰ দ্বাৰা ভাৰত-ম্যানমাৰ সীমান্তৰ ওচৰত বাস কৰা ব্যক্তিসকলক ভিছা অবিহনে ইজনে সিজনৰ অঞ্চললৈ ১৬ কিলোমিটাৰ পৰ্যন্ত যাবলৈ অনুমতি আছিল। গুৰুত্বপূৰ্ণ কথা এয়ে যে উত্তৰ-পূৰ্বাঞ্চলৰ বিদ্ৰোহী সংগঠন (Extremist group of North East) ক্ৰমে - এন এছ চি এন, আলফা আৰু পি এল এৰ তিনিটা প্ৰধান গোটৰ শিবিৰ ভাৰত-ম্যানমাৰ সীমান্তৰ সিপাৰে আছে, য’ৰ পৰা গোটসমূহে নিজৰ স্থিতি নিশ্চিত কৰিবলৈ বিভিন্ন কাম-কাজত লিপ্ত হয়। এই গোটসমূহে বিভিন্ন সময়ত চলাই আহিছে ধন সংগ্ৰহৰ এক ৰেকেট। ভাৰত-ম্যানমাৰ সীমান্তৰ সিপাৰে থকা সামৰিক শিবিৰসমূহত নেতৃত্বৰ লগতে কেডাৰসকলেও তেওঁলোকৰ উপস্থিতি বজাই ৰাখে কেৱল ৰাজহ সংগ্ৰহৰ লক্ষ্যৰে। অৰুণাচল প্ৰদেশৰ চাংলাং আৰু লংডিং জিলাত আৰম্ভ হোৱা ভাৰত-ম্যানমাৰ সীমান্তৰ ফেন্সিং বেৰ নিৰ্মাণৰ ফলত ভাৰত-ম্যানমাৰ সীমান্তত বিদ্ৰোহী গোটৰ কাৰ্যকলাপ কিছু ৰোধ হ’ব বুলি কেন্দ্ৰৰ তৰফৰ পৰা কোৱা হৈছে।

১২ গৰাকী নতুন মন্ত্ৰীয়ে

মন্ত্ৰী অতুল বৰা, লগতে কেইবাগৰাকী বিধায়ক আৰু অন্যান্য বিশিষ্ট ব্যক্তি। শুকুৰবাৰে মন্ত্ৰীৰূপে শপত গ্ৰহণ কৰা ১২ গৰাকী বিধায়ক হৈছে- ডাঃ ৰণোজ পেগু, অশ্বিনী ৰায় সৰকাৰ, বিশ্বজিৎ দৈমাৰী, পীযুষ হাজৰিকা, অশোক সিংহল, কৃষ্ণেন্দু পাল, নীলিমা দেৱী, জয়ন্ত মল্ল বৰুৱা, কৌশিক ৰায়, বিমল বড়া, সুশান্ত বৰগোহাঁই আৰু কেশৱ মহন্ত। বিশেষ উল্লেখযোগ্য যে গোলকগঞ্জ সমষ্টিৰ পৰা প্ৰথমবাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত হোৱা অশ্বিনী ৰায় সৰকাৰে অসমীয়াতে শপতবাক্য পাঠ কৰে। আনহাতে পীযুষ হাজৰিকা, অশোক সিংহল, বিশ্বজিৎ দৈমাৰী, জয়ন্ত মল্ল বৰুৱা, কেশৱ মহন্ত, নীলিমা দেৱী, ডাঃ ৰণোজ পেগু আৰু সুশান্ত বৰগোহাঁয়েও অসমীয়াতে শপত গ্ৰহণ কৰে। ইফালে কৌশিক ৰায়ে শপতবাক্য পাঠ কৰে হিন্দী ভাষাত। পুনৰ মন্ত্ৰিত্ব লাভ কৰা কৃষ্ণেন্দু পালে বাংলাত, আৰু বিমল বড়াই সংস্কৃত ভাষাত শপত পাঠ কৰি অনুষ্ঠানটোত বৈচিত্ৰ্যৰ সৃষ্টি কৰে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ দ্বিতীয় কাৰ্যকালত কেইবাগৰাকী বিধায়কে প্ৰথমবাৰৰ বাবে মন্ত্ৰিত্ব লাভ কৰিছে। তেওঁলোক হৈছে- গোলকগঞ্জৰ বিধায়ক অশ্বিনী ৰায় সৰকাৰ, বিশ্বজিৎ দৈমাৰী, নীলিমা দেৱী, ৰামেশ্বৰ তেলী আৰু সুশান্ত বৰগোহাঁই। উল্লেখ্য যে মন্ত্ৰী হিচাপে শপত লোৱাৰ পূৰ্বে কেইবাগৰাকী বিধায়কে কামাখ্যা মন্দিৰত উপস্থিত হৈ আশীৰ্বাদ গ্ৰহণ কৰে। ইয়াৰ পূৰ্বে ১২ মে’ত মুখ্যমন্ত্ৰী হিচাপে ডঃ হিমন্ত বিশ্ব শৰ্মাই, মন্ত্ৰী হিচাপে অজন্তা নেওগ, অতুল বৰা, চৰণ বড়ো আৰু ৰামেশ্বৰ তেলীয়ে শপত গ্ৰহণ কৰিছিল। শুকুৰবাৰে শপত গ্ৰহণ কৰা ১২ গৰাকী মন্ত্ৰী যোগ হোৱাত মুখ্যমন্ত্ৰীগৰাকীকে ধৰি বৰ্তমান অসম মন্ত্ৰীসভাৰ মুঠ সদস্য সংখ্যা হৈছে ১৭ জন। উল্লেখ্য যে সাংবিধানিক বিধি অনুসৰি মুখ্যমন্ত্ৰীসহ অসমৰ মন্ত্ৰীসভাৰ মুঠ সদস্য সংখ্যা ১৯ জনতকৈ অধিক হ’ব নোৱাৰে। সেই অনুসৰি বৰ্তমান মন্ত্ৰীসভাত দুখন আসন এতিয়াও খালী হৈ আছে।

ৰাজ্যত ৫ বছৰত ২৫ হাজাৰ একৰ বনভূমি বেদখলমুক্ত !

পৰিৱেশ দিৱস। এই দিৱসৰ প্ৰাকক্ষণতে প্ৰকৃতি ৰক্ষাৰ বাবে এনডিএ চৰকাৰে গ্ৰহণ কৰা ইতিবাচক পদক্ষেপসমূহৰ বিষয়ে উদাহৰণসহ ব্যাখ্যা কৰে মেধিয়ে। ৰাজ্যিক বিজেপি মুখপাত্ৰগৰাকীয়ে কয় যে পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দিনত কেৱল মুনাফাৰ স্বাৰ্থত চৰকাৰৰ শীৰ্ষ বিষয়াসকলে বনধ্বংস অভিযান চলাইছিল। তেওঁৰ মতে, সেই সময়ত অবাধে গছ কটা, বনভূমি আৰু জলাশয় বেদখল কৰাটো নিত্য-নৈমিত্তিক ঘটনা আছিল। মেধিয়ে অভিযোগ কৰে, “কংগ্ৰেছ চৰকাৰৰ দিনত বন বিভাগৰ মন্ত্ৰী, বিষয়া আৰু কৰ্মচাৰীসকল বনদস্যুৰ ৰূপত অৱতীৰ্ণ হৈছিল। গঁড় হত্যা আছিল প্ৰতিটো দিনৰ দুঃসংবাদ।” ইয়াৰ বিপৰীতে বিজেপি মুখপাত্ৰগৰাকীয়ে দাবী কৰে যে সৰ্বানন্দ সোণোৱাল আৰু ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন এনডিএ চৰকাৰে যুগ যুগ ধৰি চলি অহা বন ধ্বংসযজ্ঞৰ অৱসান ঘটাইছে। তেওঁ কয় যে বেদখলকাৰীৰ কবলত পৰা বনভূমি আৰু জলাশয় উদ্ধাৰ কৰিবলৈ বৰ্তমান চৰকাৰ সক্ষম হৈছে। মেধিয়ে এক গুৰুত্বপূৰ্ণ তথ্য দাঙি ধৰি কয়, “বিগত ৫ বছৰতেই ২৫ হাজাৰ একৰতকৈও অধিক বনভূমি বেদখলমুক্ত কৰা হৈছে।” তেওঁ এই সন্দৰ্ভত কেইটামান উদাহৰণও আগবঢ়ায়।

শপত গ্ৰহণৰ দিনাই বিৰুবাৰীত বুলড’জাৰ

ভূমি উচ্ছেদ কৰিবলৈ আৰম্ভ কৰে। বিৰুবাৰীত অৱস্থিত যক্ষ্মা ৰোগৰ চিকিৎসালয়ৰ বৃহৎ পৰিমাণৰ চৰকাৰী ভূমি দীৰ্ঘদিন ধৰি বেদখল কৰি আছিল একাংশ লোকে। ৰাম কৃষ্ণ পথৰ সমীপৰ এই ভূমিত সুৰবালা বৰদলৈ নগৰ নামেৰে এক আবাসিক অঞ্চল গঢ় লৈ উঠিছিল। প্ৰশাসনৰ তথ্য অনুসৰি, মুঠ ৯ বিঘা, ১০ কঠা, ৩ লেচা চৰকাৰী ভূমি বেদখল কৰি থকা হৈছিল। যক্ষ্মা ৰোগৰ চিকিৎসালয়খন চিকিৎসা মহাবিদ্যালয়লৈ উন্নীতকৰণৰ বাবে তাত আন্তঃগাঁথনিৰ কাম আৰম্ভ হৈছিল। মেডিকেল কাউন্সিল অৱ ইণ্ডিয়াৰ নিয়ম অনুসৰি হোষ্টেল আৰু অন্যান্য আন্তঃগাঁথনিৰ কামৰ বাবে এই ভূমি বেদখলমুক্ত কৰাটো অত্যন্ত প্ৰয়োজনীয় হৈ পৰিছিল। পূৰ্বতে চৰকাৰে বেদখলকাৰীসকলক স্বেচ্ছাই ভূমি খালী কৰি দিবলৈ জাননী জাৰি কৰিছিল। কিন্তু তেওঁলোকে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাষ চাপে। ন্যায়ালয়ত গোচৰটোৰ শুনানি চলি থকাৰ বাবে প্ৰশাসনে উচ্ছেদ অভিযান চলাব পৰা নাছিল। অৱশেষত শেহতীয়াকৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে প্ৰশাসনক উচ্ছেদ অভিযান চলাবলৈ নিৰ্দেশ দিয়ে। সেই নিৰ্দেশৰ পাছতেই শুকুৰবাৰৰ পৰা এই অভিযান আৰম্ভ কৰা হয়। উচ্ছেদ অভিযানৰ নেতৃত্ব দিয়া ৰাজহ চক্ৰ বিষয়াগৰাকীয়ে জানিবলৈ দিয়া মতে, প্ৰশাসনে যক্ষ্মা চিকিৎসালয়ৰ নামত থকা মাটি বেদখল কৰি থকা মুঠ ৬৫টা পৰিয়ালক চিনাক্ত কৰিছে। ইয়াৰে ৮টা পৰিয়ালৰ ভূমি সংক্ৰান্তিয় কিছু নথি-পত্ৰ থকাৰ বাবে তেওঁলোকক বাদ দি বাকী ৫৭টা পৰিয়ালৰ বিৰুদ্ধে আজিৰ পৰা উচ্ছেদ অভিযান আৰম্ভ কৰা হয়। প্ৰথম দিনাই পকী ঘৰ, টিনৰ ঘৰ, পকী বেৰ আদিত বুলডজাৰ চলোৱা হয়। অভিযানৰ সময়ত কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি হোৱা নাছিল বুলি প্ৰশাসনে জানিবলৈ দিয়ে। ৰাজহ চক্ৰ বিষয়াগৰাকীয়ে সদৰি কৰা মতে, উচ্ছেদ অভিযানত ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালসমূহক চৰকাৰে পুনঃসংস্থাপনৰ বাবে ৫ লাখ টকাকৈ সাহায্য প্ৰদান কৰিব। উল্লেখযোগ্য যে এই অবৈধ বেদখল ভূমিত চৰকাৰী পথকে ধৰি অন্যান্য আন্তঃগাঁথনি আৰু সা-সুবিধা প্ৰদান কৰা হৈছিল। বিৰুবাৰীৰ এই বেদখল ভূমিত গঢ়ি উঠা সুৰবালা নগৰলৈ যোৱা এটা পথ পূৰ্বৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যই তেওঁৰ কাৰ্যকালতে নিৰ্মাণ কৰি দিছিল। অসমৰ প্ৰথম মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ পত্নী তথা প্ৰাক্তন বিধায়ক ৰবীন বৰদলৈৰ মাতৃ সুৰবালা বৰদলৈৰ নামেৰে সেই পথটোৰ নামকৰণ কৰা হৈছিল। উল্লেখ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বেদখল ভূমি উচ্ছেদৰ ক্ষেত্ৰত কঠোৰ নীতি অৱলম্বন কৰি আহিছে। শুকুৰবাৰে নতুন মন্ত্ৰীসভাই শপত লোৱাৰ লগে লগেই এই অভিযান আৰম্ভ হোৱাত ৰাজনৈতিক মহলত চৰ্চাৰ সৃষ্টি হৈছে।

চুৰাটত কংগ্ৰেছক আক্ৰমণ

সম্বোধন কৰে। সভাত প্ৰধানমন্ত্ৰী মোদীয়ে চুৰাটৰ ‘চাৰ্কুলাৰ ৰাটাৰ ইক’নমি’ৰ প্ৰশংসা কৰি কয় যে এতিয়া প্ৰয়াস এয়াই যে অহা কেইবাটাও দশক ধৰি চুৰাটৰ বাবে খোৱাপানীৰ সম্পূৰ্ণ ব্যৱস্থা উপলব্ধ হয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, “আজি দেশৰ কিছুমান হতাশাবাদী লোকে আত্মনিৰ্ভৰ ভাৰত অভিযানক লৈ উপহাস কৰে। কিছুমানে ভাৰতক হেয় প্ৰতিপন্ন কৰিব বিচাৰে। এইসকলেই সেই লোক যিয়ে সদায় ভাৰতক আন দেশৰ ওপৰত নিৰ্ভৰশীল কৰি ৰাখিছিল। তেওঁলোকে পাহৰি যায় যে আনৰ ওপৰত নিৰ্ভৰশীল দেশে কেতিয়াও সেই উন্নয়নৰ উচ্চতা লাভ কৰিব নোৱাৰে যাৰ বাবে ই যোগ্য।” মোদীয়ে গুৰুত্ব আৰোপ কৰি কয়, “ভাৰত নেতিবাচকতাৰ পৰা ওলাই আহিছে। এয়া আশাবাদেৰে ভৰপূৰ আৰু অসাধাৰণ আকাংক্ষাৰে প্ৰেৰিত এক ৰাষ্ট্ৰ। ভাৰতৰ নাগৰিকসকল সপোন আৰু দৃঢ় সংকল্পেৰে ভৰপূৰ। যেতিয়া ৰাষ্ট্ৰৰ সামূহিক ইচ্ছাশক্তি ইমান দৃঢ় হয়, তেতিয়া ই যিকোনো লক্ষ্যত উপনীত হ’ব পাৰে।” প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাইজক উদ্দেশ্যি কয়, “আপোনালোক দুখোজ আগবাঢ়িব, মই তিনিখোজ আগবাঢ়িবলৈ সাজু আছোঁ। থমকি ৰোৱা আৰু ভাগৰি পৰাটো আমাৰ বাবে গ্ৰহণযোগ্য নহয়। কোনো এটা দলেই ইমান দীৰ্ঘদিন ধৰি জনসাধাৰণৰ আশীৰ্বাদ লাভ কৰা নাই। জনসাধাৰণে আমাৰ সেৱা-ভাৱক সমৰ্থন জনাইছে। আমি বিকশিত ভাৰতৰ সংকল্পক সিদ্ধ কৰিব লাগিব।” প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কংগ্ৰেছক আক্ৰমণ কৰি কয়, “বিগত ১২ বছৰ ধৰি কংগ্ৰেছে ভাৰতত অৰাজকতা আৰু অনিশ্চয়তা সৃষ্টি কৰি সুযোগৰ সন্ধান কৰি আহিছে, কিন্তু দেশৰ জনসাধাৰণে বাৰে বাৰে তেওঁলোকক উপযুক্ত উত্তৰ দিছে।” তেওঁ গুজৰাটৰ প্ৰসঙ্গ উল্লেখ কৰি কয়, “গুজৰাটৰ জনসাধাৰণে কংগ্ৰেছক একাষৰীয়া কৰি দিছে। কিন্তু যিবোৰ ঠাইত কংগ্ৰেছ চৰকাৰ আছে, তাৰ জনসাধাৰণো দলটোৰ কুশাসনত অতিষ্ঠ হৈ পৰিছে।” প্ৰধানমন্ত্ৰী মোদীয়ে কয়, “অলপতে হিমাচল প্ৰদেশত পৌৰসভা আৰু স্থানীয় নিকায়ৰ নিৰ্বাচন অনুষ্ঠিত হৈছিল। তাত কংগ্ৰেছ চৰকাৰ থকাৰ পাছতো দলটোৱে শোচনীয় পৰাজয়ৰ সন্মুখীন হ’বলগীয়া হয়। হিমাচল প্ৰদেশৰ ৰাইজে কংগ্ৰেছৰ কুশাসনক প্ৰত্যাখ্যান কৰিছে।” তেওঁ লগতে কয়, “ইয়াৰ পূৰ্বে কংগ্ৰেছে হাৰিয়ানাতো স্থানীয় নিকায়ৰ নিৰ্বাচনত পৰাজিত হৈছিল। পঞ্জাৱৰ ৰাইজেও দলটোক স্পষ্ট বাৰ্তা দিছে যে অৰাজকতাৰ মাজত সুযোগ বিচাৰি উলিওৱাৰ কংগ্ৰেছৰ ৰাজনীতি নচলিব।” প্ৰধানমন্ত্ৰী গৰাকীয়ে কৰ্ণাটকৰ প্ৰসঙ্গও উল্লেখ কৰি কয়, “কৰ্ণাটকৰ জনসাধাৰণৰ মাজতো কংগ্ৰেছ চৰকাৰক লৈ তীব্ৰ অসন্তুষ্টি দেখা গৈছে। এই কাৰণেই দলটোৱে তাত নিজৰ মুখ্যমন্ত্ৰী সলনি কৰিবলগীয়া হৈছে।” প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই ভাষণে অহা দিনবোৰত ৰাজনৈতিক মহলত যথেষ্ট চৰ্চাৰ সৃষ্টি কৰিব বুলি অনুমান কৰা হৈছে।

মন্ত্ৰীসভা সম্প্ৰসাৰণত স্থান

বৰদলৈ আৰু ভূপেন বৰা। যদিও তেওঁলোকৰ নাম মন্ত্ৰিত্বৰ বাবে চৰ্চাত আছিল, শেষ পৰ্যন্ত তেওঁলোকে স্থান নাপালে। শুকুৰবাৰে গুৱাহাটীৰ খানাপাৰাস্থিত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত অনুষ্ঠিত শপতগ্ৰহণ অনুষ্ঠানত ১২ গৰাকী বিধায়কক মন্ত্ৰীৰূপে শপত বাক্য পাঠ কৰোৱায় ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই। এই অনুষ্ঠানত উপস্থিত আছিল প্ৰদ্যুৎ বৰদলৈ আৰু ভূপেন বৰাও। মন্ত্ৰিত্ব লাভ কৰিবলৈ সক্ষম নোহোৱা দুই নেতাই অনুষ্ঠানৰ পাছত সংবাদ মাধ্যমৰ সৈতে নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰে। বিধায়ক প্ৰদ্যুৎ বৰদলৈয়ে কয়, “এইটো মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভাৰ দ্বিতীয় সম্প্ৰসাৰণ। যিসকলে মন্ত্ৰিত্ব লাভ কৰিছে, তেওঁলোক আটাইকেইজন দক্ষ বুলি জনাজাত। নতুন মুখো আছে, পুৰণা মুখো আছে। আজি শপত গ্ৰহণ কৰা মন্ত্ৰীসভাখন অসমৰ সমগ্ৰ জনজীৱনৰ প্ৰতিবিম্ব। মন্ত্ৰীসভাখন যথেষ্ট সন্তুলিত, আৰু তেওঁলোকৰ অভিজ্ঞতা আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত এই মন্ত্ৰীসভাই অসম আগুৱাই নিয়াৰ কাৰ্যত সফলতাৰে কাম কৰিব বুলি মই বিশ্বাস কৰোঁ।” মন্ত্ৰিত্ব পাব বুলি থকা চৰ্চা সন্দৰ্ভত বিধায়ক ভূপেন বৰাই কয়, “আশা-নিৰাশাৰ কথা নহয়। চৰ্চা সংবাদ মাধ্যমেহে কৰে। মুঠ ১০২ গৰাকী বিজেপি বিধায়ক আছে। মন্ত্ৰীসভা যিমানেই বিস্তৃত কৰক নহওক, ৮৫ গৰাকী বিধায়কে মন্ত্ৰী হোৱাৰ সুযোগ নাপায়। সেই ৮৫ গৰাকীৰ ভিতৰত ময়ো আছো। গতিকে মই অকলে বাদ পৰা নাই, ৮৫ গৰাকী বিধায়কেই বাদ পৰিছে। সাংবিধানিক বিধি অনুসৰি মাত্ৰ ১৯ গৰাকীয়ে মন্ত্ৰিত্ব লাভ কৰিব পাৰে।” মন্ত্ৰীসভা সম্প্ৰসাৰণ সন্দৰ্ভত ভূপেন বৰাই কয়, “বিজেপিয়ে ভিজন ডকুমেণ্টৰ যোগেদি ৰাইজক দিয়া প্ৰতিশ্ৰুতিৰ কথা উল্লেখ কৰি কওঁ যে সেই প্ৰতিশ্ৰুতি বাস্তৱায়ন কৰাটো চৰকাৰৰ মূল দায়িত্ব। মই নিশ্চিত যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ গতিশীল নেতৃত্বত শপত লোৱা মন্ত্ৰীসকলে সেই প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ সক্ষম হ’ব।” তেওঁ লগতে কয়, “এসময়ত ৩০-৩৫ গৰাকীলৈকে মন্ত্ৰী লোৱাৰ ব্যৱস্থা আছিল। তেতিয়া আক্ষেপ কৰিব পাৰিলেহেঁতেন। কিন্তু এতিয়া জাতি, ধৰ্ম, অঞ্চল, উপজাতি আদি সকলো দিশ সামৰি মন্ত্ৰীসভা গঠন কৰা হৈছে। মই ন-মন্ত্ৰীসকলক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো।” উল্লেখ্য যে শুকুৰবাৰে সম্প্ৰসাৰিত মন্ত্ৰীসভাৰ শপতগ্ৰহণৰ পাছত সন্ধিয়াতে কেবিনেট বৈঠক অনুষ্ঠিত কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

খান চাৰৰ বিৰুদ্ধে আৰক্ষীৰ

অঞ্চলত থকা খান গ্লোবেল ষ্টাডিজ নামৰ ক’চিং প্ৰতিষ্ঠানখনৰ সন্মুখত একাংশ লোকে উপদ্ৰৱ চলাই শিলগুটি নিক্ষেপ কৰাৰ লগতে ভাঙি-ছিঙি লণ্ডভণ্ড কৰে। এই ঘটনাৰ পিছতে পৰিস্থিতি অধিক ভয়াৱহ হৈ পৰে আৰু তাত গুলীচালনাৰ দৰে ঘটনাও সংঘটিত হয়। সমগ্ৰ ঘটনা সন্দৰ্ভত পাটনা আৰক্ষীয়ে খান চাৰ আৰু আন দুজন ব্যক্তিৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, ২ জুনৰ নিশা প্ৰায় ১০: ১০ বজাত এই আক্ৰমণৰ ঘটনাটো ঘটিছিল। ঘটনাৰ পিছতে আৰক্ষীয়ে তদন্ত আৰম্ভ কৰে আৰু এটা ভিডিঅ’ উদ্ধাৰ কৰে, য’ত ক’চিং চেণ্টাৰটোৰ দুজন নিৰাপত্তাৰক্ষীক শূন্যলৈ গুলী চলোৱা দেখা গৈছিল। এই ভিডিঅ’টোৰ আধাৰতে আৰক্ষীয়ে প্ৰতিষ্ঠানখনৰ সৈতে জড়িত দুজন নিৰাপত্তাৰক্ষীক গ্ৰেপ্তাৰ কৰিছে আৰু তেওঁলোকৰ হাতৰ পৰা অস্ত্ৰ-শস্ত্ৰসমূহ জব্দ কৰি ফৰেনছিক পৰীক্ষাগাৰলৈ প্ৰেৰণ কৰিছে। সমগ্ৰ ঘটনাক উচতনি দিয়াৰ অভিযোগত ভাৰতীয় ন্যায় সংহিতা আৰু অস্ত্ৰ আইনৰ অধীনত খান চাৰৰ বিৰুদ্ধে এই গোচৰ ৰুজু কৰা হৈছে। এই সংঘাতৰ সময়ত এজন নিৰাপত্তাৰক্ষী আহত হয় আৰু তেওঁক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। এই ঘটনাৰ পিছদিনা অৰ্থাৎ ৩ জুনত ক’চিং চেণ্টাৰটোৰ সন্মুখত সহস্ৰাধিক ছাত্ৰ-ছাত্ৰী সমৱেত হৈ প্ৰতিবাদ সাব্যস্ত কৰে। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ নিৰাপত্তা আৰু ন্যায়ৰ দাবীত বিভিন্ন শ্লোগান দিয়ে, যাৰ ফলত অঞ্চলটোত তীব্ৰ উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হয়। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ অঞ্চলটোত বৃহৎ সংখ্যক নিৰাপত্তাৰক্ষী মোতায়েন কৰিবলগীয়া হয়। আনহাতে পাটনা আৰক্ষীয়ে ছাত্ৰ সমাজক ক’চিং প্ৰতিষ্ঠানসমূহৰ মাজত থকা ব্যৱসায়িক প্ৰতিযোগিতা বা শত্ৰুতাৰ বলি নহ’বলৈ আৰু কাৰো উচতনিত ভোল নাযাবলৈ আহ্বান জনাইছে। অপৰাধ নিয়ন্ত্ৰণ আৰু আইন-শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নহ’ব বুলিও আৰক্ষীয়ে স্পষ্ট কৰি দিছে।

নিষিদ্ধ ড্ৰাগছ সহ জাগুনত

সেৱনে ভয়াৱহ ৰূপ ধাৰণ কৰাহে পৰিলক্ষিত হৈছে। এই নিষিদ্ধ ড্ৰাগছৰ প্ৰচলন শেহতীয়াকৈ তিনিচুকীয়া জিলা খনৰ বিভিন্ন প্ৰান্তত ব্যাপক ৰূপত প্ৰচলন হোৱা দেখা গৈছে। এই ক্ষেত্ৰত তিনিচুকীয়া আৰক্ষী প্ৰশাসনে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে যদিও বৰ্তমানেও এই ড্ৰাগছৰ সেৱন আৰু সৰবৰাহ চলাই নিবলৈ সক্ষম হৈছে এচাম দুষ্ট চক্ৰ। ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত থকাৰ মাজতে বৃহস্পতি বাৰে নিশা লেখাপানী আৰু জাগুন আৰক্ষীয়ে বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত এক অভিযান চলায়। লেখাপানী আৰু জাগুন আৰক্ষীৰ সফল যৌথ অভিযান চলে জাগুনৰ সোণালী জনজাতি দেউৰী গাঁৱত। অভিযান কালত আৰক্ষীয়ে বৃহৎ পৰিমাণৰ নিষিদ্ধ ড্ৰাগছ জব্দ কৰাৰ লগতে আটক কৰে এজন সৰবৰাহকাৰীক। আৰক্ষীয়ে জাগুনৰ সোণালী জনজাতি দেউৰী গাঁৱৰ নিবাসী ড্ৰাগছ ব্যৱসায়ৰ সৈতে জড়িত মৃদুল চেতিয়াৰ (৩৬) ঘৰত অভিযান চলাই ২৭.০৫ গ্ৰাম নিষিদ্ধ ড্ৰাগছ জব্দ কৰাৰ লগতে এখন i10 বাহন আৰু এখন স্কুটিও জব্দ কৰিবলৈ সক্ষম হয়। এই মৃদুল চেতিয়া নামৰ লোকজনে পূৰ্বতেও নিষিদ্ধ ড্ৰাগছ ব্যৱসায়ৰ লগত জড়িত থকাৰ অপৰাধত আৰক্ষীৰ জালত বন্দী হৈ দুবাৰকৈ জেললৈ যাবলগীয়া হৈছিল। ড্ৰাগছ ব্যৱসায়ৰ সৈতে জড়িত হৈ দুবাৰকৈ জেললৈ যাবলগীয়া হোৱাৰ পিছতো জামিন লাভ কৰি আহি পুনৰ এই নিষিদ্ধ ড্ৰাগছৰ ব্যৱসায় চলায় যাবলৈ সাহস কৰা কাৰ্যই স্বাভাৱিকতেই বিশেষ তাৎপৰ্য বহন কৰিছে। এই ক্ষেত্ৰত আৰক্ষীৰ স্থিতিৰ ওপৰটো ডাঙৰ প্ৰশ্নবোধকৰ সৃষ্টি হোৱা দেখা গৈছে।

সীমান্তৱৰ্তী ৰাজ্যৰ জনগাঁথনিগত

এই মন্তব্য কৰে। গৃহমন্ত্ৰীগৰাকীয়ে জোৱানসকলক সম্বোধন কৰি কয়, “পশ্চিম বংগ, ত্ৰিপুৰা আৰু বিহাৰৰ জনগাঁথনিগত পৰিৱৰ্তন সহ্য কৰা নহ’ব। আন্তঃৰাষ্ট্ৰীয় সীমান্ত পহৰা দিয়াত থকা সুৰুঙাসমূহ দূৰ কৰিবলৈ কেন্দ্ৰই সকলো ধৰণৰ প্ৰচেষ্টা চলাই আছে।” সীমান্তৰ সুৰক্ষা শক্তিশালী কৰিবলৈ চৰকাৰে উন্নত প্ৰযুক্তি আৰু বৰ্ধিত তদাৰকী ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে। এই প্ৰসঙ্গত গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে চৰকাৰে ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ দুৰ্বলতাসমূহ দূৰ কৰিবলৈ আৰু অবৈধ অনুপ্ৰৱেশ ৰোধ কৰিবলৈ সকলো প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে। গৃহমন্ত্ৰীগৰাকীয়ে লগতে ঘোষণা কৰে যে চৰকাৰৰ অভিলাষী ‘স্মাৰ্ট বৰ্ডাৰ’ প্ৰকল্পটো এতিয়া চূড়ান্ত পৰ্যায়ত উপনীত হৈছে। তেওঁৰ মতে, অতি শীঘ্ৰেই দেশৰ কেইবাটাও স্থানত ইয়াক পৰীক্ষামূলকভাৱে কাৰ্যকৰী কৰা হ’ব। শ্বাহে কয়, “দেশৰ সাতৰ পৰা আঠখন ঠাইত পাইলট প্ৰজেক্ট হিচাপে এই স্মাৰ্ট বৰ্ডাৰৰ ধাৰণাটো কাৰ্যকৰী কৰা হ’ব।”

বেলতলীত নৱনিৰ্বাচিত বিধায়ক ভূপেন ৰায়ক সম্বৰ্ধনা

অসম বাৰ্তা, উত্তৰ শালমাৰা, ৪ জুন ঃ অসম গণ পৰিষদৰ কাকৈজানা আঞ্চলিক সমিতি আৰু বেলতলী আঞ্চলিক লক্ষ্মী পূজা সমিতিৰ উদ্যোগত বেলতলীত ১৬ নং অভয়াপুৰী বিধানসভা সমষ্টিৰ নৱ নিৰ্বাচিত বিধায়ক ভূপেন ৰায়ক সম্বৰ্ধনা জনোৱা হয়। সভাত সভাপতিত্ব কৰে বিশিষ্ট সাহিত্যিক কবি আৰু সমাজ সেৱাক অমৃতভূষণ ফৌজদাৰ। উক্ত সভাত অগপৰ কাকৈজানা আঞ্চলিক সমিতিৰ সভাপতি গোবিন্দ বৰ্মন সম্পাদক দিলীপ ৰায় অগপ কৰ্মী কুঞ্জ দেৱ ৰায়, ৰাজকিংকৰ ৰায়, হৰেন ৰায়, অগপৰ কাকৈজানা আঞ্চলিক যুৱ পৰিষদৰ সভাপতি সনাতন ৰায় সম্পাদক দিলজিৎ ৰায়, চক্ৰভৌম জিলা পৰিষদৰ সদস্যা জানকী ৰায় কাকৈজানা গাঁও পঞ্চায়তৰ সভানেত্ৰী দৈৱকী ৰায় কাকৈজানা গাঁও পঞ্চায়তৰ উপ সভাপতি অমৃত সিংহ কাকৈজানা আঞ্চলিক পঞ্চায়তৰ সদস্য উত্তম বৰ্মন, টুলুংঙীয়া ১ম খণ্ডৰ পঞ্চায়ত সদস্যা পদুমী ৰায়, কাকৈজানা ১ম খণ্ডৰ সদস্যা কহিনী ৰায় আৰু কৈমাৰী লহৰাপাৰাৰ পঞ্চায়ত সদস্যা পটেশ্বৰী ৰায় আদি। সভাত নৱ নিৰ্বাচিত বিধায়ক ভূপেন ৰায়ে সদ্য সমাপ্ত বিধান সভা নিৰ্বাচনত তেওঁক বিপুল ভোটত জয়যুক্ত কৰাৰ বাবে সমষ্টিবাসীৰ লগতে কাকৈজানা গাঁও পঞ্চায়তৰ ৰাইজক ধন্যবাদ জনায় আৰু অনাগত দিনত ৰাস্তা ঘাটৰ লগতে সিদলসতী ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চাৰিবেৰ নিৰ্মাণ আৰু বিদ্যালয় সমূহৰ অন্ত গাঁথনিৰ ওপৰত কাম কৰি যাবলৈ চেষ্টা চলাই যাব বুলি মন্তব্য কৰে।

অধ্যাপক ভৱেশ নাৰায়ণ চৌধুৰীৰ মৃত্যু

অসম বাৰ্তা, মঙলদৈ, ৪ জুন ঃ মঙলদৈ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ভৱেশ নাৰায়ণ চৌধুৰীক আজি শতাধিক গুণমুগ্ধই অশ্ৰুসিক্ত নয়নেৰে শেষ শ্ৰদ্ধা নিবেদন কৰে। যোৱা ৩১ মে’ত চপাই নৱগ্ৰহ মন্দিৰৰ সন্মুখত হঠাতে ঢলি পৰা ভৱেশ নাৰায়ণ চৌধুৰীক লগে লগেই নাৰায়ণা চুপাৰ স্পেশিয়েলিষ্ট হাস্পতালত ভৰ্তি কৰোৱা হৈছিল যদিও কালি সন্ধিয়া তেওঁৰ মৃত্যু হয়। আজি গুৱাহাটীৰ এইমচত মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰাৰ পিছত তেওঁৰ নশ্বৰ দেহ মঙলদৈ মহাবিদ্যালয়লৈ অনাত শিক্ষক শিক্ষয়িত্ৰী, ছাত্ৰ ছাত্ৰীয়ে শেষ শ্ৰদ্ধা নিবেদন কৰে। আনহাতে তেওঁৰ চপাইচৌকাৰ বাসগৃহত সাংবাদিক গণেশ দত্তই আঁত ধৰা চমু শোক সভাত গীতিকাৰ, সাহিত্যিক প্ৰভাত চৌধুৰী, মঙলদৈ বণিক সন্থাৰ সভাপতি মুকুল চন্দ্ৰ ডেকা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° অমৃতজ্যোতি মহন্ত, চপাই থিয়েটাৰ পৰিচালনা সমিতি, চপাই বণিক সন্থা, চপাই যুৱ কল্যাণ কেন্দ্ৰ, চপাই সাহিত্য সভা, মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক পৰেশ চন্দ্ৰ শৰ্মা, জ্যেষ্ঠ সাংবাদিক মুকুটৰাজ শৰ্মা, দৰং জিলা নাট্য সন্মিলনী, শালৈপাৰা কালী মন্দিৰ পৰিচালনা সমিতি, মঙলদৈ যুথ ক্লাব, কৰুণাধাৰা- দৰং জিলা সহায়ক সমিতিসহ বহু দল সংগঠন, ব্যক্তিয়ে তেওঁলৈ শেষ শ্ৰদ্ধা নিবেদন কৰে। ইফালে তেওঁৰ মৃত্যুত চপাই বণিক সন্থাই আজি ১২ ঘণ্টীয়া বন্ধ পালন কৰে।

অসম আৰক্ষীৰ পোছাকত প্ৰথমবাৰৰ বাবে গৃহলৈ অহা সুৰজ মিৰ্দ্ধাক বিপুল আদৰণি

অসম বাৰ্তা, খুমটাই, ৫ জুন ঃ অসম আৰক্ষীৰ পোছাকত পোনপ্ৰথমবাৰৰ বাবে নিজ গৃহত উপস্থিত হোৱা এগৰাকী যুৱকক বীৰৰ দৰে আদৰণি জনালে অঞ্চলবাসীয়ে। খুমটাইৰ গৰঙা চাহ বাগিচাৰ চাহ শ্ৰমিক পৰিয়ালৰ সন্তান সুৰজ মিৰ্দ্ধাই অসম আৰক্ষীৰ কনিষ্টবল নিযুক্তি পৰীক্ষাত সফলতা লাভ কৰি আৰক্ষী বিভাগত নিযুক্তি লাভ কৰিছিল। নিযুক্তিৰ পিছত পাঁচ মাহীয়া আৰক্ষী প্ৰশিক্ষণ সফলতাৰে সম্পূৰ্ণ কৰি সুৰজ যেতিয়া নিজ গৃহলৈ উভতি আহে, তেতিয়া গৰঙা চাহ বাগিচাৰ ৰাইজে তেওঁক এক বৰ্ণাঢ্য শোভাযাত্ৰাৰে আদৰি আনে। ঢোল-দগৰৰ শব্দৰ মাজত উলিওৱা শোভাযাত্ৰাই সমগ্ৰ অঞ্চলটোত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। নিজ অঞ্চলত উপস্থিত হৈ সুৰজে প্ৰথমে গৰঙা বাগিচাৰ কালী মন্দিৰত উপস্থিত হৈ আশীৰ্বাদ গ্ৰহণ কৰে। ইয়াৰ পিছত অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানত আটছা (AATSA) খুমটাই শাখাৰ ভাৰপ্ৰাপ্ত সম্পাদক আমিৰ ভূমিজে সুৰজ মিৰ্দ্ধাক উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত আটছাৰ সংগ্ৰামী সতীৰ্থ আৰু কৰ্মীসকলৰ লগতে বহু সংখ্যক স্থানীয় লোক উপস্থিত থাকে। উল্লেখ্য যে, গৰঙা চাহ বাগিচাৰ ইতিহাসত প্ৰথমবাৰৰ বাবে আৰক্ষী বিভাগত চাকৰি লাভ কৰা যুৱক হিচাপে সুৰজ মিৰ্দ্ধাই এক নতুন দৃষ্টান্ত স্থাপন কৰিছে। তেওঁৰ কঠোৰ পৰিশ্ৰম, অধ্যৱসায় আৰু দৃঢ় মনোবলৰ ফলত লাভ কৰা এই সফলতাই সমগ্ৰ অঞ্চললৈ আনন্দৰ জোৱাৰ কঢ়িয়াই আনিছে। লগতে অঞ্চলটোৰ নৱপ্ৰজন্মৰ বাবে সুৰজ এক অনুপ্ৰেৰণাৰ উৎস হিচাপেও পৰিগণিত হৈছে।

সদৌ বাথৌ মহাসভাৰ ১৪ সংখ্যক ত্ৰি-বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি; আদৰণি সমিতি গঠন

অসম বাৰ্তা, গোৰেশ্বৰ, ৫ জুন ঃ সদৌ বাথৌ মহাসভাৰ ১৪ সংখ্যক ত্ৰি-বাৰ্ষিক অধিবেশন এইবেলি তামোলপুৰ জিলাৰ গোৰেশ্বৰত আয়োজনৰ প্ৰস্তুতি চলোৱা হৈছে। জানিব পৰা মতে, সংগঠনটোৰ পূব তামোলপুৰ জিলা সমিতিৰ উদ্যোগত অহা ২০২৭ বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰ প্ৰথম সপ্তাহত মহাসভাৰ ১৪ সংখ্যক ত্ৰি-বাৰ্ষিক অধিৱেশনভাগি আয়োজন কৰা হৈছে। তদুপলক্ষে যোৱা ৩১ মে'ৰ দিনখন গোৰেশ্বৰ আঞ্চলিক বাথৌ মন্দিৰৰ প্ৰাৰ্থনা সভাকক্ষত এখন সভা অনুষ্ঠিত হয়। জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি কবিন চন্দ্ৰ বড়োৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যাৰে সভাখন উদ্বোধন কৰে জিলা সমিতিৰ সম্পাদক সোণিৰাম বড়োৱে। সভাত সদৌ বাথৌ মহাসভাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক গণেশ দৈমাৰীয়ে বাথৌ ধৰ্মৰ তাৎপৰ্য ব্যাখ্যা দাঙি ধৰি নৱপ্ৰজন্মক বাথৌ ধৰ্মৰ প্ৰতি আকৃষ্ট হ'বলৈ আহ্বান জনায়। এই সভাত আগন্তুক ২০২৭ চনৰ ফেব্ৰুৱাৰী মাহৰ প্ৰথম সপ্তাহত গোৰেশ্বৰত অনুষ্ঠিতব্য সদৌ বাথৌ মহাসভাৰ অধিৱেশনখন সাফল্যমণ্ডিত কৰি তুলিবলৈ ৪৪ নং গোৰেশ্বৰ বিধানসভা সমষ্টিৰ বিধায়ক ভি"ৰ কুমাৰ দাসক সভাপতি, বিটিচিৰ স্বাক্ষৰকাৰী বিনোদ নাৰ্জাৰীক কাৰ্যকৰী সভাপতি, চিত্ৰেশ্বৰ নাৰ্জাৰী, দেৰহাছাৰ নাৰ্জাৰী, জিনাৰাম বড়ো আৰু হৰিচন্দ্ৰ বড়োক উপ-সভাপতি, ধনঞ্জয় বসুমতাৰীক সাধাৰণ সম্পাদক, সদানন্দ বড়ো, মৌচুমা নাৰ্জাৰী, সুৰেন নাৰ্জাৰী, লক্ষেশ্বৰ বড়ো আৰু বিক্ৰম বড়োক সহঃ সম্পাদক আৰু গিৰীন্দ্ৰ বড়োক কোষাধক্ষ হিচাপে লৈ ১৫খন উপ-সমিতিসহ এখন শক্তিশালী আদৰণী সমিতি গঠন কৰা হয়। উক্ত সভাত বাথৌ মহাসভাৰ কেন্দ্ৰীয় সমিতিৰ কাচিনাথ স্বৰ্গীয়াৰী, শোভাৰাম বসুমতাৰী, মহেশ্বৰ বসুমতাৰী, গণেশ দৈমাৰী, ছাংগ্ৰীলী বসুমতাৰী, গোপী স্বৰ্গীয়াৰী আৰু মুকুট বড়ো উপস্থিত থাকে। উল্লেখযোগ্য যে এই অধিৱেশনত অসমৰ ২৮খন জিলাৰ কেইবা শতাধিক প্ৰতিনিধি লগতে চুবুৰীয়া ৰাজ্য পশ্চিমবংগ আৰু চুবুৰীয়া ৰাষ্ট্ৰ ভূটান আৰু বাংলাদেশৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰিব বুলি উদ্যোক্তাসকলে জনাইছে।

মাতৃ-কন্যাক আক্ৰমণ ৰফিকুল ইছলামৰ

আই নৈৰ ঘাটত হিন্দু কিশোৰীক শাৰীৰিক নিৰ্যাতন

অসম বাৰ্তা, সৃজনগ্ৰাম, ৫ জুন ঃ লাভ জেহাদৰ ভয়ংকৰ পৰিণতিত নলবাৰীৰ ছাত্ৰ নেতা মাধূৰ্য বৰ্মনৰ লোমহৰ্ষক হত্যাকাণ্ডৰ ঘটনাই ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি কৰাৰ সময়তে মাতৃৰ সন্মুখতে হিন্দু কিশোৰীক ধৰ্ষণৰ চেষ্টা চলোৱা ঘটনা সংঘটিত হৈছে বঙাইগাঁও জিলাৰ সৃজনগ্ৰামৰ হালদিবাৰীত। জানিব পৰা মতে কালি আই নৈৰ ঘাটত মাকৰ সৈতে কাপোৰ ধুবলৈ যোৱা কিশোৰীক ধৰ্ষণৰ চেষ্টা চলায় কাছাৰীপেটীৰ ৰফিকুল ইছলামে। পাষণ্ড ৰফিকুলৰ আক্ৰমণত কোনোমতে প্ৰাণ ৰক্ষা পৰে দুই মাতৃ কন্যাৰ। ঘটনাৰ বিৱৰণী মতে কালি দিনৰ চাৰে এঘাৰমান বজাত হালদিবাৰীৰ আই নৈৰ ঘাটত কাপোৰ ধুই আছিল দুই মাতৃ-কন্যাই। তেনেসময়তে কাছাৰীপেটীৰ ৰফিকুল ইছলামে সাতুৰি নৈ পাৰহৈ আহি কাপোৰ ধুই থকা কিশোৰী গৰাকীৰ লগত অপকৰ্ম সংঘটিত কৰিবলৈ উদ্যত হয়। মাতৃৰ সন্মুখতে কিশোৰীগৰাকীক গবামাৰি ধৰি টানিআঁজুৰি পাৰলৈ তুলি আনি অসৎ কৰ্ম চৰিতাৰ্থ কৰিবলৈ চেষ্টা চলায় ৰফিকুলে। ঘটনাৰ আকস্মিকতাত আতংকিত মাতৃয়ে চিএওৰবাখৰ কৰি জীয়েকক বচাবলৈ চেষ্টা চলোৱাত ৰফিকুলে তেওঁকো শাৰীৰিক ভাবে আক্ৰমণ কৰাৰ লগতে কিশোৰী গৰাকীৰ শৰীৰৰ বিভিন্ন স্থানত আঘাত কৰাৰ উপৰি ডিঙি আৰু কান্ধত কামুৰি জখম কৰে। ৰফিকুলৰ চকুত বালি আৰু কাপোৰ ধোৱা চাৰ্ফ ছটিয়াইহে মাতৃ-কন্যাই দৌৰি পলাই জীৱন ৰক্ষা কৰিবলৈ সক্ষম হয়। শাৰীৰিক শক্তিৰে জীয়েকক ৰক্ষা কৰাত ব্যৰ্থ হৈ ৰফিকুলৰ চকুত বালি আৰু চাৰ্ফ মাৰি দিয়ে মাতৃয়ে। চকুৰে একো দেখা নাপাইহে যুৱতীক এৰি দিবলৈ বাধ্য হয় ৰফিকুলে। ৰফিকুলৰ পৰা মুক্ত হৈ প্ৰায় এক কিলোমিটাৰ বালিচৰ দৌৰি প্ৰাণ ৰক্ষা কৰে মাতৃ-কন্যাই। ঘটনাটো বনজুইৰ দৰে বিয়পি পৰাৰ লগেলগে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰে অঞ্চলটোত। জঘন্য ঘটনাটোৰ লগত জড়িত দোষীক কৰায়ত্ত কৰিবলৈ বিভিন্ন সংগঠনে দাবী জনোৱাৰ লগতে কালি নিশাই ভুক্তভোগী পৰিয়ালে বৰঘোলা আৰক্ষী চকীত দাখিল কৰা এজাহাৰৰ ভিত্তিত তদন্ত চলাই আজি অভিযুক্ত ৰফিকুলক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। ২৪ ঘণ্টা নৌহওঁতেই অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱাত আৰক্ষীক প্ৰশংসা কৰিছে অঞ্চলৰ ৰাইজে।

বিশ্ব পৰিৱেশ দিৱস উপলক্ষে 'নেচাৰ ফৰ্চ'ৰ উদ্যোগত ১৫০০ গছপুলি বিতৰণ

প্ৰকৃতি সংৰক্ষণৰ অসাধাৰণ নিদৰ্শন; আজীৱন বৃক্ষৰোপণৰ সংকল্পৰে বৰপেটাৰোডৰ স্বপন দাস

অসম বাৰ্তা, বৰপেটাৰোড, ৫ জুন ঃ জনসাধাৰণৰ মাজত পৰিৱেশ সংৰক্ষণৰ সজাগতা সৃষ্টিৰ উদ্দেশ্যেৰে আজি সমগ্ৰ বিশ্বৰ লগতে বৰপেটাৰোডতো 'বিশ্ব পৰিৱেশ দিৱস' উলহ-মালহেৰে পালন কৰা হয়। এই বিশেষ দিৱসটোৰ সৈতে সংগতি ৰাখি বৰপেটাৰোডৰ বিশিষ্ট প্ৰকৃতিপ্ৰেমী স্বপন দাসৰ এক ব্যতিক্ৰমী তথা প্ৰশংসনীয় প্ৰচেষ্টাই এতিয়া সমগ্ৰ অঞ্চলটোতে বিশেষ দৃষ্টি আকৰ্ষণ কৰিছে। আজি বিশ্ব পৰিৱেশ দিৱস উপলক্ষে বৰপেটাৰোড জি. এল. চি. (G.L.C.) মহাবিদ্যালয়ৰ সন্মুখত প্ৰকৃতিপ্ৰেমী স্বপন দাসৰ একক প্ৰচেষ্টা আৰু তেওঁৰ নেতৃত্বত গঢ় লৈ উঠা স্বেচ্ছাসেৱী সংস্থা 'নেচাৰ ফৰ্চ' (Nature Force)ৰ উদ্যোগত সাধাৰণ ৰাইজৰ মাজত প্ৰায় ১৫০০ গছপুলি বিনামূলীয়াকৈ বিতৰণ কৰা হয়। উল্লেখযোগ্য যে, বৰপেটাৰোডৰ নিবাসী স্বপন দাসে যোৱা কেইবাবছৰ ধৰি পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত নীৰৱচ্ছিন্নভাৱে অনবদ্য অৱদান আগবঢ়াই আহিছে। তেখেতে নিজৰ একক প্ৰচেষ্টাত কেৱল অসমৰে ভিন্ন প্ৰান্তত নহয়, চুবুৰীয়া ৰাজ্য ছিকিমতেও বৃক্ষৰোপণ কৰি এক অনন্য আদৰ্শ দাঙি ধৰিছে। পৰিৱেশ আৰু প্ৰকৃতিৰ প্ৰতি থকা অগাধ প্ৰেমৰ বাবেই তেখেতে আজীৱন বৃক্ষৰোপণ কৰাৰ এক মহৎ সংকল্প হাতত লৈছে। তেখেতৰ দ্বাৰা প্ৰতিষ্ঠিত 'নেচাৰ ফৰ্চ' নামৰ সংস্থাটোৰেও সঘনাই বৃক্ষৰোপণ, গছপুলি বিতৰণ আৰু সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰি সমাজলৈ সেউজ বাৰ্তা কঢ়িয়াই আনিছে। আজিৰ এই গছপুলি বিতৰণ কাৰ্যসূচীত বিটিআৰ (BTR)-ৰ প্ৰাক্তন কাৰ্যবাহী সদস্য গৌতম দাসে উপস্থিত থাকি পৰিৱেশ দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। তেওঁ ভাষণ প্ৰসংগত কয়— "দৈনিক নহ'লেও ৰাইজে অন্তত বছৰত এটা হ'লেও গছপুলি ৰোপণ কৰা উচিত। কিন্তু গছপুলি ৰোপণতকৈয়ো তাৰ সঠিক ৰক্ষণাবেক্ষণ আৰু আপডাল কৰাটো অধিক প্ৰয়োজনীয়। আমাৰ এই মৰমৰ পৃথিৱীখনক সেউজীয়া কৰি ৰাখিবলৈ হ'লে আমি পৰাপক্ষত গছ কটা বন্ধ কৰিব লাগিব।" একেদৰে, অনুষ্ঠানত উপস্থিত থাকি বৰপেটাৰোড প্ৰেছ ক্লাবৰ সম্পাদক অলকেশ বায়নে 'নেচাৰ ফৰ্চ' আৰু স্বপন চন্দ্ৰ দাসৰ এই মহান কাৰ্যক ভূয়সী প্ৰশংসা কৰে আৰু আন আন স্বেচ্ছাসেৱী সংস্থাসমূহকো এনেদৰে সমাজমুখী কামত আগবাঢ়ি আহিবলৈ আহ্বান জনায়। সমাজকৰ্মী সুভাষ দাসে আঁত ধৰা এই অনুষ্ঠানত বৰপেটাৰোড প্ৰেছ ক্লাবৰ সভাপতি ড° ৰূপনজিৎ দাস, জি. এল. চি. মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জেউতি তালুকদাৰ, অৱসৰপ্ৰাপ্ত অধ্যাপক শৈলেন দাস, অৱসৰপ্ৰাপ্ত গাণনিক বিষয়া কুশল দাস, বৰপেটা জিলা বিজেপিৰ সভানেত্ৰী সবিতা দেৱনাথ, বৰপেটাৰোড পৌৰসভাৰ উপ-সভানেত্ৰী সুৰথী সাহা, ৱাৰ্ড কমিছনাৰ গীতুমণি দাস দেউৰী, বিশিষ্ট সমাজকৰ্মী বিশ্বনাথ সাহা, যোগেন বড়ো, বিশিষ্ট ব্যৱসায়ী ঘনশ্যাম ৰাঠি আৰু হৰিশ বাগৰীয়া, সৰ্পবন্ধু তথা বনকৰ্মী প্ৰাণজিৎ ৰাজবংশী আদিকে ধৰি অঞ্চলটোৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি আৰু প্ৰকৃতিপ্ৰেমী ৰাইজ উপস্থিত থাকি গছপুলি সমূহ বিতৰণ কৰে। উল্লেখ্য যে, পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত আগবঢ়োৱা এনে নিস্বাৰ্থ সেৱা আৰু একাগ্ৰতাৰ বাবে স্বপন দাসক ইতিমধ্যে বৰপেটাৰোড আঞ্চলিক ছাত্ৰ সন্থা (আছু)ৰ লগতে বিভিন্ন স্থানীয় সামাজিক-সাংস্কৃতিক অনুষ্ঠানে বিশেষভাৱে সম্বৰ্ধনা আৰু সন্মান প্ৰদান কৰিছে। তেখেতৰ এই সেউজ যাত্ৰা বৰ্তমান সমাজৰ প্ৰতিগৰাকী সচেতন নাগৰিকৰ বাবে এক ডাঙৰ অনুপ্ৰেৰণা হৈ পৰিছে।

সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ ওদালগুৰি জিলা সমিতিৰ সাধাৰণ সভা সম্পন্ন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৫ জুন ঃ সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছা'ৰ ওদালগুৰি জিলা সমিতিৰ উদ্যোগত আজি ডিমাকুছি আঞ্চলিক সমিতি আছাৰ কাৰ্যালয়ত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সভাখনত সভাপতিত্ব কৰে ওদালগুৰি জিলা সমিতিৰ সভাপতি শিবদত তাঁতীয়ে। উক্ত সভাত জিলা সমিতিৰ উপ-সভাপতি হিৰালাল প্ৰজা, সহকাৰী সম্পাদক নাৰ খালখো, সদৌ আদিবাসী মহিলা সমিতিৰ বিষয়ববীয়া সকল, লগতে বিভিন্ন আঞ্চলিক সমিতিৰ বিষয়ববীয়া আৰু সদস্যসকল উপস্থিত থাকে। সভাত সংগঠনৰ সাংগঠনিক দিশ, আদিবাসী সমাজৰ ভাষা-সংস্কৃতি সংৰক্ষণ আৰু যুৱ প্ৰজন্মৰ মাজত সাংস্কৃতিক চেতনা জাগ্ৰত কৰাৰ উদ্দেশ্যে বিস্তৃত আলোচনা অনুষ্ঠিত হয়। সকলোৰে আলোচনা আৰু মতামতৰ ভিত্তিত সৰ্বসন্মতিক্ৰমে কয়েকখন গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। গৃহীত প্ৰস্তাৱ অনুসৰি অহা জুলাই মাহৰ গৰম বন্ধৰ সময়ছোৱাত আদিবাসী সংস্কৃতিৰ বিকাশ আৰু সংৰক্ষণৰ স্বাৰ্থত কৰম নৃত্য, ঢোল বজোৱা আৰু আদিবাসী গীতৰ ওপৰত এখন বিশেষ কৰ্মশালা অনুষ্ঠিত কৰা হ'ব। ইয়াৰ উপৰিও আদিবাসী জনগোষ্ঠীৰ জাতীয় উৎসৱ "কৰম পূজা" অহা ২২ ছেপ্টেম্বৰ তাৰিখে ডিমাকুছি আঞ্চলিক সমিতি আছাৰ কাৰ্যালয় প্ৰাঙ্গনত উলহ-মালহেৰে উদযাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ওদালগুৰি জিলা সমিতিয়ে সকলো আঞ্চলিক সমিতি, যুৱ-ছাত্ৰ সমাজ আৰু আদিবাসী জনগোষ্ঠীৰ লোকসকলক উক্ত কাৰ্যসূচীসমূহ সফল কৰাৰ বাবে সক্ৰিয় সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে।

ৰহাত বিষ্ণু ৰাভা সঙ্গীত প্ৰতিযোগিতাৰ আয়োজন

অসম বাৰ্তা, ৰহা, ৫ জুন ঃ ৰহাৰ অগ্ৰণী শাস্ত্ৰীয়, লঘু শাস্ত্ৰীয় আৰু অসমীয়া সুগম সঙ্গীতৰ প্ৰশিক্ষণ প্ৰতিষ্ঠান 'সৃজনী স্বৰ-সাধনালয়'ৰ সৌজন্যত অহা ২০ জুন তাৰিখে প্ৰাঞ্জল মেম'ৰিয়েল একাডেমী প্ৰাঙ্গণত দিনজোৰা কাৰ্যসূচীৰে চতুৰ্থ বাৰ্ষিক বিষ্ণু ৰাভা দিৱসটি আয়োজন কৰা হৈছে। বিষ্ণু ৰাভা দিৱসৰ লগত সঙ্গতি ৰাখি তিনিটা শাখাত এখনি বিষ্ণু ৰাভ সঙ্গীত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিষ্ণু ৰাভা সঙ্গীত প্ৰতিযোগিতাৰ শাখাসমূহ হ'ল - 'ক' শাখা ঃ প্ৰথম শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণী, 'খ' শাখা ঃ পঞ্চম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণী আৰু 'গ' শাখা ঃ নৱম শ্ৰেণীৰ পৰা মুকলি। প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ হ'ল - 'ক' শাখাৰ প্ৰথম পুৰস্কাৰ নগদ ৩০০০ টকা, দ্বিতীয় পুৰস্কাৰ নগদ ২০০০ টকা আৰু তৃতীয় পুৰস্কাৰ নগদ ১০০০ টকা, 'খ' শাখাৰ প্ৰথম পুৰস্কাৰ নগদ ৪০০০ টকা, দ্বিতীয় পুৰস্কাৰ নগদ ৩০০০ টকা আৰু তৃতীয় পুৰস্কাৰ নগদ ২০০০ টকা আৰু 'গ' শাখাৰ প্ৰথম পুৰস্কাৰ নগদ ৫০০০ টকা, দ্বিতীয় পুৰস্কাৰ নগদ ৪০০০ টকা আৰু তৃতীয় পুৰস্কাৰ নগদ ৩০০০ টকা। লগতে বিজয়ী প্ৰতিযোগীসকললৈ আগবঢ়োৱা হ'ব স্মাৰক আৰু মানপত্ৰ। বিষ্ণু ৰাভা দিৱস উপলক্ষে দিনৰ ১২.৩০ বজাত ৰাভাদেৱৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰিব বৰ্ষীয়ান সমাজকৰ্মী তথা সাহিত্যিক পেঞ্চনাৰ মনোৰমা ভূএগই। বিষ্ণু ৰাভাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব ৰহা মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ সহকাৰী অধ্যাপক ত্ৰিদিপ বৰাই। প্ৰতিযোগিতাৰ অন্তত অনুষ্ঠিত হ'বলগীয়া বঁটা বিতৰণী অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব 'ৰাষ্ট্ৰীয় সংস্কৃত গীতিকবি' বঁটাপ্ৰাপক ৰঞ্জন বেজবৰুৱা, সোণাপুৰ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ পৰীক্ষা নিয়ন্ত্ৰক ড° চিনাম ইবতন সিংহ প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তি। বিষ্ণু ৰাভা দিৱসৰ সমূহ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা আয়োজক সমিতিৰ তৰফৰ পৰা আন্তৰিকতাৰে কামনা কৰিছে। লগতে অনুষ্ঠানটোৰ সম্পাদিকা মৈত্ৰেয়ী ডেকাই আগ্ৰহী প্ৰতিযোগীসকলে ৮৬৩৮০৩১০২৭, ৭০০২৭৪০৮৩৭, ৯৪০১৮২৬৭১১ নম্বৰত যোগাযোগ কৰি আগতীয়াকৈ নাম পঞ্জীয়ন কৰিব পাৰিব বুলি জানিবলৈ দিয়ে।

ত্ৰিশ বছৰীয়া এক সংগ্ৰাম আৰু এগৰাকী আদৰ্শ শিক্ষকৰ সপোন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ৫ জুন ঃ বিশ্ব পৰিৱেশ দিৱসৰ সময়তে এখন বনাঞ্চলে গোৱালপাৰা জিলাত চৰ্চাৰ বিষয় হৈ পৰিছে। যি সময়ত একাংশ চোৰাং কাঠ ব্যৱসায়ীৰ কুঠাৰৰ কোবত অসমৰ ইখনৰ পিছত সিখন বনাঞ্চল ধ্বংস হৈ মৰুভূমিত পৰিণত হ'বলৈ ধৰিছে, ঠিক তেনে সময়তে সমগ্ৰ ৰাজ্যৰ বাবে এক আশাৰ কিৰণ কঢ়িয়াই আনিছে গোৱালপাৰা জিলাৰ দুধনৈৰ তিনিখন গাঁৱৰ ৰাইজে। জিলাখনৰ "শিলৰবড়ী", "পাহিদল" আৰু "হীৰাপাৰা" গাঁৱৰ সৰ্বসাধাৰণ ৰাইজে একতাৰ বলত নিজাববীয়াকৈ সংৰক্ষণ কৰি তুলিছে প্ৰায় ৩০ হে"ৰ পৰিসৰৰ এখন বিশাল বনাঞ্চল। এই সেউজ বিপ্-ৱৰ সূচনা হৈছিল আজিৰ পৰা প্ৰায় ৩০ বছৰ পূৰ্বেই। শিলৰবড়ী গাঁৱৰে এগৰাকী আদৰ্শ শিক্ষক ভূপেশ নাথৰ দূৰদৰ্শী নেতৃত্বত প্ৰথমে এই বনাঞ্চল সংৰক্ষণৰ পবিত্ৰ কাম হাতত লৈছিল তিনি গাঁৱৰ ৰাইজে। তেতিয়াৰ পৰাই আজিলৈকে কোনো চৰকাৰী পুঁজি বা বিভাগীয় সহায় অবিহনেই ৰাইজে নিজৰ সন্তানৰ দৰে প্ৰতিপালন কৰি আহিছে মূল্যবান শাল গছবোৰ। গছবোৰৰ সুৰক্ষাৰ স্বাৰ্থত গাঁৱৰ ৰাইজে মিলি বছৰেকত দুবাৰকৈ এই সমগ্ৰ শাল ঝাৰনীখন চাফ-চিকুণ কৰে। পৰিৱেশ সুৰক্ষাৰ লগতে অঞ্চলটোক প্ৰদূষণমুক্ত কৰি ৰখাত এই বনাঞ্চলখনে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। ১৯৯৭ চনত চোৰাংকাঠ বেপাৰীৰ কবলত পৰি ধ্বংসস্তুপত পৰিণত হোৱা এই বনাঞ্চলখনক পুনৰ গঢ়ি তুলিবলৈ সংকল্প লোৱা আদৰ্শ শিক্ষক ভূপেশ নাথে তিনি গাঁৱৰ ৰাইজৰ সহযোগত তেওঁৰ সপোন বাস্তৱায়িত কৰা কামত নামি পৰিল। এতিয়া শালগছ বোৰে পূৰ্ণতা লাভ কৰিছে। সেউজীয়া হৈ পৰিছে সমগ্ৰ অঞ্চল। ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী লেলাৰ পৰা মাজ-জাখিলী পথটোৰে পাৰ হৈ গ'লে এতিয়া চকু জুৰাই যোৱা এক দৃশ্য দেখিবলৈ পোৱা যায়। পথটোৰ দুয়ো পাৰে কেৱল সেউজীয়া আৰু সেউজীয়া। শাৰী শাৰী বিশাল শাল গছ আৰু তাৰ মাজৰ শীতল পৰিৱেশে মুহি নিয়ে প্ৰতিজন পথচাৰীক। এই বাটেৰে যোৱা প্ৰতিজন ক্লান্ত বাটৰুৱাই ক্ষন্তেক জিৰণি লয় এই শাল গছৰ ছাঁত আৰু প্ৰকৃতিৰ মনোমোহা ৰূপ উপভোগ কৰে। আনহাতে হাতী মানুহৰ সংঘাতে সমগ্ৰ গোৱালপাৰা জিলাতে এক ভয়াৱহ ৰূপ ধাৰণ কৰাৰ সময়তে এই বনাঞ্চলখনে এক ব্যতিক্ৰমী ৰূপ ধাৰণ কৰিছে। তিনি গাঁৱৰ ৰাইজে সংৰক্ষণ কৰা এই বনাঞ্চলখন এতিয়া বন্য হস্তীৰ এক সুৰক্ষিত "হস্তীদণ্ডী" (হাতী পাৰ হোৱা পথ) হিচাপে গঢ় লৈ উঠিছে। এই অনন্য পদক্ষেপৰ বাবেই বনাঞ্চলখনৰ কাষৰীয়া গাঁওসমূহত বন্যহস্তীৰ উপদ্ৰৱ বহু পৰিমাণে হ্ৰাস পাইছে। বনাঞ্চলখনৰ মাজেৰে প্ৰায়েই হাতীৰ জাক পাৰ হৈ যায় যদিও ওচৰ-চুবুৰীয়া কোনো এখন গাঁৱৰে অথবা খেতি-পথাৰৰ কোনো ক্ষতিসাধন নকৰে। প্ৰকৃতি আৰু বন্যপ্ৰাণীক ভাল পালে যে বিনিময়ত তেওঁলোকেও ক্ষতি নকৰে, এয়া তাৰেই এক জিলিকি থকা প্ৰমাণ। আটাইতকৈ সুখবৰটো হ'ল, পূৰ্বৰ প্ৰজন্মই গঢ়ি থৈ যোৱা এই সেউজ ঐতিহ্যক এতিয়া আগুৱাই লৈ গৈছে গাঁৱৰ উঠি অহা চাম বা যুৱকসকলে। বৰ্তমান যুৱ প্ৰজন্মই আগভাগ লৈ শাল গছবোৰৰ চোৰাচিতা আৰু পহৰা দিয়াৰ দায়িত্ব কান্ধ পাতি লৈছে। "গছ থাকিলেহে মানুহ থাকিব, সেয়েহে বিশ্ব পৰিৱেশ দিৱসৰ এই পবিত্ৰ ক্ষণত প্ৰতিজন লোকে অতি কমেও এজোপাকৈ হ'লেও গছপুলি ৰোপণ কৰক আৰু বনাঞ্চল সংৰক্ষণ কৰক। আমি প্ৰকৃতিক সুৰক্ষা দিলে প্ৰকৃতিয়েও আমাক চকু মেলি চাব।" পৰিৱেশ দিৱসৰ এই পবিত্ৰ দিনটোত শিলৰবড়ী, পাহিদল আৰু হীৰাপাৰা গাঁৱৰ ৰাইজৰ এই প্ৰশংসনীয় পদক্ষেপ সমগ্ৰ দেশ তথা অসমবাসীৰ বাবেই এক চিৰকালৰ অনুপ্ৰেৰণা হৈ ৰ'ব।

ৰঙিয়া উত্তৰ কামৰূপ ক্ষেত্ৰীয় পথ সংমণ্ডলত বিশ্ব পৰিৱেশ দিৱস ৰূপায়ণ

অসম বাৰ্তা, ৰঙিয়া, ৫ জুন ঃ সমগ্ৰ বিশ্বৰ লগতে আজি পাঁচ জুন তাৰিখে ৰঙিয়া উত্তৰ কামৰূপ ক্ষেত্ৰীয় পথ সংমণ্ডল কাৰ্য্যালয়ত বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। দিনৰ দহ বজাত কাৰ্য্যলয়টোৰ বিষয়া কৰ্মচাৰী সকলে কাৰ্য্যালয় চৌহদত কেইবাডালো মুল্যবান গছৰ পুলি ৰোপণ কৰে। ৰঙিয়া উত্তৰ কামৰূপ ক্ষেত্ৰীয় পথ সংমণ্ডল কাৰ্য্যালয়ৰ লগতে বিভাগটোৰ আৱৰ্ত ভৱন চৌহদত গছ পুলি ৰোপণ কৰাৰ লগতে "আমি থাকিলে আপোনালোক থাকিব" শ্ল'গান লিখি বেনাৰ সমূহ গছ সমূহত আৰি দিয়ে। উত্তৰ কামৰূপ ক্ষেত্ৰীয় পথ সংমণ্ডল ৰঙিয়ায় কাৰ্য্যবাহী অভিযন্তা কুশল কাকতি আৰু বিভাগটোৰ ৰঙিয়া উপ সংমণ্ডলৰ সহকাৰী কাৰ্য্যবাহী অভিযন্তা বিশ্বজিৎ কাকতিৰ নিৰ্দেশত ৰূপায়িত হোৱা বিশ্ব পৰিৱেশ দিৱসৰ উক্ত কাৰ্য্যসূচীত বিভাগটোৰ সকলো বিষয়া কৰ্মচাৰী সকলে পুৰ্ণ সহযোগিতাত সুন্দৰ ভাবে সমাপন হয়। গুৰুত্বপূৰ্ণ বিষয়টো হ'ল যে ৰঙিয়াৰ পদপথত থকা নাৰ্ছাৰীৰ ব্যৱসায় সকলে উক্ত কাৰ্য্যসূচীত বিনামূলীয়াকৈ গছ পুলি প্ৰদান কৰি এখন সেউজ ৰঙিয়া গঢ়াৰ প্ৰচেষ্টাত সহোযোগীতা আগবঢ়োৱা দেখা যায়। ইয়াৰ উপৰিও ৰঙিয়া উত্তৰ কামৰূপ ক্ষেত্ৰীয় পথ সংমণ্ডলত কৰ্মৰত কৰ্মচাৰী সকলে নিজাববীয়াকৈ একোডালকৈ গছপুলি প্ৰদান কৰি উক্ত কাৰ্য্যসূচীটো সাফল্যমণ্ডিত কৰাৰ বাবে সহযোগিতা কৰে। উক্ত ধৰণে আজিৰ এই গুৰুত্বপূৰ্ণ দিনটো সফল কৰি তোলাৰ ক্ষেত্ৰত সকলোৰে সহযোগিতা আগবঢ়োৱাত বিভাগটোৰ শাখা বিষয়া তথা উদ্যোগতা অৱনি কুমাৰ আৰু কৰ্মচাৰী হেমন্ত কলিতাই সকলোকে ধন্যবাদ জ্ঞাপন কৰে। ইফালে ৰঙিয়াৰ কেইবাটাও বিভাগ, বিদ্যালয় আদিয়ে আজিৰ এই গুৰুত্বপূৰ্ণ দিনটোত গছ পুলি ৰূপায়ণ কৰি এখন সেউজ ৰঙিয়া গঢ়ি তুলিবলৈ প্ৰয়াস কৰা দেখা যায়।

কৃষ্ণচূড়া, আজাৰ, কাঞ্চন পুলি ৰোপণ ব্ৰহ্মপুত্ৰ আঞ্চলিক সেৱাবাহিনীৰ

অসম বাৰ্তা, বাদুলিপাৰ, ৫ জুন ঃ কৃষ্ণচূড়া, আজাৰ, কাঞ্চন পুলিলৈ ব্ৰহ্মপুত্ৰ অঞ্চলৰ বিভিন্ন স্থানত ৰোপণ কৰে ব্ৰহ্মপুত্ৰ আঞ্চলিক সেৱাবাহিনীয়ে। বিশ্ব পৰিবেশ দিৱস লগত সংগতি ৰাখি নামঘৰ, বিদ্যালয়, অনুষ্ঠানৰ কাৰ্যলয়ত বিভিন্ন প্ৰজাতিৰ গছপুলি ৰোপণ কৰে সেৱাবাহিনীৰ দলটোৱে। যিহেতু মানৱ জীৱনৰ অস্তিত্ব, সুখ-শান্তি আৰু ভৱিষ্যৎ সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰে আমাৰ পৰিবেশৰ ওপৰত। সেউজীয়া বননী, বিশুদ্ধ বায়ু, নিৰ্মল পানী আৰু জীৱবৈচিত্ৰ্যই পৃথিৱীক সুন্দৰ কৰি ৰাখিছে। কিন্তু আধুনিকতাৰ দৌৰত পৰিবেশ আজি বিপন্ন। বন উজাৰি, প্লাষ্টিক দূষণ আৰু প্ৰাকৃতিক সম্পদৰ অপব্যৱহাৰে পৃথিৱীক সংকটৰ দিশলৈ ঠেলি নিছে। এই সংকটৰ সময়ত বিশ্ব পৰিবেশ দিৱসে আমাক প্ৰকৃতি সংৰক্ষণৰ এক নতুন শপত ল'বলৈ আহ্বান জনায়। গছ ৰোপণ, পৰিষ্কাৰ-পৰিচ্ছন্নতা অভিযান, পৰিবেশ সজাগতা সভা আদি কাৰ্যসূচীৰ মাজেৰে বিভিন্ন সময়ত সেউজীয়া আৰু সুস্থ পৃথিৱী গঢ়াৰ প্ৰচেষ্টা আগবঢ়াই আহিছে। ব্ৰহ্মপুত্ৰ আঞ্চলিক সেৱাবাহিনীয়ে ব্ৰহ্মপুত্ৰ অঞ্চলৰ বিভিন্ন স্থানত গছ পুলি ৰোপণ কৰি আহিছে বিভিন্ন সময়ত। বিশ্ব পৰিৱেশ দিৱস হিচাপেও আজি ৫ জুন তাৰিখে আজাৰ, কৃষ্ণচূড়া, কাঞ্চন পুলি ৰোপণ কৰাৰ লগতে এটিকৈ পুলি অঞ্চলটোৰ লোকক প্ৰদান কৰি সজাগতাৰ সৃষ্টি কৰিছে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ ব্ৰহ্মপুত্ৰ আঞ্চলিক সেৱাবহিনীৰ অধিনায়ক প্ৰণৱ বৰাৰ নেতৃত্বত জ্যেষ্ঠ কনিষ্ঠ সকল লৈ বিগত বৰ্ষ সমূহত ৰোপণ কৰা গছ প্ৰত্যক্ষ কৰা লগতে পতিপালন কৰে। বিভিন্ন স্থানত ৰোপণ কৰা পুলিসমূহ ডাঙৰ হৈছে কৃষ্ণচূড়া ফুলে মনোমোহা পৰিবেশ সৃষ্টি কৰিছে। অনাগত দিনত বালিদোৱা গাঁৱৰ এটি পথৰ দুই কাষত আজাৰ পুলি ৰোপণ কৰাৰ সিদ্ধান্ত লৈছে। গছপুলি ৰোপণ লালন আৰু পালন শ্লোগান লৈ অঞ্চলটোক সজাগ কৰি আহিছে সেৱাবহিনীৰ দলটোৱে।

গাই নৈপৰীয়া থাউৰিৰ কাম সম্পন্ন কৰাৰ দাবী জাতীয়তাবাদী যুৱ পৰিষদৰ

ধেমাজি জলসম্পদ বিভাগৰ ভুলৰ বাবে বাৰিষাত সম্ভাব্য বিপদক লৈ চিন্তিত নৈপৰীয়া

অসম বাৰ্তা, ধেমাজি, ৫ জুন ঃ সমাগত বাৰিষাক লৈ শংকিত চিচিবৰগাঁওবাসী। বিগত কেইদিনমান ধৰি হোৱা ধাৰাসাৰ বৰষুণৰ ফলত ইতিমধ্যে বৃদ্ধি পাইছে ধেমাজি জিলাৰ বিভিন্ন নদীৰ লগতে গাই নৈৰ জলপৃষ্ঠ। বাৰিষা অহাৰ লগে লগে সম্ভাব্য বানক লৈ বিনিদ্ৰ ৰজনী কটাবলগীয়া হৈছে গাই নৈপৰীয়াই। বৰ্তমান গাই নৈৰ বাওঁ পাৰৰ মথাউৰিটো সাপেখাতী অঞ্চলত অতি সংকটজনক অৱস্থাত আছে। যোৱা বাৰিষাত উল্লিখিত অংশত মথাউৰিৰ ওপৰেদি পানী বাগৰি ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি হৈছিল। ৰাইজে দিনে-নিশাই অক্লান্ত পৰিশ্ৰম কৰি কোনোমতে মথাউৰিটো ৰক্ষা কৰি সমগ্ৰ অঞ্চলটোৰ প্ৰায় নিশ্চিত বিনাশ ৰোধ কৰিছিল। বৰ্তমান বিধ্বস্ত ৰূপত থকা মথাউৰিটো এই স্থানত যদি কেনেবাকৈ বিচ্ছিন্ন হয়, তেন্তে বৃহত্তৰ চিচিবৰগাঁও অঞ্চলৰ বিস্তৃত জনাঞ্চল ভয়াৱহ বানৰ কবলত পৰিব। কিন্তু এই অতি বিপজ্জনক অৱস্থাত থকা গাই নৈৰ এই মথাউৰিটো নিৰ্মাণৰ বাবে জলসম্পদ বিভাগে খৰালিতে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। প্ৰায় এমাহৰ পূৰ্বে পুলিন গোহাঁই নামৰ এজন ঠিকাদাৰে মথাউৰিটো নিৰ্মাণ কৰিব বুলি সাপেখাতীত এ'কেভেটৰ লৈ উপস্থিত হয় আৰু প্ৰায় দুই কিলোমিটাৰ অংশত মথাউৰিটোৰ কাষত থকা সকলো গছ-গছনি কাটি মথাউৰিটো কাষে কাষে খান্দি পেলায়। কিন্তু তাৰ পিচৰ পৰা কাৰো দেখাদেখি নাই। ইফালে মথাউৰিটোৰ ভয়ানক অৱস্থাই ৰাইজৰ চকুৰ টোপনি হৰিছে। বাৰিষা গাই নদীৰ প্ৰবল সোঁত আৰু গৰাখহনীয়াৰ পৰা এই গছসমূহে মথাউৰিটো ৰক্ষা কৰি আছিল। কিন্তু জলসম্পদ বিভাগে গছসমূহ কাটি এতিয়া ৰাইজক নিশ্চিত বিপদৰ ফালে ঠেলি দিলে। সেই সন্দৰ্ভত জলসম্পদ বিভাগৰ জিলা কাৰ্যবাহী অভিযন্তাজনে গা এৰা মন্তব্য দি দায় সাৰিবলৈ চেষ্টা কৰা দেখা যায়। অসম জাতীয়তাবাদী যুৱ পৰিষদে কামটোৰ বাবে দুজন ঠিকাদাৰৰ মাজত টনা-আজোৰা চলি থকাৰ বাবেই কাম কৰিব পৰা হোৱা নাই বুলি উল্লেখ কৰিছে। অসম জাতীয়তাবাদী যুৱ পৰিষদৰ সভাপতি উজ্জ্বল চুতীয়াই ক্ষোভ প্ৰকাশ কৰি কয় যে জলসম্পদ বিভাগৰ তথা ঠিকাদাৰৰ টোগলকী কাণ্ডৰ বাবেই এতিয়া ভয়ংকৰ পৰিস্থিতিৰ সন্মুখীন হ'ব লাগিব চিচিবৰগাঁও ৰাজহ চক্ৰ অধিকাংশ অঞ্চলৰ ৰাইজ। ধেমাজি জিলা জাতীয়তাবাদী যুৱ পৰিষদে আজি সেই সন্দৰ্ভত ধেমাজি জিলা আয়ুক্তৰ ওচৰত মথাউৰি নিৰ্মাণৰ বাবে ৪৮ ঘণ্টাৰ সময় বান্ধি দি এখন স্মাৰকপত্ৰ প্ৰদান কৰে। কালি সংগঠনটোৰ নেতৃবৃন্দই স্থানীয় ৰাইজৰ লগত মথাউৰিটো পৰিদৰ্শন কৰি চিন্তিত হৈ পৰিছে। সংগঠনটোৱে লগতে চৰকাৰ-প্ৰশাসনক সকীয়াই দি কৈছে যে অহা ৪৮ ঘণ্টাৰ ভিতৰত মথাউৰিৰ কাম আৰম্ভৰ কাৰ্যকৰী পদক্ষেপ গ্ৰহণ নকৰে, তেন্তে তেওঁলোকে ধেমাজিৰ জলসম্পদ বিভাগৰ কাৰ্যালয়ও ঘেৰাও কৰিব।

কমনৱেলথ চেম্পিয়নশ্বিপত সোণৰ পদক প্ৰাপ্ত মধুপুৰৰ গৌৰাঙ্গ হাজৰিকাক স্ব-গৃহত বিপুল সম্বৰ্ধনা

অসম বাৰ্তা, বান্দৰদেৱা, ৫ জুন ঃ অসম-অৰুণাচল সীমান্তৱৰ্তী লখিমপুৰ জিলাৰ ভোগপুৰৰ সমীপৰ মধুপুৰত এজন দশমমান শ্ৰেণীৰ ছাত্ৰক লৈ সমগ্ৰ অঞ্চলটোত ব্যাপক উৎসাহ-উদ্দীপনা। পুৱাৰে পৰা বিভিন্ন দল সংগঠনৰ নেতা, অঞ্চলটোৰ ৰাইজ, বিশিষ্ট ব্যক্তি সকলে ভিৰ কৰিছেহি শৈলেন হাজৰিকাৰ বাসগৃহত। মধুপুৰ শঙ্কৰদেৱ শিশু নিকেতনৰ দশমমান শ্ৰেণীৰ ছাত্ৰ গৌৰাঙ্গ হাজৰিকাই সদ্য সমাপ্ত নেপালৰ কাঠমাণ্ডুত অনুষ্ঠিত হোৱা দ্বিতীয় কমনৱেলথ চেম্পিয়নশ্বিপত U17 traditional শাখাত প্ৰথম স্থান লাভ কৰি স্বৰ্ণ পদক লাভ কৰি সমগ্ৰ লখিমপুৰ জিলা খনলৈ গৌৰৱ কঢ়িয়াই আনিছে। গৌৰাঙ্গই আজি পুৱা স্ব-গৃহত উপস্থিত হোৱাৰ পাছতে ঘৰ খনত অজস্ৰ লোক উপস্থিত হৈ আৰ্শীবাদ প্ৰদান কৰাৰ লগতে সম্বৰ্ধনা জনায়। মধুপুৰ শিশু নিকেতনৰ ছাত্ৰ-ছাত্ৰী সকলে ঘৰৰ পৰা গৌৰাঙ্গক শোভাযাত্ৰা কৰি নিকেতনলৈ আগবঢ়াই নিয়ে। নিকেতন খনতো এক সম্বৰ্ধনা কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত বিভিন্ন দল সংগঠনে আনুষ্ঠানিক ভাৱে গৌৰাঙ্গক সম্বৰ্ধনা জনায়। গৌৰাঙ্গ মধুপুৰ নিবাসী শৈলেন হাজৰিকা আৰু ৰূপজ্যোতি হাজৰিকাৰ পুত্ৰ।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন